

বাৰ্ষিক প্ৰকাশ ঃ
১৯৮৯-৯০ চন.

সম্পাদনাত
শ্ৰীমতী আয়েচা বেগম

## ॥ শ্ৰদ্ধাঞ্জলি ॥



আমাৰ মহাবিদ্যালয়ৰ জন্ম-লগ্নৰে পৰা উপাধ্যক্ষা তথা ছাত্ৰী একতা সভাৰ উপ-সভানেত্ৰী হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আমাৰ শ্ৰদ্ধা সন্মানৰ ৺নীলিমা বৰুৱা বাইদেৱে যোৱা ১৯৮৯ চনৰ ১২ মে তাৰিখে ইহলীলা সম্বৰণ কৰে। তেখেতৰ আত্মাৰ চিৰশান্তিৰ অৰ্থে আত্মাৰ শ্ৰদ্ধাঞ্জলি নিবেদিছো।

# প্ৰাচীৰ পত্ৰিকা শিতান



আলোচনী সম্পাদিকাৰ দায়িত্ব গ্ৰহণ কৰিয়েই আমাৰ মহাবিদ্যালয়ৰ বহুত দিন লুপ্তপ্ৰায় অৱস্থাত থকা প্ৰাচীৰ পত্ৰিকা নিয়মীয়াকৈ প্ৰকাশৰ দায়িত্ব লওঁ। প্ৰাচীৰ পত্ৰিকা 'প্ৰবাহিনী'ৰ সম্পাদনাই ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীৰ বহুদিনীয়া সাহিত্য সংস্কৃতিৰ দিশত থকা দৈন্যতা যে পূৰণ নকৰিলে সেই বিষয়ে নিশ্চয় সন্দেহৰ অৱকাশ নাই।

প্ৰাচীৰ পত্ৰিকাৰ জন্মই নিশ্চয় পৃথিৱীত এক যুগান্তকাৰী ইতিহাস বহন কৰি আহিছে. যি কাৰণত ই হৈ থাকিব এক স্মৰণীয় অধ্যায়। এই কথা সকলোৰে অবিদিত নোহোৱা নহয় যে উপযুক্ত চৰ্চা তথা সুবিধাৰ অভাৱত আজি ছাত্ৰ-ছাত্ৰীৰ বহু প্ৰতিভা অকালতে মৰহি গৈছে। সৃজনীমূলক সুপ্ত প্ৰতিভা বিকশিত কৰাৰ উপযুক্ত সময় এই ছাত্ৰ অৱস্থাতেই মৰহি যাবলৈ দিলে হ'ব এক অপূৰণীয় ক্ষতি।

'প্ৰবাহিনী' প্ৰকাশৰ ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ত থকা ডাঙৰ অভাৱটোৱেই হ'ল তাৰ 'ফ্ৰেমটো'। এই অভাৱ পূৰণ কৰিলে শিৱসাগৰৰে এজন সমাজকৰ্মী তথা কামৰূপীকা ষ্ট'ৰৰ স্বত্বাধিকাৰ শ্ৰীযুত বিপিন ভড়ালীদেৱে। তেখেতৰ ওচৰত আমি চিৰকৃতজ্ঞ। ইয়াৰ উপৰিও বিভাগীয় উপদেষ্টা শ্ৰীযুক্তা যমুনা বৰগোহাঁই বাইদেৱে মোক প্ৰতিটো দিশতে দিহা পৰামৰ্শ দি যি সহায় কৰিলে সেইয়া মই জীৱনত পাহৰিব নোৱাৰো। তাৰোপৰি ছাত্ৰী একতা সভাৰ বিষয়ববীয়া আৰু মহাবিদ্যালয়ৰ ছাত্ৰী শিল্পী কবৰী দত্তই যি সহায় আগবঢ়ালে ইও এক শলাগিবলগীয়া বিষয়।

॥ গণ সাহিত্যৰ জয় সুনিশ্চিত ॥

— সম্পাদিকা।

# সূচী

## শিৱসাগৰ ছোৱালী কলেজ আলোচনী
## বাৰ্ষিক প্ৰকাশন : ১৯৮৯-৯০


সম্পাদনা সমিতি—সম্পাদিকাৰ একাষাৰ—শ্ৰদ্ধাঞ্জলি—
প্ৰাচীৰ পত্ৰিকা শিতান।

**॥ প্ৰবন্ধ ॥**

আধুনিক অসমীয়া কবিতাৰ গতিধাৰা—পুণ্য দেউৰী/পৃষ্ঠা ১—১০
অসমীয়া নাট্য সাহিত্যলৈ প্ৰবীন ফুকনৰ অৱদান—ৰূপাঞ্জলী দাস/পৃষ্ঠা ১১—১২
শিক্ষা আৰু ভাৰতত স্ত্ৰী শিক্ষাৰ ক্ৰমবিকাশ—চন্দ্ৰমা গগৈ/পৃষ্ঠা ১৩—১৭
ঐতিহ্যমণ্ডিত শিৱসাগৰৰ সাম্প্ৰতিক দুৰৱস্থা আৰু উত্তৰণৰ পথ—আয়েচা বেগম/পৃষ্ঠা ১৮—২১
ইংৰাজ কবি উইলিয়ম ৱৰ্ডছৱৰ্থ—এম শ্বামচুন নাহাৰ/পৃষ্ঠা ২২—২৭
চাৰ্লি চেপলিন—ৰুমী দত্ত/পৃষ্ঠা ২৮—২৯
নাৰী মুক্তিৰ প্ৰশ্নত—অনিতা গগৈ/পৃষ্ঠা ৬৬—৬৭
সমাজ, সংস্কৃতি আৰু 'যুৱ মানসিকতা'—এম, এ, বেগম/পৃষ্ঠা ৬৮—৭০
সময়ৰ সৎ ব্যৱহাৰ—মণিমা ভট্টাচাৰ্য্য/পৃষ্ঠা ৭১

**॥ ভ্ৰমণ কাহিনী ॥**

মোহময়ী কাশ্মীৰ—অনিমা ডেকা/পৃষ্ঠা ৩০—৩৩

**॥ আলেখ্য ॥**

ৰাৰীৰ পাছফালে কান্দে তাঁতশালে—অধ্যাপিকা যমুনা বৰগোহাঞি/পৃষ্ঠা ৩৪—৪০

**॥ কৱিতা ॥**

( ৪১ পৃষ্ঠাৰ পৰা ৪৯ পৃষ্ঠালৈ )
আহ্বান—কল্পনা চুতীয়া/শূণ্যতা—ৰূপা শইকীয়া/শ্ৰমিক—এম শ্বামচুন নাহাৰ/সমদৃষ্টি—অঞ্জনা চাৰিঙীয়া ফুকন/অভিনয়—ৰূপজ্যোতি নেওগ/ভিন্ন প্ৰহৰৰ অনুভূতি—অধ্যাপক আব্দুল হামিদ/ৰঘুমলা—চিত্ৰলেখা শইকীয়া/তোমাৰ প্ৰতীক্ষাত—ৰশ্মিৰেখা সাউদ/যুগৰ আহ্বান—ৰেবী চুতীয়া।

‖ গীতৰ গীতালী ‖

গীত—মমী বৰগোহাঁই/পৃষ্ঠা—৭৩

‖ গল্প ‖

অৱবুদ্ধ প্ৰয়াস—শঙ্খ হাজৰিকা/পৃষ্ঠা ৫০

নিসংগতাৰ উপলব্ধি—অঞ্জলী সাউদ/পৃষ্ঠা ৫৩

বাণপ্ৰস্থৰ মৃত্যুত—অধ্যাপিকা এথুদি দুৱৰা/পৃষ্ঠা ৫৬

মই গেটৰ বাহিৰত—বীতা দত্ত/পৃষ্ঠা ৬২

‖ ছাত্ৰী একতা সভাৰ ভিতৰ চ'ৰা ‖

সাধাৰণ সম্পাদিকা প্ৰমুখ্যে বিভাগীয় সম্পাদিকাসকলৰ প্ৰতিবেদন

( পৰিশিষ্ট ১ ৰ পৰা ১১ পৃষ্ঠালৈ )

●●●

## শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভাৰ ১৯৮৯-৯০ চনৰ বিভিন্ন বিভাগৰ সম্পাদিকাসকল—

| | | |
|---|---|---|
| সাধাৰণ সম্পাদিকা | : | বন্দনা মহন্ত |
| সহঃ সাধাৰণ সম্পাদিকা | : | অনিতা গগৈ |
| আলোচনী বিভাগ | : | আয়েচা বেগম |
| সংগীত বিভাগ | : | তাজমিনা বেগম |
| সাংস্কৃতিক বিভাগ | : | চামচুন নাহাৰ |
| তৰ্ক বিভাগ | : | ৰূপাঞ্জলী দাস |
| ক্ৰীড়া বিভাগ | : | বেবী বুঢ়াগোহাঞি |
| ছাত্ৰী জিৰণী কোঠা | : | দীপামণি বৰুৱা |
| সমাজ সেৱা বিভাগ | : | ৰূপজ্যোতি নেওগ |
| সহঃ ক্ৰীড়া বিভাগ | : | বিভালক্ষ্মী ঘড়া |
| সহঃ সঙ্গীত বিভাগ | : | ৰশ্মীৰেখা সাউদ |

●●●

## সম্পাদনা সমিতি ঃ

| | | |
|---|---|---|
| সভাপতি | ঃ | অধ্যক্ষ মঃ হাফিজুৰ ৰহমান |
| উপদেষ্টা | ঃ | শ্ৰীযুক্তা যমুনা বৰগোহাঞি |
| সম্পাদিকা | ঃ | শ্ৰীমতী আয়েচা বেগম |
| সদস্যা | ঃ | শ্ৰীমতী বন্দনা মহন্ত |
| সদস্যা | ঃ | এম শ্বামচুন নাহাৰ |

বেটুপাতৰ শিল্পী ঃ সূৰ্য্য বৰগোহাঞি

# সম্পাদকীয়

**আলোচনী সম্পাদনা সম্পৰ্কে—**

জয় জয়তে মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰকাশ এই আলোচনীখন সময়মতে আপোনালোকৰ হাতত তুলি দিব নোৱাৰাৰ বাবে মই দুঃখিত। এখন মহাবিদ্যালয়ৰ আলোচনী এখন প্ৰকাশৰ বাবে অকল অৰ্থই যথেষ্ট নহয়, তাৰ বাবে উপযুক্ত তথা উচিৎ মানদণ্ডৰ লেখনি, কৰ্তৃপক্ষ, শিক্ষাগুৰু আৰু ছাত্ৰীসকলৰ আন্তৰিক সহযোগিতা নিতান্তই কাম্য। সেয়ে এই দিশত মই বহু অভাৱ অনুভৱ কৰা নাই বুলি ক'ব নোৱাৰি।

ইয়াৰ উপৰিও এই বছৰ মহাবিদ্যালয়ৰ 'ৰূপালী জয়ন্তী' উৎসৱ অনুষ্ঠিত কৰাৰ বাবে কিছু ব্যস্ত হ'ব লগীয়া হোৱাত, লগতে বহুবাৰ জাননী দিয়াৰ পাছতো সময়মতে লিখনিসমূহ নোপোৱাত আলোচনীখন প্ৰকাশত যথেষ্ট পলম হ'ল। মাননীয় শিক্ষাগুৰু আৰু ছাত্ৰীসকলৰ যি লিখনি উপযুক্ত বুলি বিবেচিত হ'ল তাকে প্ৰকাশ কৰি আপোনাসবৰ হাতত দাঙি ধৰা হ'ল। অজানিতে হোৱা ভুল ত্ৰুটীৰ বাবে ক্ষমাপ্ৰাৰ্থী হৈ ৰ'লো। আশা— সাহিত্য সংস্কৃতিৰ দিশত এই সামান্য প্ৰচেষ্টাই ছাত্ৰীসকলৰ প্ৰতিভাৰ সাৰ্থক প্ৰতিফলন ঘটাব।

**'ৰূপালী জয়ন্তী'ৰ সম্পৰ্কে—**

আজিৰ পৰা পশিচ বছৰৰ আগতে অসমৰ প্ৰাণকেন্দ্ৰ স্বৰূপ ঐতিহাসিক এই শিৱসাগৰতে প্ৰতিষ্ঠা লাভ কৰা মহিলা শিক্ষানুষ্ঠান "শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ে" পূৰ্ণ যৌৱন লাভ কৰাত যোৱা ২৩, ২৪, ২৫ জানুৱাৰী ১৯৯০ চনত 'ৰূপালী জয়ন্তী উৎসৱ অনুষ্ঠান উদ্‌যাপিত হয়। মাত্ৰ কেইগৰাকীমান ছাত্ৰীৰ দ্বাৰা আৰম্ভ কৰা এই মহাবিদ্যালয় বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে আহি আজি প্ৰায় পোন্ধৰ শ ছাত্ৰীৰ পূৰ্ণ পৰ্য্যায়ৰ মহাবিদ্যালয় হিচাবে স্বীকৃত হৈছে। যি সকল লোকৰ অশেষ ত্যাগৰ ফলত আজি এই শিক্ষানুষ্ঠানে প্ৰত্যেক বছৰে শ শ ছাত্ৰীৰ ভবিষ্যতৰ পথ সুগম কৰি তুলিছে, সেই সকলক এই ক্ষণতে শ্ৰদ্ধাৰে সোঁৱৰিছো।

অসমৰ কেইবাগৰাকী সাহিত্যানুৰাগী আৰু সংস্কৃতিবান ব্যক্তিৰ উপস্থিতিত 'ৰূপালী জয়ন্তী' উৎসৱ অনুষ্ঠানৰ আটাইকেইদিনৰ কাৰ্য্যসূচীয়েই তাৎপৰ্য্যপূৰ্ণ আছিল। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু শুভাকাংখীৰ উপস্থিতিত মহাবিদ্যালয়ৰ উন্নতিত বহল চিন্তা-চৰ্চ্চাৰ যথেষ্ট গুৰুত্ব দিয়া এনে অনুষ্ঠানৰ কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্য্যসূচীত উপৰুক্ত সকলৰ বহুতৰে সহযোগ নেদেখাত উদ্যোক্তা সকল বহু সময়ত হতাশ হৈ পৰা দেখা গৈছিল।

যদিও এই মহাবিদ্যালয় সম্পূৰ্ণ যৌৱন প্ৰাপ্ত তথাপিতো এই অনুষ্ঠান কিছুমান

বাস্তৱ সমস্যাৰ পৰা এতিয়াও মুক্ত হোৱা নাই। সেইবোৰ হ'ল— ছাত্ৰী অনুযায়ী শ্ৰেণী কোঠাৰ অভাৱ, এখন খেল পথাৰ, নৱ গঠিত বিজ্ঞান বিভাগটো পূৰ্ণ পৰ্য্যায়লৈ উন্নীত কৰা, বহু সময়ত মহাবিদ্যালয়ৰ কাষৰ কিছু ঠাইৰ লোকেৰা পৰিবেশে শৈক্ষিক বাতাবৰণ নষ্ট কৰা ইত্যাদি।

বাস্তৱ চিন্তাৰে—

সম্প্ৰতি অসমত আৰ্থ-সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক দিশত এক অস্থিৰ ভয়াবহ অৱস্থাই বিৰাজ কৰিছে। ক্ষয়িষ্ণু আৰ্থ সামাজিক এই ব্যৱস্থাত ভেঁজা দি গঢ় লৈ উঠা শিক্ষা ব্যৱস্থাই সৃষ্টি কৰা ছাত্ৰ সমাজ আজি গভীৰ সংকটৰ সন্মুখীন হৈছে। পুঁজিবাদী তথা ধনীক শ্ৰেণীৰ ৰক্ষণাবেক্ষণত তথা শোষণৰ স্বাৰ্থত গঢ়ি তোলা শিক্ষাই ছাত্ৰ সমাজক আত্ম-নিৰ্ভৰশীল কৰি তোলাৰ পৰিবৰ্ত্তে অধিক পৰমুখাপেক্ষী কৰি তুলিছে। স্বাধীনতাৰ (?) ৪২ বছৰৰ পাছতো অৰ্থাৎ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই উচ্চ শিখৰত অৱতীৰ্ণ হোৱাৰ সময়তো আমাৰ অসমৰ ছাত্ৰ সমাজে অশেষ সমস্যা মূৰ পাতি লোৱাৰ উপৰিও শেহতীয়াকৈ পাঠ্যপুথিৰ অভাৱত আন্দোলন কৰিবলগীয়া হোৱাটো কম বিপৰ্য্যয়ৰ বিষয় নহয়।

অসমৰ বহু অঞ্চলত অৱস্থিত প্ৰাথমিক বিদ্যালয়সমূহৰ জৰাজীৰ্ণ অৱস্থা আৰু বহু বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ক্ৰমবৰ্দ্ধমান দুৰ্নীতিৰ শিক্ষা আহৰণত এক অন্তৰায় হিচাবে থিয় দিছে। নিশ্চয় এই আৰ্থ-সামাজিক ব্যৱস্থাই ইয়াৰ বাবে তৃণ মূলৰ (Grass root) বা উৎসৰ পৰাই ব্যৱস্থা লোৱা নহয়; তেন্তে গতানুগতিক শিক্ষাই ক্ৰমাগত ভাৱে ভয়ানক বিপদলৈ গতি কৰিব। ইয়াৰ বাবে আজি ছাত্ৰ সমাজৰ ওপৰত গধুৰ দায়িত্ব আৰু কৰ্তব্য আহি পৰিছে। এই কথা মনত ৰখা প্ৰয়োজন যে এখন অপৰিষ্কাৰ টেবুল অপৰিষ্কাৰ কাপোৰে ঢাকা কৰিব বিচাৰিলে নিশ্চয় সু-ফল পোৱা নাযাব; তাৰ বাবে পৰিষ্কাৰ কাপোৰৰ প্ৰয়োজন হব। আমি সেয়েহে ছাত্ৰ সমাজে, বুদ্ধিজীৱি আৰু সচেতন সমূহ ব্যক্তিয়ে এক উমৈহতীয়া প্ৰচেষ্টা তথা বৈজ্ঞানিক দৃষ্টিভংগীৰে আগবঢ়াৰ সন্ধিক্ষণ আহি পৰিছে।

ছাত্ৰই ৰাজনীতি কৰিব নালাগে বুলি কোৱা হয় যদিও ৰাজনীতিয়ে ছাত্ৰক কেতিয়াও এৰি নিদিয়ে। আৰ্থ-সামাজিক বৈষম্য দূৰ কৰা, সুস্থ সাহিত্য সংস্কৃতিৰ দিশত সুদৃঢ় প্ৰচেষ্টা অব্যাহত ৰখা, শোষিত, অৱহেলিত তথা নিষ্পেষিত অসমীয়া জাতিৰ অধিকাৰ সম্পৰ্কে সচেতন হোৱা আদিয়ে যদি ৰাজনীতিৰ অন্তৰ্ভুক্ত বিষয়-বস্তু হিচাবে পৰিগণিত হয় তেন্তে ছাত্ৰ সমাজে ইয়াৰ সম্পৰ্কে চিন্তা চৰ্চা বা সচেতন হোৱাও ৰাজনীতি (ৰাইজৰ নীতি) নহ'ব? এইদৰে অসমীয়া জাতিয়ে বিদেশী পুঁজিপতি আৰু সিহঁতৰ বহুতীয়া 'দেশীয়' বৃহৎ মহাজন, ব্যৱসায়ীৰ শোষক জোটৰ চক্ৰান্তত জাতীয় অস্তিত্ব সংকটপূৰ্ণ হৈ পৰিছে।— বড়ো, মিচিং, কাৰ্বি, ৰাভা, তিৱা, দেউৰী আদি থলুৱা স্বকীয় বৈশিষ্ট্য সম্পন্ন জনগোষ্ঠী সমূহৰ ভাষা সংস্কৃতি, অৰ্থনীতিৰ বিকাশ

ৰুদ্ধ হৈছে। স্বাধীনতাৰ ৪২ বছৰৰ পাছতো অৱস্থাৰ বিশেষ কোনো পৰিবৰ্তন হোৱা দেখা নাই। ছাত্ৰ অৱস্থাৰ পৰা পোনে পোনে সংসদীয় ৰাজনীতিলৈ গতি কৰা ৰাইজৰ চৰকাৰ বুলি দাবী কৰা অ. গ. প. চৰকাৰৰ শাসন কালতো একে অৱস্থা অব্যাহত আছে। অন্তঃকৰণত বহু দুৰ্নীতিৰে ভৰি পৰা চৰকাৰে সোণৰ অসম গঢ়াৰ প্ৰতিশ্ৰুতি ফুটুকাৰ ফেন হ'ল। শেহতীয়াকৈ চৰকাৰৰ দুৰ্বলতাৰ সুযোগ লৈ কিছু সুবিধাবাদীৰ চক্ৰান্তত গোষ্ঠীগত আন্দোলন গঢ়ি উঠিছে। ক্ষমতাৰ বাবে ৰাজনৈতিক চক্ৰান্তকাৰীয়ে আমাৰ সমন্বয়ৰ শিকলিডাল ভাঙি টুকুৰা-টুকুৰ কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। ই সঁচাকৈ অসমীয়া জাতিৰ অস্তিত্বৰ সংগ্ৰামত ভয়ানক বিপদ হিচাবে থিয় দিব আৰু সমূহ অসমীয়া জনগোষ্ঠীয়ে উমৈহতীয়া শত্ৰুৰ বিৰুদ্ধে থিয় নিদিলে, অসমীয়া জাতিৰ পৰিচয় ইতিহাসৰ পৰা কেইটা দশকমানৰ পাছতে মাইকিয়া হৈ পৰিব।

## সাংস্কৃতিক ক্ষেত্ৰত—

অসমৰ বাপতিসাহোন সোণ-সেৰীয়া গণ সংস্কৃতি ক্ৰমে বজৰুৱা ধনীক সংস্কৃতিৰ গৰাহত পৰি ধ্বংস হ'ব ধৰিছে। বোলছবি, দূৰদৰ্শন, সাহিত্য আদি মাধ্যমৰ দ্বাৰা দুষ্কৃতিয়ে শিপাইছে ব্যাপক হাৰত। সেয়েহে আমাৰ দায়িত্ব এই দুষ্কৃতিৰ বিপৰীতে জনগণৰ সাংস্কৃতিক মান উন্নত কৰি সংগ্ৰামী মানসিকতাৰ বিকাশ ঘটোৱা সাংস্কৃতিক বিপ্লৱৰ ভেটি ৰচনা কৰা।

## শলাগৰ শৰাই—

শেষত এই আলোচনীখন প্ৰকাশৰ বাবে সকলো দিশত সহায় কৰা সম্পাদনা সমিতিৰ বিষয়ববীয়া সকল, মাননীয় অধ্যক্ষ, ছাত্ৰী একতা সভাৰ সহকৰ্মী বিষয়ববীয়া, বিভিন্ন লেখনি দি প্ৰকাশৰ বাট সুগম কৰা শিক্ষাগুৰু আৰু ছাত্ৰীসকল, মহাবিদ্যালয় সমূহ ছাত্ৰী তথা অধ্যাপক, অধ্যাপিকা, কৰ্মচাৰীবৃন্দক এই ক্ষণতে আন্তৰিক শলাগ যাচিছো। অশেষ কৰ্মীয়া অৱস্থাৰ মাজেদি আলোচনীৰ উপদেষ্টা মাননীয় অধ্যাপিকা শ্ৰীযুক্তা যমুনা বৰগোঁহাই বাইদেৱে সকলো দিশতে সহায় নকৰা হলে আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত মোৰ সীমিত জ্ঞানেৰে অসম্ভৱ হ'ল হেতেন। সেয়ে তেখেতৰ ওচৰত মই চিৰকৃতজ্ঞ। সৰ্বশেষত প্ৰেছৰ স্বত্বাধিকাৰ, সমূহকৰ্মীবৃন্দই অশেষ কষ্টৰে অতি কম দিনৰ ভিতৰতে আলোচনীখন উলিয়াই দিয়াত তেখেত সকললৈ কৃতজ্ঞতা প্ৰকাশিছোঁ। মহাবিদ্যালয় তথা সমূহ ছাত্ৰীৰ সৰ্বাঙ্গীন উন্নতিৰ একান্ত কামনাৰে—

আয়েচা বেগম
সম্পাদিকা ( আলোচনী বিভাগ )
১৯৮৯-৯০ চন

# প্রবন্ধ-মালিতা

প্রবন্ধ-মালিতা প্রবন্ধ-মালিতা প্রবন্ধ-মালিতা প্রবন্ধ-মালিতা

# আধুনিক অসমীয়া কবিতাৰ গতিধাৰা

শ্ৰীপুণ্য দেউৰী
স্নাতক ৩য় বাৰ্ষিক

সাহিত্য কোনো যুগতে স্থিৰ হিচাবে প্ৰতিপন্ন হৈ নাথাকে। সময়ৰ অগ্ৰগতিৰ লগে লগে সাহিত্যই সুৰ সলায়, নতুন নতুন বিষয়-বস্তু গ্ৰহণ কৰি নতুন ধৰণৰ প্ৰকাশ-ভঙ্গী গ্ৰহণ কৰি নতুনত্বক আদৰি লয়। সেয়েহে যুগে-যুগে, কালে কালে সাহিত্য-প্ৰীতিৰ বৈশিষ্টবাজি সলনি হৈ আহিব লাগিছে। অষ্টাদশ শতাব্দীৰ শেষ ভাগত ইংৰাজী সাহিত্যত সৃষ্ট হোৱা ৰমন্যাস আন্দোলনে এটা যুগত জনপ্ৰিয়তাৰ উচ্চ শিখৰলৈ আহি সময়ৰ আহ্বানত এদিন স্তিমিত হৈ পৰিল আৰু তাৰ ঠাই ললে কবিতাৰ আধুনিকতা বা সাহিত্যৰ আধুনিকতাবাদে। ঠিক তেনেকৈয়ে অসমীয়া সাহিত্যৰ বুৰঞ্জীতো উনবিংশ শতাব্দীৰ শেষ ভাগত জোনাকী কাকতৰ জৰিয়তে ভুমুকি মৰা ৰোমাণ্টিক সাহিত্যই বিংশ শতাব্দীৰ প্ৰথম কেইটামান দশকত জনপ্ৰিয়তাৰ শীৰ্ষ বিন্দুলৈ উঠি দেৱকান্ত বৰুৱাৰ কবিতাত চৰম বিকাশ লাভ কৰি স্তিমিত হৈ পৰিল। তাৰ ঠাইত নতুন দিনৰ নতুন কবিয়ে নতুন বিষয়বস্তু লৈ আৰম্ভ কৰিলে নতুন ধৰণৰ কবিতাৰ প্ৰকাশ। যাক, প্ৰথম যুগৰ সমালোচকে "নতুন কবিতা" হিচাবে সাহিত্যত ঠাই দিলে বা কোনোৱে ইয়াক সাম্প্ৰতিক কবিতা হিচাপেও অভিসিক্ত কৰিছিল। কিন্তু এই ধৰণৰ নামাকৰণৰ উৰ পেলাই আধুনিকতাৰ পৰশ পোৱা কবিতাবোৰ "আধুনিক কবিতা" বুলি সৰ্বজন গ্ৰাহ্য মত এটা গ্ৰহণ কৰা হৈছে। এই আধুনিক কবিতাসমূহ পাশ্চাত্য সাহিত্যৰ দৰে অভিজ্ঞতাৰ কৰ্ষতিৰ শিলত কটা জ্ঞান আৰু দৰ্শনৰ প্ৰকাশ হয়নে নহয় এই কথা চালি জাৰি চোৱাৰ স্থল আছে যদিও আধুনিক কবিতাৰ জন্ম আৰু প্ৰকাশ-ভঙ্গীৰ ওপৰত পাশ্চাত্য প্ৰভাৱৰ কথা একেবাৰে নুই কৰিব নোৱাৰি।

অসমীয়া ৰোমাণ্টিক কৱা সাহিত্যৰ বৰ্ণাঢ্য প্ৰকাশ, এটা যুগত দৃঢ়তাৰে খোপনি পুতিলেও চিৰ যুগমীয়া গতি প্ৰবাহত বাধা প্ৰাপ্ত হ'ল তেতিয়াই, যেতিয়া বিংশ শতাব্দীৰ আদি ছোৱাত পৃথিৱীৰ বিভিন্ন প্ৰান্তত ন-ন ধ্যান-ধাৰণা আৰু চিন্তা-চৰ্চাৰ কৰ্ষণ আৰম্ভ হ'ল। অৱশ্যে পাশ্চাত্য ৰোমাণ্টিক সাহিত্যতকৈ অসমীয়া ৰোমাণ্টিক সাহিত্যৰ পটভুমি তুলনা-মূলক ভাৱে এটা শতাব্দীৰ পিছত অৰ্থাৎ অসমীয়া কবিয়ে ৰূপ, ৰস, গন্ধ বৰ্ণৰে ৰোমাণ্টিক কবিতা আদৰি আনোতে পাশ্চাত্যত আধুনিকতাৰ বতাহ বলৈ আৰম্ভ কৰিছিলেই,

সিয়ে যেনিবা নব্য চেতনাত উদ্ভাসিত হৈ নতুন দিশ পোহৰাই তুলিলে বিংশ শতাব্দীৰ প্ৰথম ছোৱাৰ পৰাহে।

কাব্য সত্যত ৰূপান্তৰৰ বুৰঞ্জী অস্বাভাৱিক কেতিয়াও নহয়। সময় অনুক্ৰমে সমাজ আৰু সামাজিক পৰিবেশ দ্ৰুতভাৱে সলনি হৈ গৈ থাকে। যন্ত্ৰ শক্তিৰ প্ৰসাৰ, বিশ্বযুদ্ধ, ৰুচ বিপ্লৱ আদিয়ে সমগ্ৰ বিশ্বৰে আৰ্থ-সামাজিক পৰিবেশত এক নতুনত্বৰ দিশ প্ৰবাহিত কৰিছিল। ফল স্বৰূপেই সাহিত্যত এই নতুনত্বৰ সূচনা প্ৰকাশিত কাব্য সত্যৰ ৰূপান্তৰ সাধন কৰা হৈছে। সমালোচকৰ মতে ই আচলতে কাব্যৰ মুক্তি প্ৰচেষ্টাৰ নামান্তৰ মাথো। সাহিত্য চিন্তাৰ এই পৰিবৰ্ত্তনে, মনঃসমীক্ষণ নৃতত্ব আদিয়ে মানস সত্যৰ প্ৰকৃতি সলনি কৰিলে। অৱচেতন মনৰ আৱিষ্কাৰ সেই সময়ৰ এক উল্লেখযোগ্য সাফল্য আৰু ফলশ্ৰুতিত অৱচেতন মনৰ মনোবৈজ্ঞানিক বিশ্লেষণে আধুনিক কবিতাৰ সত্যক পোহৰাই তুলিলে। বহুতৰ মতে, অৱক্ষয় চেতনা বা বিৰূপ চেতনাই আধুনিকতা; অতীতৰ তুলনাত বৰ্ত্তমানৰ জীৱন শ্ৰীহীন, সঙ্কুচিত; এই চেতনাই অৱক্ষয় চেতনা। ফৰাচী প্ৰতীকি কাব্যত তাকে নান্দনিক মৰ্য্যদা দানৰ চেষ্টাৰে আধুনিক কবিতাৰ জন্ম। জীৱনৰ সংকট সম্বন্ধে নতুন সত্যৰ আৱিষ্কাৰ এই যুগৰ কবিতাৰ এক উল্লেখযোগ্য অৱদান। বিজ্ঞানী আৰু মনঃস্তত্ববিদসকলৰ যুগজনিত বিশ্লেষণ আৰু সূত্ৰ ইয়াৰ সহায়ক স্বৰূপ।

সেয়েই পৃথিৱীৰ অন্যান্য সাহিত্যৰ দৰে অসমীয়া কাব্য সাহিত্যতো আধুনিকতাই পোহাৰ মেলিলে। বৰ্ণাঢ্য ৰোমাণ্টিক সাহিত্যই পিছৰ যুগলৈ নিজৰ পতনৰ বীজ নিজেই কঢ়িয়াই ফুৰিবলৈ ধৰিলে। ঐতিহ্য বিৰোধী, বাস্তৱ বিমুখ, বিস্ময়াবিষ্ট আৰু শুচিবায়ুগ্ৰস্ত ৰোমাণ্টিক কবিয়ে ৰহস্যঘন প্ৰকৃতিৰ দ্বাৰ মুকলি কৰিছিল কল্পনা আৰু আৱেগেৰে; জীৱনৰ প্ৰকাশ তাত নাছিল। ফলত তেওঁলোকে হৈ পৰিছিল স্থবিৰ আৰু অসমত এই স্থবিৰতাত ইন্ধন যোগাইছিল যুগজনিত অৰ্থনৈতিক অৱস্থাই আৰু যুগজনিত মানবীয় সংকটে। ৰাজনৈতিক আৰু আৰ্থ-সামাজিক সংকটে অনা পৰিবেশতে হতাশাৰ জন্ম আৰু হতাশাবাদে জন্ম দিলে নতুন কবিতাৰ।

উনৈশ শতিকাৰ দ্বিতীয় চতুৰ্থাংশৰ ভিতৰতে ইংৰাজ আমোলৰ তলত অসমত পশ্চিমীয়া সামাজিক আৰু মানসিক হেঁচা এটা বাঢ়কৈয়ে পৰে। ১৮৪৬ চনৰ পৰা "অৰুণোদয়" ওলাবলৈ ধৰে আৰু ১৮৮৯ চনত ওলায় অসমীয়া সাহিত্যৰ বেজবৰুৱা যুগৰ প্ৰথম জ্যোতিষ্ক 'জোনাকী'। এই দুটা তাৰিখৰ মাজৰ কালডোখৰেই আধুনিক অসমীয়া কাব্যৰ পাতনি যুগ। প্ৰাণবন্তৰ ফালৰ পৰা ইংৰাজী কবিতাৰ প্ৰভাৱ পৰে 'জোনাকী' কাকতৰ ভিতৰেদিহে। চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীয়ে ইংৰাজী ৰোমাণ্টিক কবিতাৰ অনুৰাগ আনি দিয়েহি 'জোনাকী'ৰ কাব্য প্ৰতিভাত। আগৰৱালাৰ 'মাধুৰী' 'বনকুঁৱৰী'; বেজবৰুৱাৰ 'প্ৰিয়তমাৰ সৌন্দৰ্য্য', 'চুমা' আৰু গোস্বামীৰ 'প্ৰিয়তমাৰ

চিঠি', 'কাকো আৰু হিয়া নিবিলাও' আদি কবিতাই আধুনিক যুগৰ প্ৰথম ৰোমান্টিক সৃষ্টি। প্ৰথম সংখ্যা 'জোনাকী'ত আগৰৱালাৰ 'বনকুঁৱৰী' কবিতা ওলোৱাতহে অসমীয়া ভাষাত যে বৰ্ত্তমানৰ উপযোগী শুৱলা কবিতা লিখিব নোৱাৰি, এনে এটা ভ্ৰান্তি বহুতৰ মনৰ পৰা আঁতৰিল। দ্বিতীয় সংখ্যাৰ 'কাকো আৰু হিয়া নিবিলাও" বৰ্ত্তমান যুগৰ প্ৰথম প্ৰেমৰ কবিতা।

আধুনিক অসমীয়া কাব্যৰ সৃষ্টিত ইংৰাজী প্ৰভাৱৰ স্পৰ্শই ঘাই সূত্ৰপাত আৰু মূল গাঠি, deciding factor। 'জোনাকী'য়ে সেই প্ৰভাৱৰ ভেটা দাঙি দিয়াৰ লগে লগেই ভাব আৰু ভঙ্গীমা, উভয়তে অসমীয়া কবিয়ে ইংৰাজী তথা পশ্চিমীয়া সাহিত্যৰ পৰা ধাৰ কৰিবলৈও বাট মুকলি হ'ল। অৱশ্যে এই ধাৰ কৰা হেতুকে অসমীয়া কাব্যই অশুচি বা পৰোপজীৱী নাম পাবলৈ ঠাই নোহোৱা নাই। ভাব বিশ্বজনীন আৰু চিৰন্তন, এই বিশ্বজনীন আৰু চিৰন্তন ভাবৰ আদান-প্ৰদান, ঘাত-প্ৰতিঘাততেই কলা আৰু সাহিত্যৰ নিতৌ নৱ সৃষ্টি।

অসমত আধুনিক কবিতাৰ জন্মৰ মূলত ইউৰোপীয় ভাবাদৰ্শ আৰু সাহিত্য চিন্তাৰ অনুৰাগ নিশ্চয় আছিল; কিন্তু সেইটোৱেই একমাত্ৰ কাৰণ নাছিল। ৰোমান্টিক ঐতিহ্যৰ বিৰোধ আৰু কাল স্বভাৱৰ নিৰাসক্ত উপলব্ধিৰ প্ৰয়াস জয়ন্তী যুগৰ বিদ্ৰোহৰ মূল প্ৰেৰণা। ১৯৩৯ চনত প্ৰকাশিত হোৱা "জয়ন্তী" নামৰ কাকতখন আধুনিক কবিতা সৃষ্টিৰ প্ৰধান বাহন আছিল। এই কাকতখনৰ ঐতিহাসিক তাৎপৰ্য্য বিশ্লেষণ কৰিলে দেখা যায় যে অমূল্য বৰুৱাকে প্ৰমুখ্যে কৰি কলিকতা প্ৰবাসী কেইজনমান যুৱ ছাত্ৰই "জয়ন্তী" কাকতৰ যোগেদি আধুনিক কবিতাক আমন্ত্ৰণ কৰি আনিলে, কাৰণ ৰমন্যাসিক বিফলতাই তেওঁলোকক দিছিল যুগজনিত সমস্যাৰ কৰুণ যান্ত্ৰণা। আবেগিক আতসুৰা ভাবৰ সুকোমল কবিতা সমাজ আৰু সাহিত্য দুয়োটাতে অচল। সেয়েহে ভাবতকৈ প্ৰাধান্য পালে যুক্তি, প্ৰকাশতকৈ প্ৰাধান্য পালে বক্তব্যই। যথাসম্ভৱ ৰমন্যাসিক যুগৰ নাট্যকাৰ চন্দ্ৰধৰ বৰুৱাৰ 'ৰঞ্জন' নামৰ কবিতাটোতে প্ৰথম আধুনিক কবিতাৰ প্ৰকাশ এটা লক্ষ্য কৰিব পাৰি। ইয়াৰ পিছৰ চল্লিশৰ দশকত বহুকেইজন মানৱতবাদী সাহিত্যিকৰ ভিতৰত জ্যোতিপ্ৰসাদ আগৰৱালা আৰু দেৱকান্ত বৰুৱাৰ নাম উল্লেখ যোগ্য। এওঁলোকৰ হাতৰ পৰশ পাই নব্য মানৱীয় চেতনাবোধ এটাই প্ৰকাশ লাভ কৰিছিল। দেৱকান্ত বৰুৱা প্ৰেমৰ উন্মাদ আহ্বানত মুগ্ধ হলেও তেওঁৰ কবিতাত সমাজৰ নিষ্পেষিত অৱহেলিতজনক পোহৰলৈ তুলি অনাৰ হাবিয়াস প্ৰকট হৈ উঠিছে। লগে লগে সমসাময়িক সমাজখনে প্ৰকাশ কৰা মানৱীয় মূল্যবোধৰ অৱক্ষয়, নৈতিক মূল্যবোধৰ অৱসাৱন আৰু পাৰস্পৰিক মমতাবোধৰ অভাৱে নতুন কবিসকলক এটা সচেতনতা প্ৰদান কৰিছে।

"জয়ন্তী" কাকতখনক আধুনিক কবিতা সৃষ্টিৰ প্ৰধান বাহন বুলি আলোচনা কৰাৰ সময়ত সমসাময়িক সমাজখনৰ প্ৰতিচ্ছবি স্পষ্টকৈ মনলৈ আহে। আধুনিকতাই সৃষ্টি

কৰা ধনী আৰু দুখীয়াৰ বৈষম্যই মানৱীয় মূল্যক জলাঞ্জলি দি পেটৰ তাৰণাত শোষিত মানুহ, যুদ্ধজনিত দুভিক্ষ সৃষ্টি কৰা হাঁহাকাৰ, চোৰাংবজাৰ, মুদ্ৰা স্ফীতিয়ে সৃষ্টি কৰা কৃত্ৰিম অনাটন আৰু শিল্প বিজ্ঞানৰ দ্ৰুত প্ৰগতিত সৃষ্টি হোৱা মানুহৰ আত্মিক সংহতি—এইবোৰেই হ'ল আধুনিক কবিতাৰ মূল উপজীব্য। আধুনিক কবিতা সৃষ্টিত জয়ন্তীৰ জনক হিচাপে হেম বৰুৱাৰ অৱদানো নুই কৰিব নোৱাৰি। বিস্তৃত মানসিক দিগন্তলৈ তেৰেঁই আঙুলিয়াই দি অনুজসকলক উদ্বুদ্ধ কৰিছিল। অসমীয়া কাব্য সাহিত্যত অমূল্য বৰুৱাই পোন প্ৰথম বাৰৰ বাবে আধুনিক কবিতাৰ পাতনি মেলিছিল জয়ন্তী কাকতৰ যোগেদি। তেওঁৰ প্ৰথম কবিতাটো আছিল "বেশ্যা"। অমূল্য বৰুৱাকে আধুনিক কবিতাৰ জন্মদাতা বুলি কোৱা হয়। আধুনিক কবিতাৰ সৃষ্টি আৰু গতি ধাৰাত অৰিহনা যোগোৱাৰ ক্ষেত্ৰত আন কেইজনমান কবিৰ নাম উল্লেখযোগ্য। এওঁলোক আছিল নৱকান্ত বৰুৱা, অজিত বৰুৱা, মহেন্দ্ৰ বৰা, ৰাম গগৈ আৰু বীৰেন বৰকটকী। এওঁলোকৰ হাতৰ পৰশ পাই নব্য মানৱীয় চেতনাবোধে আধুনিকতাক সজীৱ কৰি তুলিছিল।

কেৱল সমাজ চেতনাৰ উৎকৰ্ষই কাব্য বিচাৰৰ মাপকাঠি নহয়। জয়ন্তী যুগৰ কবি সকলৰ 'মধ্যমণি' স্বৰূপ অমূল্য বৰুৱাৰ কবিতাসমূহ সমাজ চেতনাৰে উজ্জ্বল, কিন্তু সেইবোৰ ৰসোপলব্ধিৰ বিচাৰত উত্তীৰ্ণ হৈছে বুলিব নোৱাৰি। অৱশ্যে প্ৰসঙ্গ আৰু প্ৰকৰণৰ নতুনত্ব মন কৰিবলগীয়া। দৃঢ় কঠিন গদ্যৰ আঙ্গিকত লিখা এই কবিতাসমূহ (বেশ্যা, কুকুৰ আদি) সামাজিক ন্যায়কামী যুৱক কবিৰ অন্যায়ৰ বিৰুদ্ধে বুদ্ধিদীপ্ত প্ৰতিবাদ। ডাচ কেপিটেল গ্ৰন্থই এইজন কবিক দেখুৱাই দিলে, যন্ত্ৰ-শক্তিয়ে কৰ্মীৰ মাজত যি ব্যৱধান আনিছে, সি সামাজিক ন্যায়ৰ পৰিপন্থী। এই বিচ্ছিন্নতা বোধৰ স্বাক্ষৰ হিচাবে অমূল্য বৰুৱাৰ বক্তব্য অনুপেক্ষণীয়। কিন্তু কবিতা কেৱল উক্তিয়েই নহয়, এই উক্তি স্মৰণীয়ও, আৰু কবিৰ স্বকীয় সঞ্চিত অভিজ্ঞতাৰ আবেগ মধুৰ প্ৰকাশ। 'বেশ্যা'ত সমাজবোধ অনুভূতিৰ স্তৰলৈ উঠিছে যদিও অৰ্থঘনত্বৰ অভাৱত তাৰ আকৰ্ষণীয়তা কমিছে।

পূজা, 'গুৱাহাটী ১৯৪৪' (যতিনাৰায়ণ শৰ্মা সম্পাদিত অসমীয়া আধুনিক কবিতাত প্ৰকাশিত) 'মৰুভু' আদি কবিতাৰে কাব্য জীৱনৰ পাতনি মেলি হেম বৰুৱাই ভালেমান কবিতা লিখিছে। হেম বৰুৱাৰ কালত সাহিত্যৰ বাতাবৰণ অসুস্থ; সেইবাবে সাৰ্থক গ্ৰহণ-বৰ্জনৰ দ্বাৰা ভাৰসাম্য ৰক্ষা কৰাও দুৰূহ হৈ পৰিছিল। হেম বৰুৱাৰ কবিতাৰ আলোচনাৰ ক্ষেত্ৰত এই ঐতিহাসিক সত্য স্মৰণীয়। মানুহৰ মৌল চেতনা প্ৰেম হেম বৰুৱাৰ কবিতাৰ প্ৰতিপাদ্য বস্তু। কিন্তু আধুনিক সমাজত প্ৰেম অন্তঃসাৰশূন্য। শকুন্তলাৰ ধৈৰ্য্য, সোণপাহিৰ প্ৰাণ চাঞ্চল্য আজিৰ প্ৰেমত দুৰাশা মাথোন। বৰ্ত্তমানৰ প্ৰেমৰ অন্তৰালত আছে দৈহিক তৃপ্তিৰ লোভ (তোমাৰ দেহ গঙ্গাত আমাৰ প্ৰেম কাগজৰ নাও)। এইখন সমাজত নাৰী ধৰ্ম্ম সহচৰী, কৰ্ম সহচৰী হবলৈ লাগিব নতুন সমাজ।

বলিষ্ঠ প্ৰেমৰ জন্ম হ'ব সেই সমাজত; মুক্ত অনাবিল প্ৰেম তেওঁৰ লক্ষ্য।

হেম বৰুৱাৰ 'মমতাৰ চিঠি' এটা অপূৰ্ব কবিতা। এই কবিতাটোৰ মূল বিদেশী। চীন দেশীয় কবি লি-পাৰ কবিতাৰ অনুবাদ কৰিছে এজ্ৰা পাউণ্ডে, পাউণ্ডৰ কবিতাৰ নাম: The River Merchant's Wife : A letter এই কবিতাটোৱেই 'মমতাৰ চিঠিৰ' উৎস। স্থান বণিমাযুক্ত উপমাৰে উজ্জ্বল এই কবিতাটো। উৰুঙা বতাহ, হালধীয়া জোনৰ নাও, ৰঙা ৰিহা, বগা সাজ, ভোগদৈ, বুঢ়া লুইত, মেজিৰ জুই আদি ব্যঞ্জনাধৰ্মী বাক্যাংশই কবিতাটোৰ কৰুণ অথচ সংযত ৰোমান্টিক ৰূপ ফুটাই তুলিছে। ইয়াৰ স্পন্দিত গদ্য কবিৰ অনুভূতিৰ অনুগামী। অকল এই কবিতাটোৰ বাবেই হেম বৰুৱা 'স্মৰণীয় হৈ ৰ'ব

মাৰ্ক্সীয় দৰ্শনে উদ্বুদ্ধ কৰা সমাজ চেতনাৰ কবি আৰু কেইজনমান আছে। এই সকলৰ ভিতৰত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, ৰাম গগৈৰ নাম উল্লেখযোগ্য। বীৰেন ভট্টাচাৰ্য্যই সমাজ চেতনাক অনুভূতিৰ স্তৰলৈ আনি ৰসোত্তীৰ্ণ কবিতাৰ সৃষ্টি কৰিছে যদিও তেওঁৰ কবিতাৰ সংখ্যা নিচেই তাকৰ। 'বিষ্ণু ৰাভা' তেওঁৰ কবিতাত বন্দী শিল্পীৰ প্ৰতিভূঃ। জীৱন শিল্পী আৰু জনতাৰ আশা আকাঙ্ক্ষাৰ বিহ সন্মিলনৰ কল্পনা মনোৰম। জীৱন আৰু কলাৰ সমন্বয়ৰ অনুভূতি 'বিষ্ণু ৰাভা'ৰ মূল প্ৰতিপাদ্য।

নতুনৰ আহ্বান ৰাম গগৈৰ কবিতাৰো ধ্যান। তেওঁৰ স্বপ্নত 'নীল কণ্ঠ জনতাৰ আশ্চৰ্য্য সমাবেশ' ঘটে। মহাসাগৰৰ আকুল আহ্বানত উতলা নদীৰ দৰে, তেওঁৰ হৃদয়োন্মাদ জন-সাগৰৰ কল্লোল শুনি উতলা হৈ উঠে—

আত্মাৰ গভীৰত মিলনৰ শুনিছো আহ্বান
জীৱনৰ স'তে গ্ৰহ্য জীৱনৰ
কল্লোল জন সাগৰৰ। ( নদী )

গগৈৰ বাবে পথাৰ নতুন সৃষ্টিৰ ৰূপক। মহাজনী অৰ্থনীতিৰ লাভ ক্ষতিৰ নৰকুত জনতাৰ বিদ্ৰোহ আৰু নতুনৰ স্বপ্ন 'পথাৰ' কবিতাত উজলি আছে। গগৈৰ পৰৱৰ্তী কবিতাসমূহত 'পথাৰ' কবিতাৰ সঁচা আবেগৰ বোল দুৰ্লভ।

সচেতন ভাৱে মাৰ্ক্সীয় দৰ্শনৰ চৰ্চা আৰু কমিউনিষ্ট পাৰ্টিৰ লগত জড়িত থকা সকলৰ ভিতৰত কেশৱ মহন্তৰ নাম উল্লেখযোগ্য। জয়ন্তীত 'চোৰৰ কৈফিয়ৎ' 'তেওঁ আৰু মই' আদি কবিতাৰে আৰম্ভ কৰিছিল মহন্তই। এইবোৰ কবিতা সহজ আৰু স্পষ্ট। পাৰ্টিৰ ঘনিষ্ঠ সান্নিধ্যই তেওঁৰ মানসিকতাক গঢ় দিছিল। তথাপি তেওঁৰ কবিতাত বিপ্লৱৰ পদধ্বনি নুশুনি। 'আঘোণৰ কুঁৱলী' তেওঁৰ এটা উৎকৃষ্ট কবিতা। ই সূক্ষ্ম ব্যঞ্জনাৰে মধুৰ। মুক্তক ছন্দৰ ব্যৱহাৰ 'ৰাগী' আৰু 'কুঁৱলী' শব্দৰ পুনৰুক্তিৰে গণ চেতনাৰ পথ যে ৰুদ্ধ তাৰ ইংগিত দিছে এই কবিতাত। সৰ্বনাশা সম্বন্ধে সচেতন যদিও নৈৰাশ্যৰ পৰা তেওঁ মুক্ত। তেওঁৰ সূৰ্য্যই আগন্তুক জনতাক পৰিধান দিয়ে। কথোপকথন ৰীতি আৰু ঘৰুৱা শব্দৰ ব্যৱহাৰৰ সহায়েৰে, 'সোণজিৰা মাহী'ত দেখুওৱা হৈছে সাধাৰণ মানুহৰ অন্তৰত

জীয়াই থকা মানৱতাক। ৰীতিৰ স্বাতন্ত্র্য থাকিলেও, ভাষা আৰু বক্র আৰু অর্থ-ঘন হোৱা হলে কবিতাটো অতি ৰস-ঘন হলহেঁতেন বুলি তেওঁৰ বিশ্বাস।

'জয়ন্তীত 'ভায়েৰী' কবিতাৰে কাব্য জীৱনৰ পাতনি মেলা কবি বীৰেন বৰকটকীৰ কবিতাত 'বিষাক্ত বাষ্পেৰে ভৰা ধূলিৰ ধূসৰীত মন আৰু বাস্তৱৰ শৰাইঘাটৰ সম্ভেদ পোৱা যায় যদিও ব্যঞ্জনাধৰ্ম্মী বক্রোক্তি আৰু অনুভূতিৰ বৈচিত্ৰ্যৰ অভাৱত তেওঁৰ সার্থক কবিতাৰ লেখ তাকৰ।

কাব্য 'জিৰণিৰ মাজুলী' হ'লেও মহিম বৰাৰ যি দুই এটা কবিতা পোৱা যায় সি ৰসজ্ঞ পাঠকৰ মন চুই যায়। 'বছৰৰ কবিতা'ত (১৯৬৫) ওলোৱা 'মই বিচৰা চিঠিখন'ত বর্তমানৰ দৈন্যৰ মাজত লুপ্ত সৌন্দর্য্যৰ বাবে কবিৰ ব্যাকুলতা সুন্দৰ ভাবে অভিব্যক্ত হৈছে।

জয়ন্তী, পছোৱাৰ প্রস্তুতি পৰ্বতে কাব্য জীৱন আৰম্ভ কৰা নৱকান্ত বৰুৱাই 'ৰামধেনু' যুগৰ বিকাশ পৰ্বত অগ্রগণী কবি হিচাবে নিজকে প্রতিষ্ঠিত কৰিবলৈ সক্ষম হৈছিল। 'জয়ন্তী'ত প্রকাশিত 'আমাৰ পৃথিৱী' নামৰ ৰোমান্টিকতা-বিৰোধী কবিতাৰ প্ৰকাশ-ভঙ্গীতে তেওঁৰ পৰৱৰ্তী সৃজনী ক্ষমতাৰ বীজ নিহিত আছিল।

প্রথম পর্য্যায়ৰ কবিতাবোৰত নৱকান্তৰ নগৰ চেতনা উজ্জ্বল হৈ আছে। নগৰৰ জীৱন 'স্থিতি আৰু মৃত্যুৰ ডুৱেট'। ইয়াত প্রাণৰ স্পন্দন নাই। এই চেতনাই আধুনিক চেতনা। নৱকান্ত আত্ম-সচেতন কবি। তেওঁৰ চেতনাৰ সৈতে কবিৰ জীৱন যাত্রাৰ ওতঃপ্রোত সম্বন্ধ। পুঁজিবাদী সমাজৰ অৱক্ষয়ৰ মাজত প্রাণ-গঙ্গাৰ বন্দৰ নীৰৱ, বীভৎস। নগৰত আৰণ্যক ভীতি আছে, আকৌ জীয়াই থকাৰ আশ্বাসো আছে। জীৱিকাৰ গলিৰ সাঁথৰ ভাঙি মানুহ ইয়াত জীয়াই থাকিব। তেওঁৰ নৱবিধানত বস্তু আৰু অধ্যাত্মৰ সাৰ্থক সমন্বয়ৰ ব্যঞ্জনা আছে ঃ 'সৰ্বং প্ৰাণ এজতি'ৰ মূল সুৰ এয়ে। সমস্যাৰে ৰুদ্ধশ্বাস জীৱনৰ অশান্তি দূৰ কৰিবলৈ আধ্যাত্মিক প্ৰশান্তিৰ দৰ্কাৰ। তেওঁৰ আধ্যাত্মিকতাত ধৰ্ম আৰু ঈশ্বৰ নাই, ই ৰবীন্দ্ৰ নাথৰ সহজাত শুভবুদ্ধিৰ দৰে। 'পলায়ন' 'বোধিদ্ৰুমৰ খৰি' 'সৌৰ স্বপ্ন' আদি কবিতা এই শুভবুদ্ধিৰ প্ৰতিধ্বনি।

"সূৰ্য্য অন্ধ। তথাপি সত্য সূৰ্য্যমুখীৰ স্বীকৃতি"
(সৌৰস্বপ্ন)

পৰিৱেশ অন্ধকাৰ হলেও জীৱনৰ সূৰ্য্যমুখী ফুলিবই। জীৱনৰ বিকাশৰ বাবেই বস্তুবাদৰ সৈতে আধ্যাত্মিক কল্যাণবুদ্ধিৰ সন্মিলনৰ প্ৰয়োজন। বিষ্ণু দেৱ দৰে লোক সংস্কৃতিৰ সহায়ত আধুনিক জীৱনৰ ভাষ্য দিবলৈ চেষ্টা কৰিছে নৱকান্তই 'ক্ৰমশঃ' কবিতাত। সাধুকথাৰ ফ্ৰেমত সমাজ জীৱনৰ ক্ষয়িষ্ণু ছবি আৰু জীৱনৰ গতিধৰ্মৰ ইঙ্গিত এই কবিতাত বিধৃত হৈছে। ঐতিহ্য চেতনা অসিত, চাৰ্বাক আদি কবিতাতো আছে কিন্তু 'ক্ৰমশঃ' কবিতাটোৰ দৰে এইবোৰত আধুনিক জীৱনৰ সূক্ষ্ম ব্যঞ্জনা নাই।

প্ৰেমৰ উল্লেখ তেওঁৰ কবিতাত আছে যদিও ই ৰোমান্টিক উচ্ছ্বাস নহয়; চাইক'লজিৰ বিকাৰ নোহোৱা আদম নৰ-নাৰীৰ নগ্ন

নিৰাভৰণ মিলন ক্ষেত্ৰলৈ উভতি যোৱাৰ আকাংক্ষাহে তেওঁৰ কবিতাত ফুটি উঠিছে। প্ৰথমে 'লখিমী' আৰু 'মোক লৈ যোৱা' আদি কবিতাৰ বক্তব্য এয়ে। বৰ্তমানৰ প্ৰেমৰ ছলনা, কপটতা, শোষণ তাত নাই। নৱকান্তৰ প্ৰেমৰ উপলব্ধিত বৰ্তমানৰ প্ৰেমৰ বিৰুদ্ধে প্ৰতিবাদ আছে।

ৰামধেনু যুগৰ অন্যতম উল্লেখযোগ্য কবি মহেন্দ্ৰ বৰা। বৰাৰ 'কেৰেণী' 'শ্যেলীৰ চিঠি', 'কণৌ' আৰু 'শগুন' আদি পঢ়ি ধাৰণা হয়, তেওঁৰো আৰম্ভণি সমাজ চিন্তাৰে উদ্বুদ্ধ। কবিতা কেইটাই সমসাময়িকতাৰ দুৱাৰডলি পাৰ হৈ চিৰন্তনৰ কোঠাত প্ৰবেশ কৰিব পৰা নাই। তেওঁৰ পাচৰ কবিতাবোৰৰ ভিতৰত 'জাতিস্মৰ', 'প্ৰাৰ্থনা, ঃ দেহচ্যুত আত্মাৰ' আদি কবিতা আপাত দৃষ্টিত ৰমনীয় হলেও সূক্ষ্ম দৃষ্টিত তাৰ সৌন্দৰ্য্য লুপ্ত হৈ যায়। 'জাতিস্মৰ' কবিতাত জন্মে জন্মে অমৰ আত্মাৰ দেহ ধাৰণাৰ দৰ্শন, প্ৰাৰ্থনাঃ দেহচ্যুত আত্মা'ত অতনু আত্মাৰ পুনৰ দেহ সজ্জাৰ বাবে কৰা প্ৰাৰ্থনাৰ ব্যঞ্জনা দিয়াৰ প্ৰয়াস আছে যেন লাগে। এইদৰে আধুনিক অসমীয়া কবিতাই সময়ৰ অগ্ৰগতিত পূৰ্বৰ গতিধাৰা সলনি কৰি নতুন বিষয়বস্তু আৰু আঙ্গিকত বসতি লাভ কৰিছেহি।

সাহিত্যৰ অঙ্গ হিচাবে কবিতাই অতীজৰে পৰা বিষয় ৰূপে জীৱন, জগত আৰু প্ৰকৃতি এই তিনিওটা সামৰি ললেও আধুনিক কবিতাৰ প্ৰথম পৰিচয়ত প্ৰকৃতিৰ স্থান আছিল গৌণ। প্ৰকৃতি প্ৰেমী ৰমন্যাসিক কবিসকলৰ ভাৱৰ সুকোমল মাধ্যম আছিল সুন্দৰ সহজ চিত্ৰৰ সৰল বৰ্ণনা। তাৰ বিপৰীতে আধুনিক কবিসকলে জটিল চিত্ৰৰ ব্যঞ্জনা অনুভূত কৰাইছিল, সমসাময়িক জগত আৰু সমষ্টি-কেন্দ্ৰিক জীৱনৰ মাজত ব্যক্তিসত্তাক নিৰূপণ কৰাৰ বাবে। এনেকৈও কব পাৰি যে কবিতাৰ প্ৰসাৰিত বিষয়-বস্তু আধুনিক কবিয়ে একে লগে সামৰি লৈ সমস্যাজনিত পটভূমিত ব্যক্তি-সত্তা আৰু প্ৰকৃতিৰ এক সুস্থ ৰূপ প্ৰদান কৰিবলৈকে যত্ন কৰিছে। সেইবাবেই আধুনিক কবিতা ব্যক্তি সত্তাৰ মনঃস্তাত্বিক বিশ্লেষণেৰে পৰিপূৰ্ণ। জীৱনৰ অসাৰতা, অন্তঃসাৰশূণ্য মূল্যবোধ, সমস্যাৰ কাঠিন্য ইত্যাদি এশ এবুৰি যন্ত্ৰনাৰ কদৰ্য্য ছবিখন আধুনিক কবিতাত সৌন্দৰ্য্য ৰূপেও প্ৰকাশিত হৈছে। সেয়েহে আধুনিক কবিতাৰ বিষয়-বস্তুৰ লগত ভাব, প্ৰকাশ-ভঙ্গিমা সুমিল ৰূপত অৱস্থান কৰি নতুন বৈশিষ্টৰে প্ৰকাশিত হৈছে।

আধুনিক কবিতা ভাৱৰ লগে লগে যুক্তিপূৰ্ণ বিশ্লেষণৰ এক বিশিষ্ট মাধ্যম হোৱাৰ হেতুকেই কাব্যগ্ৰন্থীৰ সুৰীয়া ভাষাৰ পৰা ফালৰি কাটি আহি নতুন আঙ্গিকত প্ৰকাশিত হৈছে। এই আঙ্গিকৰ প্ৰথমটো বৈশিষ্ট্য হল ভাষা বা ছন্দ। ৰমন্যাসিক কবিতালৈকে পূৰ্ব্বৰ কবিতাসমূহ সচৰাচৰ মিত্ৰাক্ষৰ ছন্দতেই প্ৰকাশ কৰা হৈছিল। উনবিংশ শতাব্দীৰ শেষৰ সময়চোৱাত বঙ্গীয় কবি মাইকেল মধুসূদন দত্তৰ দ্বাৰা অমিত্ৰাক্ষৰ ছন্দৰ যি ব্যৱহাৰ হল তাকো কেইবা জনো অসমীয়া ৰমন্যাসিক কবিয়ে গ্ৰহণ কৰি কবিতা প্ৰকাশ কৰা দেখা গৈছে যদিও আধুনিক কবিয়ে গ্ৰহণ কৰা পৰম্পৰাৰ লগত ইয়াৰ কোনো মিল নাই

আধুনিক কবিতাৰ ক্ষেত্ৰত ভাষাৰ লগে লগে প্ৰতীক আৰু চিত্ৰকল্পই বিশিষ্ট স্থান অধিকাৰ কৰিছে।

আঙ্গিকৰ ক্ষেত্ৰত দেখা দিয়া নতুন পৰিৱৰ্তনৰ ভিতৰত প্ৰধানকৈ চিত্ৰকল্পবাদ আৰু প্ৰতীকবাদৰ কথা কব পৰা যায়। সাহিত্য প্ৰকাশৰ বিভিন্ন প্ৰয়োজনত প্ৰতীকৰ ব্যৱহাৰ অৱশ্যে নতুন কথা নহয়। কোনো এটা ভাব স্পষ্টকৈ প্ৰকাশ কৰাৰ ক্ষেত্ৰত প্ৰতীকৰ ব্যৱহাৰ আৰু ইয়াক বোধগম্য কৰাত, কবি-সাহিত্যিক আৰু পাঠক উভয়েই প্ৰতীকৰ প্ৰয়োজনীয়তাৰ কথা স্বীকাৰ কৰি লয়। কিন্তু প্ৰতীক আৰু প্ৰতীকবাদৰ মাজত ভাৱৰ সাদৃশ্য নহলেও বহুল পাৰ্থক্য বিৰাজমান।— অতীজত সাধাৰণতে প্ৰতীকক ব্যৱহাৰ কৰা হৈছিল সহজ শব্দৰ ৰূপত। উদাহৰণ স্বৰূপে—

"মৰুভূমি আহে লাহে লাহে
মাহে মাহে
বছৰে বছৰে।"

সহজ শব্দচয়নৰ ৰূপত উক্ত প্ৰতীকটো অৰ্থ দুৰ্বোধ্য হৈ পৰিছে। ইয়াৰ পৰাই লক্ষ্য কৰিব পাৰি যে আধুনিক কবিতাত প্ৰতীকৰ ব্যৱহাৰ সামগ্ৰীক শব্দচয়নৰ ৰূপত নহৈ ই অন্য এক ৰীতি গ্ৰহণ কৰিছে। এই নতুন ভাষা ব্যৱহাৰৰ বাবে বহুতো সমালোচকে আধুনিক কবিতাৰ ভাষাক এছপ্যাৰেণ্টো (Esperanto) ভাষা বুলি কঠোৰ সমালোচনা কৰে। এই কঠোৰ সমালোচনাৰ প্ৰত্যুত্তৰত এষাৰ কথা কব পাৰি যে প্ৰতীকবাদী ভাষাক আচলতে শব্দ-চয়নৰ মাজেৰে বিশ্লেষণ কৰা নাযায়। ভাৱৰ মাজেৰে ইয়াক বোধগম্য কৰা হয়। এই প্ৰতীকবাদৰ জন্মদাতাজন আছিল আধুনিক ফৰাচী কবি বদলেয়াৰ। বদলেয়াৰে আৰম্ভ কৰা প্ৰতীকবাদী আন্দোলনে চমকি মাৰি তুলিলে মালামো, এজ্ৰা পাউণ্ড, টি, এছ ইলিয়ট আদি চিৰস্মৰণীয় কবিসকলৰ কাব্য প্ৰতিভাৰে। ফৰাচী প্ৰতীকবাদৰ এটা বিশিষ্ট লক্ষণ আছিল যে প্ৰতীকবোৰ সাধাৰণতে পূৰ্বৰ পৰম্পৰাগত ভেটিৰ পৰাই তুলি অনা।

সমগ্ৰ পৃথিৱীতে ফৰাচী প্ৰতীকবাদৰ প্ৰভাৱ বিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধতে গ্ৰাহ্য হৈ উঠাৰ লগে লগে অসমীয়া কাব্য সাহিত্যতো ই পৰিস্ফুট হৈ উঠিল। এষাৰ কথা কোৱা হয় যে সাহিত্য প্ৰকাশৰ ভাষা সমগ্ৰ পৃথিৱীতেই একেটাই। অসমীয়া কাব্য সাহিত্যত প্ৰতীকবাদৰ প্ৰভাৱ পৰাৰ ক্ষেত্ৰত এইষাৰ কথা নিঃসন্দেহে প্ৰতিপন্ন কৰিব পাৰি যে পূৰ্বৰ অসমীয়া সাহিত্য লৌকিক ভেটিৰ পৰা আহৰণ কৰা প্ৰতীকৰ সুষম প্ৰচলন আছিল। তাকেই নতুন দৃষ্টিভঙ্গীৰে আধুনিক কবিয়ে আন্তৰাষ্ট্ৰীয় মাধ্যম হিচাবে গঢ় দি তুলিলে। আজি অসমীয়াত আধুনিক কবিতা অলেখ প্ৰতীকৰ সমাবেশেৰে পূৰ্ণ আৰু এই প্ৰতীকবোৰ গ্ৰহণ কৰি লোৱা হৈছে পৰম্পৰাগত অথবা আন্তৰাষ্ট্ৰীয় মাধ্যমৰ পৰা আৰু সাৰ্থক ৰূপত ই গ্ৰহণ কৰিছে। এইদৰে আধুনিক কবিতা প্ৰতীকবাদী আন্দোলনৰ সুস্পষ্ট প্ৰভাৱেৰে নতুন ৰূপত চিত্ৰায়িত কৰা হৈছে। সহজ জীৱন-বোধ, সৰল নৈতিক মূল্যবোধ আৰু সুদিব্য কল্পনাৰ প্ৰৱণতাৰ বিপৰীতে বৈষম্য ভৰা

জীৱনৰ জটিলতাবোধ, অৱসৰ প্ৰাপ্ত নৈতিক মূল্যবোধ, নৈৰাশ্য বোধ জীৱনবোধ আৰু অনিশ্চয়তা এই সকলোবোৰ পৰিদৃষ্ট কৰাবলৈ আধুনিক কবিয়ে প্ৰতীকৰ ব্যৱহাৰ সহজ ৰূপত গ্ৰহণ কৰি লৈছে।

প্ৰাচীন সাহিত্যত চিত্ৰকল্পৰ অনেখ উদাহৰণ পাবলৈ থাকিলেও চিত্ৰকল্পবাদ প্ৰকৃততে প্ৰতীকবাদৰ সমকালীন কোনো এক সাহিত্যৰ নব্য আন্দোলনহে। 'চিত্ৰকল্প'— এই শব্দটোৰ অভিধানিক অৰ্থৰূপত আমি বুজোঁ কোনো দুটা সৌন্দৰ্য্যৰ তুলনা। সৌন্দৰ্য্য শব্দটো আনন্দদায়ক চিত্ৰৰ ক্ষেত্ৰতহে ব্যৱহাৰ কৰা নাই। চিত্ৰকল্প আৰু প্ৰতীকৰ যেনেকৈ সুস্পষ্ট পাৰ্থক্য বিৰাজমান ঠিক তেনেকৈ উপমা আৰু চিত্ৰকল্পৰ পাৰ্থক্যও বিৰাজমান। প্ৰতীকে কেৱল ভাৱৰ অৰ্থ প্ৰকাশ কৰিব, উপমাই ভাষিক তুলনা কৰিব পাৰে কিন্তু চিত্ৰকল্পই কৰে সহজ আৰু অসহজ দুখন চিত্ৰৰ সমিল তুলনা। আধুনিক কবিতাৰ ভাৱৰ গুৰুত্ব বুজাবলৈ আৰু বক্তব্য সুস্পষ্ট ৰূপত উপস্থাপন কৰিবলৈ কিছুমান চিত্ৰ আঁকা হল। কিন্তু এই চিত্ৰবোৰ সাধাৰণ চিত্ৰতকৈ কিছু জটিল আৰু কবিৰ বাদে অন্যান্য সকলে এই জটিল চিত্ৰৰ সৌন্দৰ্য্য একাত্মক ভাৱে উপলব্ধি কৰিব নোৱাৰে। সেইবাবে সাধাৰণ মনেৰে সহজ-বোধ্য অন্য সদৃশ চিত্ৰৰ তুলনাৰে ইয়াক প্ৰকট কৰি তোলা হয়।

সমালোচনাৰ দৃষ্টি-ভঙ্গীৰে চালে এটা কথা স্পষ্ট হৈ পৰে যে দেৱকান্ত বৰুৱাই ৰোমান্টিক কাব্য-সাহিত্যৰ চাকিগছি শেষ বাৰৰ বাবে দীপ্ত কৰি তুলিলেও দেৱকান্তই আধুনিক কবিতাৰ জন্ম-লগ্নত বিশেষ ভাৱে সহায়তাহে কৰিলে। কবিৰ কবিতাত প্ৰকাশিত হোৱা প্ৰেমৰ অনুভূত ব্যঞ্জনা আৰু প্ৰকাশভঙ্গীৰ বাহুল্যই নতুন অসমীয়া কবিক কবিতাৰ ভাষা সুগঢ়ী কৰাত এক বিশিষ্ট অৱদান আগবঢ়ালে বুলি ভাবিলেও ভুল কোৱা নহয়। দেৱকান্তই মিত্ৰাক্ষৰ ছন্দত প্ৰয়োগ কৰা নাটকীয় একোক্তিৰ লক্ষণ পিছৰ যুগত আধুনিক কবিতাৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য ৰূপে থিয় দিয়েগৈ। সেয়েহে দেৱকান্তই যুগ সন্ধিক্ষণৰ কবি ৰূপে আধুনিক কবিতাৰ যি দুৱাৰ মুকলি কৰিলে সেই দুৱাৰেদি কবি আৰু পাঠক উভয়েই প্ৰবেশ কৰি আধুনিক কবিতাৰ মঞ্চ সুদৃঢ় কৰিলে। অমূল্য বৰুৱা আৰু তেওঁৰ সতীৰ্থ জয়ন্তীৰ কবিবৃন্দই পাঠকৰ অন্তৰত সোমোৱাৰ সোপান পোৱাৰ পাছতে এটা সময়ত নতুন কবিসকল টঙালি বান্ধি ওলাই আহিল ন-ন চিন্তা, ধ্যান-ধাৰণা আৰু যুক্তিবাদী মনক সাৰথি কৰি। এইসকলৰ ভিতৰত নৱকান্ত বৰুৱা, নিৰ্মল প্ৰভা বৰদলৈ নিঃসন্দেহে অন্যতম। নৱকান্ত বৰুৱা পোনে পোনে টি, এছ ইলিয়টৰ বৌদ্ধিক চেতনাৰ দ্বাৰা প্ৰভাৱান্বিত। তেওঁ জন্ম দিয়ে প্ৰাচীন ঐতিহ্য আৰু আধুনিক মূল্যবোধৰ এক উৎকৃষ্টতম সমন্বয়। বাকী আন সকলো কোনো গুণে পাছ পৰি নাথাকিল। কেশৱ মহন্ত, মহিম বৰা, সিদ্ধেশ্বৰ তামুলী ইত্যাদি কবিসকলৰ চেতনাই ঠাই পালে মেহনতী জনতাৰ বুকুৰ মাজত। হেম বৰুৱাই সৃষ্টি কৰিলে নিষ্পেষিত শোষিত জনৰ মাজত বিশ্ব ভ্ৰাতৃত্বৰ এক সংযোগ সূত্ৰ—

"ৰজাই ৰজাই ৰণ বিগ্ৰহ, তীখাৰ আস্ফালন
আমি খাণ্ডৱদাহ অগ্নিশিখাৰ পুৰি চাই হোৱা
বিৰিণাৰ ফুল.........."

সেয়ে হয়তু এদিন কবিতাই ঠাই পালে জনগণৰ মনৰ মাজত। ইয়াৰ পাছত আধুনিক কবিতাৰ মঞ্চত প্ৰবেশ কৰিলে নতুন যুগৰ মানসৰ প্ৰতিনিধি স্বৰূপ এচাম নতুন কবিৰ, যি কবিতাৰ মাজেৰে শোষিত নিষ্পেষিতজনৰ বিপ্লৱৰ জয়গান গোৱা নতুন কবিয়ে। তেওঁলোকৰ মাজত হয়তো কেতিয়াবা আছে ৰোমাণ্টিক ঐতিহ্যৰ কিছু ৰেঙণি, কেতিয়াবা আছে অতি বাস্তৱতাৰ নিৰ্মম কঠোৰতা। দুয়োটাৰে এক প্ৰশস্ত সমন্বয়ত আধুনিক কবিতাৰ মঞ্চত প্ৰবেশ কৰিলে হীৰেন ভট্টাচাৰ্য্য, হৰেকৃষ্ণ ডেকা, ইত্যাদি সকলে। সেই সময়তে আকৌ আধুনিক কবিতাৰ পৰিসৰ নতুন অৰ্থনীতি, ৰাজনীতি আৰু সমাজ নীতিৰে গঢ়া দূৰ বিদেশৰ চুকে কোণে বিস্তৃত কৰিবলৈ নতুন কবিয়ে কেতিয়াবা চীন দেশৰ কৃষকৰ অথবা বৰ্ণবাদী শাসনৰ গৰাহত পতিত নিগ্ৰো দাসৰ মনৰ বেদনা অকাতৰে গাই গ'ল কবিতাৰ মাজেৰে।

সেয়ে আজি কবিতাই হেনা গংগোপাধ্যায়ক অথবা বেঞ্জামিন মোলাইছক আকোৰালি লবলৈ কুণ্ঠিত হোৱা নাই। আজিৰ কবিয়ে জাপানী হাইকুত দেখিছে সঁচা জীৱনৰ নতুন ছবিখন অথবা হো-চি-মিৰ কবিতাৰ বিপ্লৱৰ নতুন স্বৰূপ। সেয়ে কব পাৰি আধুনিক কবিতা শোষিত নিষ্পেষিতজনৰ বিশ্ব ভ্ৰাতৃত্বৰ এক নতুন সোপান। ●



# অসমীয়া নাট্য সাহিত্যলৈ
# প্ৰবীন ফুকনৰ অৱদান

শ্ৰীকৃপাঞ্জলী দাস
স্নাতক ২য় বাৰ্ষিক

নাট্যকাৰ প্ৰবীন ফুকন অসমীয়া সাহিত্যত এগৰাকী কৃতী নাট্যকাৰ ৰূপে জনাজাত। বিংশ শতাব্দীৰ আৰম্ভণিতে ১৯১২ চনৰ ৬ অক্টোবৰৰ দিনা নাট্যকাৰ গৰাকীয়ে জননীৰ বুকুত ভৰি দিয়ে। প্ৰবীন ফুকন অকল নাট্যকাৰ হিচাবেই খ্যাত নহয়; তেওঁ এজন বিশিষ্ট সমাজসেৱী আৰু নাট্যসেৱী তথা অভিনয় শিল্পী।

নাট্যকাৰ ফুকনদেৱৰ নাট্যাৱলীৰ সাধাৰণ লক্ষণ কিছুমান আছে। সামাজিক নাটবোৰত তেওঁ সম্ভ্ৰান্ত পৰিয়ালৰ ব্যক্তিক কেন্দ্ৰ কৰি নাট্যবস্তু স্থাপন কৰে। তেওঁৰ প্ৰায়বোৰ সামাজিক নাটৰ কেন্দ্ৰীভূত সাৰমৰ্ম "ধনে বশ কৰে, প্ৰেমে অন্তৰ জয় কৰে।" ৰূপদক্ষ নাট্য-শিল্পী, কলা-সেৱী, সাহিত্য-সেৱীসকলৰ প্ৰতি নাট্যকাৰৰ মন সজাগ, অন্তৰ সহানুভূতিশীল। শিল্পী যুগলৰ প্ৰেম মধুৰ মিলন ৰহস্যৰ মাজেদি তেওঁ মিলনান্ত বা সুখান্ত নাট ৰচনা কৰে।

অতি আধুনিক আৰু অতি-বাস্তৱ জগত খনৰ সৈতে খোজত খোজ মিলাই পুৰণি ৰক্ষণশীল নীতিৰ বিৰুদ্ধে মতবাদ প্ৰচাৰ কৰি তেওঁ প্ৰায়বোৰ নাটতে এটা সংস্কাৰ কামী মনোভাব স্থাপন কৰিছে। তেওঁ কল্পিত নাৰী প্ৰেম প্ৰায়েই অথলে নাযায়। নাৰী স্বাধীনতাৰ তেওঁ সম্পূৰ্ণ সমৰ্থক আছিল।

ঐতিহাসিক নাটত তেওঁৰ বিষয়-বস্তু অতীত অসমৰ খ্যাত বিখ্যাত বীৰ-বীৰাঙ্গনা, যেনে লাচিত, মণিৰাম আদি। ইয়াত ছদ্মবেশী চৰিত্ৰৰ অৱতাৰণা তেওঁৰ অন্যতম নীতি। তেওঁৰ দুয়োখন নাটতেই ছদ্মবেশী চৰিত্ৰাৱলীয়েহে বেছি দৃষ্টি আকৰ্ষণ কৰে। ভাষাগত বৈচিত্ৰ তেওঁৰ নাট্যাৱলীৰ হাস্যৰস উদ্ৰেকৰ প্ৰধান অৱলম্বন; প্ৰতিখন নাটতে আছে হিন্দী, ইংৰাজী, বঙ্গালী বা অশুদ্ধ কথিত অসমীয়াৰ বহুৰূপী বহুৰঙী মিশ্ৰণ।

নাট্যকাৰ হিচাপে ফুকনদেৱ ১৯৩৭ চনত 'কাল পৰিণয়' নাটকৰ গৰ্ভত জন্ম হয়। 'কাল পৰিণয়' নাটক ৰচনা কৰি ফুকনদেৱে অসমীয়া নাট্য সাহিত্যলৈ অৱদান সুচনা কৰিছিল। এই নাটকখনৰ যোগেদি ২৫ বছৰীয়া নাট্যকাৰ ফুকনে ইংৰাজৰ শাসন কালত এচাম অসমীয়াই নিজৰ ভাৱধাৰা আৰু সাজপাৰ ভৰিৰে গচকি পশ্চিমীয়া ভাৱধাৰা আৰু সাজপাৰেৰে শোভিত নব্য ইংৰাজ হৈ কেনেদৰে নিজৰ অসমীয়া মানুহকে ঘৃণাৰ চকুৰে চাইছিল সেই বিষয়ে জনসাধাৰণৰ আগত আঙুলিয়াই দিছিল।

'কাল পৰিণয়'ৰ পাছতে ১৯৩৮ চনত

'আসাম হলিউদ' নাটকখন ৰচনা কৰিছিল। এই নাটৰ যোগেদি অসমৰ তথা ভাৰতৰ মঞ্চ জগত, চিত্ৰ জগত, আধুনিক জগতখনক দাঙি ধৰি কিছুমান দেশদ্ৰোহী, সমাজ দ্ৰোহীক গৰিহণা আৰু বিদ্ৰূপ কৰিছিল।

১৯৩৯ চনত 'বংশধ্বজ কীৰ্ত্তি কমাৰ্চিয়েল মেৰেজ' ৰচনা কৰিছিল। এই খনৰ যোগেদি সম্ভ্ৰান্ত লোকৰ সন্তানৰ মতি গতি অংকন কৰি নতুন পুৰুষসকললৈ ভাল সমাজ এখন গঢ়াৰ ইঙ্গিত দিছিল। ফুকনদেৱে সামাজিক নাট লিখা কিছু কালৰ বাবে স্থগিত ৰাখি বুৰঞ্জী অধ্যয়ন কৰে।

'মণিৰাম দেৱান' ফুকনদেৱৰ প্ৰথম বুৰঞ্জীমূলক নাট। এই নাটখন ১৯৪৬ চনত ৰচনা কৰিছিল। এই নাটখনৰ জৰিয়তে তেওঁ ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ সময়ত কেনে ধৰণৰ প্ৰতিক্ৰিয়া হৈছিল তাৰে চিত্ৰ অঙ্কণ কৰিছে। ঠিক সেইদৰে 'লাচিত বৰফুকন' নাটখন প্ৰবীন ফুকনৰ অম্লান অৱদান।

১৯৪৮ চনত ফুকনদেৱে 'পাৰঘাট' চিত্ৰ-নাট্য ৰচনা কৰে। এই চিত্ৰনাট্যখনৰ মাজেৰে শিক্ষাৰ প্ৰসাৰতা, সমাজ সংস্কাৰ স্বত্বেও কিছুমান কু-চৰিত্ৰৰ মানুহৰ বাবে এখন গাওঁ কেনেকৈ ধ্বংস হয় তাৰ সফল চিত্ৰ তেওঁ দাঙি ধৰিছে।

'পাৰঘাট' লিখা বছৰতে 'নিপীড়িতা' নাট ৰচনা কৰে। ফুকনদেৱৰ দৃষ্টি সকলৰ সবাৰে ওপৰত।

কেইবা বছৰৰ পিছত ১৯৫৪ চনত 'শতিকাৰ বান' ৰচনা কৰে। এই নাটকখনৰ যোগেদি ধনী শ্ৰেণীটোৱে কেনেকৈ মধ্যবিত্ত শ্ৰেণীটোক হাতত ৰাখিব বিচাৰে আৰু নিম্ন শ্ৰেণীটোক শোষণ কৰিব বিচাৰে তাৰেই চিত্ৰ দাঙি ধৰিছে।

ইয়াৰ উপৰিও ফুকনদেৱে ১৯৬১ চনত ফেৰিৱালা, চকৰি, তমসা ৰাতি নামৰ তিনিখন একাঙ্কিকা নাট ৰচনা কৰে।

'বিশ্বৰূপা' নাটকখনৰ মাজেৰে উচ্চ মধ্য-বিত্ত আৰু শিক্ষালয়বোৰৰ ভিতৰ চৰাৰ দুৰ্নীতি উদঙাই দিয়ে। এই নাটক ১৯৬৫ চনত ৰচনা কৰিছিল।

তেখেতৰ সংলাপ প্ৰধান নাট 'অভাৰ ব্ৰীজ'ৰ যোগেদি স্বামী-স্ত্ৰীৰ ভিতৰত উমি উমি জ্বলি থকা লাজৰ, বেদনাৰ, পৰিহাসৰ চিত্ৰ দাঙি ধৰে।

নীল মাধৱ, নপতাফুকন আৰু পঙ্গু বাবাও তেখেতৰ অন্যতম নাটক। 'পঙ্গুবাবা' ফুকন দেৱৰ শেষ ৰচনা। এই নাটক ১৯৮৩ চনত ৰচনা কৰে। এই নাটৰ যোগেদি অঙ্গহীন সন্তানৰ জন্মক্ষণত পিতৃ-মাতৃৰ মন কেনে হয় তাকে প্ৰকাশ কৰিছে। এই নাটকেই প্ৰবীন ফুকনৰ অসমীয়া নাট্য সাহিত্যলৈ শেষ অৱদান।

১৯৩৭ চনতে আৰম্ভ হোৱা তেখেতে নাট্যকাৰৰ জীৱনৰ ১৯৮৩ চনৰ পৰ্য্যন্ত বিস্তৃত। তেওঁ একেৰাহে ৪৬ বছৰ ধৰি নাটক ৰচনাতে ব্যস্ত আছিল। ১৯৮৫ চনৰ ১৪ এপ্ৰিলৰ দিনা এই বিশ্ব নাটঘৰ এৰি নাট্যকাৰ ফুকন দেৱ চিৰদিনৰ বাবে গুচি গ'ল। অসমীয়া নাট্য-সাহিত্যলৈ ফুকনদেৱৰ অৱদান স্মৰণীয়। ফুকনদেৱৰ নাট্য সাহিত্যলৈ অৱদানে অসমীয়া ভাষা আৰু সাহিত্যক চহকী কৰি থৈ যে গৈছে তাক স্বীকাৰ কৰিবই লাগিব। ●

"জাতীয় উৎসৱেই জাতীয়তাৰ প্ৰাণ, জাতীয়তা ৰক্ষাৰ হেতু" —তৰুণ ৰাম ফুকন

# শিক্ষা আৰু ভাৰতত স্ত্ৰী শিক্ষাৰ ক্ৰমবিকাশ

শ্ৰীচন্দ্ৰমা গগৈ
স্নাতক ২য় বাৰ্ষিক

মানুহ সমাজপ্ৰিয় জীৱশ্ৰেষ্ঠ প্ৰাণী। মানুহে আদিম অৱস্থাৰে পৰা সমাজ পাতি বাস কৰি আহিছে। সমাজৰ পৰা নিৰ্বাসিত হৈ নিসংগ ভাৱে বাস কৰিব লগীয়া হ'লে এজন মানুহে জীৱন-যাপনৰ প্ৰকৃত আনন্দৰ আৰু সুবিধাৰ পৰা বঞ্চিত হৈ কাল কটাব লগীয়া হয়। সেই বাবেই গ্ৰীক মনীষী এৰিষ্টটল'লে কৈছিল যে যি মানুহে সমাজত থাকিবলৈ ভাল নাপায়, হয় তেওঁ স্বয়ং ভগবান হ'ব লাগিব, নহয় তেওঁ ইতৰ জন্তু হ'ব লাগিব। (The man, who does not like to live in a society, must either be a beast or god.) সমাজত থাকি মানুহে কেনেকৈ জীৱন-ধাৰণৰ মানদণ্ড উন্নত কৰিব পাৰি এই বিষয়ে নানা চিন্তা-চৰ্চ্চা, পৰীক্ষা-নীৰিক্ষাৰে নানা উপায় উদ্ভাৱন কৰি পৃথিৱীৰ সকলো প্ৰাণীতকৈ উন্নত ভাৱত বাস কৰিব পাৰিছে। মানুহৰ এই চিন্তা শক্তিৰ বিকাশতেই জন্ম হৈছে শিক্ষাৰ।

শিক্ষাৰ আভিধানিক অৰ্থ হৈছে— "কোনো বিশেষ কাম বা বিষয়ত জ্ঞান, কৌশল আৰু দক্ষতা আৰ্জন কৰাটো"। আদিম মানৱে যেতিয়া পিতা-মাতা নাইবা সমাজৰ বয়স্ক সকলৰ পৰা চিকাৰ কৰিবলৈ, ঘৰ সাজিবলৈ, ৰন্ধা-বঢ়া কৰিবলৈ শিকিলে, তেতিয়াই বুজা গ'ল যে তেওঁলোকে জীৱন-ধাৰণৰ বাবে অত্যাৱশ্যকীয় কিছুমান কামত দক্ষতা বা নৈপুণ্য আয়ত্ব কৰিলে— এয়েই শিক্ষা।

শিক্ষা শব্দটি সঙ্কীৰ্ণ আৰু ব্যাপক এই দুয়োটা অৰ্থত ব্যৱহাৰ কৰিব পাৰি। সঙ্কীৰ্ণ ভাৱে শিক্ষা হ'ল শিক্ষানুষ্ঠানৰ পৰা নিৰ্দ্ধাৰিত পাঠ্যক্ৰম অনুসৰি আয়ত্ব কৰা নিৰ্দ্ধাৰিত বিদ্যা। ব্যাপক অৰ্থত শিক্ষা হ'ল নিজৰ অজ্ঞাতসাৰে জীৱনৰ বিভিন্ন সমস্যা, ঘটনা, বিভিন্ন ব্যক্তিৰ সংস্পৰ্শ, সুযোগ, সাফল্য, ব্যৰ্থতা ইত্যাদিৰ পৰা আহৰণ কৰা অৰ্থপূৰ্ণ অভিজ্ঞতা বা জ্ঞান।

শিক্ষাবিদ লজৰ (Lodge) মতে, "ব্যাপক অৰ্থত সকলো অভিজ্ঞতাই শিক্ষা।' তেখেতৰ মতে— "In wider sense, all experience is said to be educative. The bite of a mosquito. the taste of a water-melon, the experience of falling in love, of flying in an aeroplane, of being caught in a storm in a boat— all such experiences have a directly educative effect

on us." এই দৰে শিক্ষা হৈছে জন্মৰ পৰা মৃত্যুলৈকে চলা এক বিকাশমুখী প্ৰক্ৰিয়া। (It is a process of development from womb to tomb.)

প্ৰকৃতাৰ্থত এজন নিৰক্ষৰ লোকেও শিক্ষিত হ'ব পাৰে আনহাতে আনুষ্ঠানিক শিক্ষাত ডিগ্ৰীধাৰী এজন লোকও অশিক্ষিত হ'ব পাৰে।

গতিকে ব্যাপক অৰ্থত শিক্ষাক আমি এইদৰে ব্যাখ্যা কৰিব পাৰো, জীৱনৰ বাটত বিভিন্ন পৰিস্থিতিৰ সংস্পৰ্শত সংঘটিত হোৱা বাস্তৱ অভিজ্ঞতাৰ ফলত আচৰণৰ যি পৰিবৰ্তনে ব্যক্তিক নিজৰ আৰু সামাজিক আৱশ্যক অনুসৰি উন্নতিৰ পথত আগুৱাই লৈ সাৰ্থক আৰু সমৃদ্ধ জীৱন যাপন কৰিবলৈ সক্ষম কৰে সেয়ে শিক্ষা।

প্ৰাচীন ভাৰতৰ শিক্ষা জগতত মহিলাৰ স্থান অতি উন্নত আছিল। সেই সময়ত ভাৰতৰ শিক্ষা-পদ্ধতি, আজিৰ দৰে সুসংগঠিত নাছিল যদিও ভাৰতৰ শিক্ষা সংস্কৃতিয়ে দেশ-বিদেশৰ পণ্ডিতসকলৰ মন আকৰ্ষণ কৰিছিল। শিক্ষাৰ লগত ধৰ্ম জড়িত থকাৰ কাৰণে সকলোৱে শিক্ষাৰ প্ৰতি সন্মান দেখুৱাইছিল। শিক্ষিত লোকক ৰজা প্ৰজা সকলোৱে সন্মান কৰিছিল।

প্ৰাচীন ভাৰতৰ শিক্ষাৰ বিষয়ে আলোচনা কৰিবলৈ গলে হিন্দু শিক্ষা ব্যৱস্থা আৰু বৌদ্ধ শিক্ষা ব্যৱস্থা এই দুয়োটাৰ বিষয়ে আলোচনা কৰিব লাগিব। প্ৰাচীন ভাৰতৰ শিক্ষা বুলিলে উচ্চ শিক্ষাৰ কথাকে বুজায়। কাৰণ সেই সময়ত প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা নাছিল। ধৰ্মৰ লগত শিক্ষাৰ ব্যৱস্থা থকাৰ বাবে ধৰ্ম শাস্ত্ৰবিলাক অধ্যয়ন কৰাটোৱেই শিক্ষাৰ উদ্দেশ্য আছিল। ধৰ্ম আলোচনাৰ কাৰণে ব্ৰাহ্মণসকলে পৰিষদ গঠন কৰিছিল। এইবিলাক পাছলৈ শিক্ষানুষ্ঠান হৈছিল। পুৰুষ-মহিলা সকলোৱেই ধৰ্ম শিক্ষা চৰ্চা কৰিছিল।

বৈদিক যুগৰ আগৰ আৰু পাছৰ এই সময়ছোৱাত বহুতো মহিলাই পুৰুষসকলৰ লগত বৈদিক সাহিত্য অধ্যয়ন কৰিছিল। সেই সকলৰ ভিতৰত গাৰ্গী, মৈত্ৰী, লোপা, মুদ্ৰা আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। এই বিষয়ে এটা মুখৰোচক গল্প শুনা যায় যে এদিন যজ্ঞৱাক নামৰ পণ্ডিত এজনে বিদুষী মহিলা গাৰ্গীৰ চোকা প্ৰশ্নত ধাৰাশায়ী হৈ পুনৰ তেনে প্ৰশ্ন নুসুধিবলৈ অনুৰোধ কৰিছিল। আৰু এটা বুৰঞ্জীমূলক কাহিনী পোৱা যায় যে— মদন মিশ্ৰৰ আৰু শঙ্কৰাচাৰ্য্যৰ মাজৰ আলোচনা চক্ৰত মদন মিশ্ৰৰ ভাৰ্য্যাই সদায় মাধ্যমৰূপে অংশ গ্ৰহণ কৰিছিল।

প্ৰাচীন ভাৰতৰ উপনয়ন বা বিদ্যাৰম্ভ অনুষ্ঠান ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্যসকলৰ কাৰণে বাধ্যতামূলক আছিল। পাছলৈ তিৰোতা মানুহে বেদৰ দৰে পবিত্ৰ ধৰ্মপুথি অধ্যয়ন কৰা উচিত নহয় বুলি অন্ধ-বিশ্বাসৰ সৃষ্টি হয়। ক্ষত্ৰিয় আৰু বৈশ্যসকলেও বেদ অধ্যয়ন কৰিবলৈ এৰি দিলে। ফলস্বৰূপে দেশত শিক্ষিতৰ সংখ্যা কমি আহিল আৰু স্ত্ৰী শিক্ষাৰ অৱস্থা অতি শোচনীয় হৈ পৰিল।

আগৰ দিনত জাতি বিভেদ হৈছিল ব্যক্তিৰ শক্তি-সামৰ্থ্যৰ ওপৰত। পাছলৈ বংশানুক্ৰমে জাতিভেদ হ'ল। ব্ৰাহ্মণৰ ল'ৰা ব্ৰাহ্মণ

হ'ল, শূদ্ৰৰ ল'ৰা শূদ্ৰ হ'ল। গতিকে শিক্ষা কেৱল ব্ৰাহ্মণৰ মাজতে আবদ্ধ থাকিল। ফলত স্ত্ৰীশিক্ষাৰ প্ৰসাৰতা কমি আহিল।

বৈদিক যুগৰ শেষৰ ফালে হিন্দু ধৰ্মৰ প্ৰাধান্য কমি আহিল। বৌদ্ধ ধৰ্মৰ প্ৰচলন হয়। লগে লগে বৌদ্ধ ধৰ্মৰ লগত শিক্ষা ব্যৱস্থা জড়িত হৈ পৰিল। হিন্দু ধৰ্মৰ দৰে বৌদ্ধ ধৰ্মত জাতি বিচাৰ নাছিল। সকলো জাতি, বৰ্ণ নিৰ্বিশেষে বৌদ্ধ ধৰ্ম আলোচনা আৰু প্ৰচাৰ কৰিব পাৰিছিল। বৌদ্ধ ধৰ্মৰ বিশিষ্ট লক্ষণটো হৈছে ভিক্ষু-ভিক্ষুণীৰ সংঘ। অৰ্থাৎ পুৰুষৰ লগতেই মহিলাই ধৰ্মৰ লগত শিক্ষা গ্ৰহণ কৰিছিল। বৌদ্ধ সংঘবিলাকৰ উদ্যোগত লঙ্কা, শ্যাম, চীন, তিব্বত, বৰ্মা, জাপান, আৰু ভাৰতীয় দ্বীপপুঞ্জত বৌদ্ধ ধৰ্ম প্ৰচাৰ হৈছিল। হাজাৰ হাজাৰ পুৰুষ-মহিলাই অধ্যক্ষৰ অধীনত আশ্ৰম বা বিহাৰত থাকি শিক্ষা আহৰণ কৰিছিল। এই আশ্ৰমবিলাকেই পাছলৈ বিশ্ববিদ্যালয়লৈ পৰিবৰ্তিত হৈছিল। নালন্দা, বিক্ৰমশীলা আদি বিশ্ববিদ্যালয়ৰ জন্ম হয় এনেদৰেই। বৌদ্ধ শিক্ষানুষ্ঠানবিলাক হিন্দু শিক্ষানুষ্ঠানতকৈ বেছি সুসংগঠিত আছিল আৰু মহিলা শিক্ষাই এই সময়ত যথেষ্ট আগবাঢ়িছিল। সেই সময়ৰ ধৰ্ম প্ৰচাৰ কৰি ফুৰা ৰজা অশোকৰ জীয়েক সংঘমিত্ৰাৰ নাম উল্লেখযোগ্য। তেওঁ বৌদ্ধ ধৰ্মৰ যোগেদি শিক্ষা গ্ৰহণ কৰি গোটেই ভাৰততে ধৰ্ম প্ৰচাৰ কৰিবলৈ যোৱাৰ উপৰিও ভাৰতৰ বাহিৰলৈও গৈছিল।

অষ্টম শতাব্দীৰ লগে লগে ভাৰতলৈ মুছলমানসকল আহিবলৈ ধৰে। লাগে লাগে ভাৰতত মুছলমান ৰাজ্যৰ ভেটি স্থাপন হয়। তেওঁলোকৰ ৰাজত্ব কালত হিন্দু আৰু বৌদ্ধ সকলৰ দৰেই তেওঁলোকেও কোৰাণ ধৰ্ম পুথিৰ যোগেদি শিক্ষা প্ৰচাৰৰ চেষ্টা কৰে। অৱশ্যে কিছুমান হিন্দু অনুষ্ঠান মুছলমান শিক্ষাৰ মকতাব আৰু মাদ্ৰাছালৈ পৰিবৰ্তন কৰে। হিন্দু আৰু মুছলমান ভাষাৰ সংমিশ্ৰণত উৰ্দু নামৰ এটা ভাষাৰ সৃষ্টি হয়। তেওঁলোকে প্ৰতিটো মছজিদতে একোটা 'মকতাব' স্থাপন কৰি শিক্ষা চৰ্চা কৰে। গোলকুণ্ডা, বিজাপুৰ, মালৱা, খান্দেল, জৌনপুৰ, মুলতান, গুজৰাট আদি ঠাইবিলাক সেই সময়ত মুছলমান শিক্ষাৰ উচ্চ কেন্দ্ৰ হৈ পৰিছিল।

সাধাৰণ শিক্ষাৰ প্ৰচলন হলেও স্ত্ৰী-শিক্ষাত এই যুগত বাধা পৰিছিল। কাৰণ পৰ্দা প্ৰথা আৰু বাল্য বিবাহ সেই সময়ত বহুল ৰূপত প্ৰচলন হৈছিল। অৱশ্যে ৰজা ঘৰীয়া পৰিয়াল আৰু অন্যান্য উন্নত পৰিয়াল বিলাকৰ মাজত মহিলা শিক্ষাৰ প্ৰচলন আছিল। সেই সময়ৰ সম্ৰাট বাবৰৰ জীয়েক গুলবদন বেগমে "হুমায়ুননামা" আৰু ঔৰংজেবৰ জীয়েক জেবুননিচাই কবিতা ৰচনা কৰাৰ কথা বুৰঞ্জীত পোৱা যায়।

ভাৰতত বেহা-বেপাৰৰ কাৰণে ইউৰোপৰ বহু ঠাইৰ পৰা বেপাৰীবিলাক আহিছিল। ১৬০০ চনত ইংলণ্ডৰ ৰাণী এলিজাবেথৰ দিনত কিছুমান ইংৰাজ বেপাৰী 'ইষ্ট ইণ্ডিয়া কোম্পানী' নামেৰে ভাৰতলৈ আহে। লাহে লাহে ইংৰাজ সকলে গোটেই ভাৰততে খোপনি পুতি লৈ

নিজৰ তললৈ আনে। ১৯২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পাছত অসম সহ গোটেই ভাৰত ইংৰাজৰ অধীনলৈ যায়। ইংৰাজসকলে তেতিয়া—ভাৰতৰ শিক্ষা-ব্যৱস্থাৰ ওপৰত হাত দিয়ে। কিন্তু স্ত্রীশিক্ষাৰ প্রতি তেওঁলোকে বিশেষ মনোযোগ নিদিলে। কিন্তু তেওঁলোকৰ লগতে অহা খ্রীষ্টিয়ান মিছনেৰীসকলে মানুহৰ মাজত খৃষ্ট ধৰ্ম প্রচাৰৰ লগে লগে শিক্ষা-প্রচাৰৰো চেষ্টা কৰে। ফলত পুৰুষৰ লগে লগে মহিলা শিক্ষাৰ প্রতিও চেষ্টা চলায়। তেওঁলোকে প্ৰথমতে চিনচোৰিত ১৮১৮ চনত এখন মহিলা অনুষ্ঠান খোলে। কিন্তু কেইবছৰমানৰ পাছতে এই অনুষ্ঠান বন্ধ হয়। ইয়াৰ পাছত তেওঁলোকে গোটেই ভাৰতত ৩৭১ খন ছোৱালী শিক্ষানুষ্ঠান খোলে আৰু এইবিলাকত ১১,২৯৩ গৰাকী মহিলাই শিক্ষা লয়। এইবিলাকৰ ভিতৰত ৮৬ খনত ছোৱালী থাকিবৰ বাবে হোষ্টেলৰ ব্যৱস্থা কৰা হয় আৰু তাত মুঠ ২,২৭৪ গৰাকী ছোৱালী থাকি শিক্ষা লয়। ৰোমান কেথলিক সকলেও কিছুমান মহিলা শিক্ষানুষ্ঠান মুকলি কৰে।

বৃটিছ চৰকাৰে ১৮৫৪ চনৰ উদ ডেছ-পাছৰ শিক্ষানীতি মতে ভাৰতৰ স্ত্রীশিক্ষাৰ দায়িত্ব লয়। লগে লগে ভাৰতৰ বহু ঠাইত মহিলা শিক্ষানুষ্ঠান স্থাপন কৰে। কিন্তু দুৰ্ভাগ্যক্ৰমে তেতিয়াও স্ত্রীশিক্ষাই বিশেষ উন্নতি কৰা নাছিল। ১৮৮২ চনত হাণ্টাৰ কমিছনে ভাৰতত স্ত্রী শিক্ষাৰ দুখ লগা অৱস্থাৰ বিষয়ে বৃটিছ চৰকাৰক অৱগত কৰায়। কিন্তু ১৮৮২ চনৰ পৰা ১৯০২ চনলৈকে ভাৰতত মহিলা শিক্ষাৰ কোনো উন্নতি নহল।

স্ত্রীশিক্ষাৰ পয়ালগা অৱস্থাৰ প্রতি লক্ষ্য ৰাখি বহুতো উদীয়মান ভাৰতীয় ইয়াৰ প্ৰসাৰতাৰ বাবে চেষ্টা কৰে। ১৮৮৩ চনত মহাৰাষ্ট্ৰত 'মহিলা শিক্ষা সমিতি' নামৰ এখন সমিতি গঠন হয়। এই সমিতিৰ যত্নতে উত্তৰ পশ্চিম ভাৰতত বহুতো শিক্ষানুষ্ঠান স্থাপন হয়। বোম্বে ৰাজ্যত গঠিত 'ব্ৰহ্ম সমাজ' নামৰ সংগঠনে সেই ৰাজ্যত স্ত্রীশিক্ষাৰ প্রতি বিশেষ কাম কৰে। প্ৰফেচৰ কাৰ্ভে আৰু মদন মোহন মালব্যই এই ক্ষেত্রত অসাধাৰণ কাম কৰে।

১৮৯৯ চনত ভাৰতৰ গভৰ্ণৰ জেনেৰেলৰ ভাৰ লোৱা লৰ্ড কাৰ্জনে স্ত্রীশিক্ষাৰ প্রতি জোৰ দিয়া নাছিল। তেওঁ মাত্র কেইখনমান আদৰ্শনীয় শিক্ষানুষ্ঠান গঠনতহে জোৰ দিছিল। কিন্তু ১৯৩৯ চনৰ শিক্ষা বিষয়ক চৰকাৰী প্ৰস্তাৱ মতে শিক্ষা বিভাগৰ সকলো স্তৰতে অৰ্থাৎ প্রাথমিক পৰ্য্যায়ৰ পৰা বিশ্ববিদ্যালয়-লৈকে স্ত্রীশিক্ষাৰ প্রতি বিশেষ মনোযোগ দিবলৈ ঠিক কৰা হ'ল। সেই সময়তে ভাৰতত বিশেষ কিছুমান শিক্ষানুষ্ঠান স্থাপন হয়। ১৯০৪ চনত লেডী এনী বেচান্টে বাৰানসীত 'Central Hindu Girls School' স্থাপন কৰে। ১৯১৬ চনত প্ৰফেচৰ কাৰ্ভে S.N.D.T. Indian Women Union পুনাত স্থাপন কৰে। ১৯২৬ চনত ভাৰতত All India Council for Women নামৰ সংগঠন গঠিত হয়। ১৯২৭ চনত এই সংগঠনৰ সভা হয় আৰু তাত স্ত্রীশিক্ষাৰ উন্নতিৰ কাৰণে সহ-

শিক্ষাৰ (co-education) কাৰণে মহিলা-সকলক উৎসাহিত কৰিবলৈ দাবী জনায়। তথাপি স্ত্ৰীশিক্ষাই সেই সময়ত বিশেষ উন্নতি লাভ কৰা নাছিল। ১৯৩৭ চনত ভাৰতত শিক্ষিতা মহিলাৰ হাৰ শতকৰা ৩ হে আছিল।

১৯৪৭—চনত ভাৰত স্বাধীন হোৱাৰ লগে লগে ভাৰত চৰকাৰে শিক্ষাৰ দায়িত্ব লয়। জনসাধাৰণেও এই ক্ষেত্ৰত বিশেষ আগ্ৰহ দেখুৱায়। পুৰুষৰ লগে লগে মহিলাইও যাতে শিক্ষা লাভ কৰিব পাৰে তাৰ চেষ্টা কৰে। ১৯৪৭ চনত ভাৰতত মহিলাৰ শিক্ষানুষ্ঠান হয় ১৬,৯৫১ খন আৰু সেইবিলাকত ৩৫, ৫৫, ৫০৩ গৰাকী ছাত্ৰীয়ে শিক্ষা লয়। ১৯৫৫-৫৬ চনত মহিলা শিক্ষানুষ্ঠানৰ সংখ্যা হয় ২৪,৮৭৬ খন আৰু শিক্ষা লয় ৯১, ৮৮ ৭০৭ গৰাকী মহিলাই। এইদৰে প্ৰাথমিক, মাধ্যমিক, উচ্চমাধ্যমিক স্কুল আৰু কলেজ আদি শিক্ষানুষ্ঠান আৰু এই বিলাকত শিক্ষা লোৱা মহিলাৰ সংখ্যা স্বাধীন ভাৰতত বৃদ্ধি হয়। স্ত্ৰী শিক্ষাই বৰ্ত্তমান দ্ৰুতগতিৰে আগ বাঢ়িছে যদিও পুৰুষ আৰু স্ত্ৰীৰ শিক্ষাৰ মাজত থকা বৈষম্য এতিয়াও দূৰ হোৱা নাই। পিয়লৰ তথ্য মতে মহিলাৰ সংখ্যা পুৰুষতকৈ অলপহে কম। কিন্তু শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত দেখা যায় মহিলাৰ শিক্ষানুষ্ঠান পুৰুষতকৈ বহুত কম। বহুতো কলেজত সহ-শিক্ষাৰ প্ৰচলন আছে যদিও পুৰুষৰ তুলনাত উচ্চশিক্ষা পোৱা মহিলাৰ এই বৈষম্য দূৰ কৰিবলৈ চৰকাৰৰ লগে লগে আমাৰ সচেতন জনসাধাৰণেও চেষ্টা কৰিব লগে। সাধাৰণতে নগৰ অঞ্চলতকৈ গাওঁ অঞ্চলত এই ক্ষেত্ৰত বেছি পিছ পৰা দেখা যায়। গাওঁ অঞ্চল আৰু অনুন্নত সম্প্ৰদায়ৰ মাজত শিক্ষা বিস্তাৰৰ কাৰণে দ্ৰুত ব্যৱস্থা ল'ব লাগে। সভা, সমিতি, ৰেডিঅ', বাতৰি কাকত, টেলিভিচন আদিৰ যোগেদি স্ত্ৰী শিক্ষাৰ গুৰুত্বৰ বিষয়ে প্ৰকাশ কৰিব লাগে। সমাজৰ কু-সংস্কাৰ, অন্ধবিশ্বাস, দুৰ্নীতি আদি দূৰ কৰিবলৈ চেষ্টা কৰিব লাগে। প্ৰাথমিক পৰ্য্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্যন্ত বিনামূলীয়া শিক্ষাদানৰ ব্যৱস্থা কৰিব লাগে। অৰ্থনৈতিক ভাবে পিছ পৰা লোকক বেছিকৈ বৃত্তি আদি দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ বাবে আগন্তীয়াকৈ বাজেটত টকা সৰহকৈ ধৰিব লাগে। অনা-আনুষ্ঠানিক অনুষ্ঠান বিলাকত মহিলাক বেছি গুৰুত্ব দিব লাগে। প্ৰাপ্ত-বয়স্ক মহিলাৰ বাবে নিয়োগৰ ব্যৱস্থা কৰিব লাগে। বিধবা, আশ্ৰয়হীনা আদি তিৰোতাসকলক শিক্ষা দি চাকৰিৰ ব্যৱস্থা কৰিব লাগে। শিক্ষানুষ্ঠানবিলাকত মহিলাৰ উপযুক্ত বিষয় দি প্ৰতি গৰাকী ছাত্ৰীক সাংসাৰিক জীৱনত আৰু গণতান্ত্ৰিক দিশত উপযুক্ত কৰি তুলিব লাগে।

এইদৰে চৰকাৰ আৰু জনসাধাৰণৰ চেষ্টাত স্ত্ৰীশিক্ষাৰ প্ৰসাৰতা পুৰুষৰ সমানে আগবঢ়াই নিব পাৰিলে সমাজৰ অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু দুৰ্নীতিবিলাক অচিৰেই নিৰাময় হ'ব আৰু লগে লগে নৈতিক, অৰ্থনৈতিক, সামাজিক আদি সকলো দিশতে ভাৰতে উন্নত দেশবিলাকৰ লগত খোজ মিলাই যাব পাৰিব। ● ●

# ঐতিহ্যমণ্ডিত শিৱসাগৰৰ সাম্প্ৰতিক দুৰৱস্থা আৰু উত্তৰণৰ পথ

শ্ৰীআয়েচা বেগম
স্নাতক ২য় বাৰ্ষিক

বুৰঞ্জী প্ৰসিদ্ধ শিৱসাগৰ অসমীয়াৰ গৌৰৱৰ কাৰণ হ'লেও সম্প্ৰতি দেখা দিয়া ঐতিহাসিক সম্পদ, বিশেষকৈ দ'ল-দেৱালয়, পুখুৰী ইত্যাদি কীৰ্তিচিহ্নসমূহৰ সংৰক্ষণ তথা ৰক্ষণাবেক্ষণ আৰু চিৰযুগমীয়া কৰি ৰাখিবৰ বাবে বাস্তৱ কাৰ্যসূচী লোৱাৰ ক্ষেত্ৰত যি অন্তৰায় সৃষ্টি হৈছে সেইয়া অসমীয়াৰ বাবে এক ভয়ানক বিপদ।

ছশ বছৰীয়া আহোম ৰাজত্বৰ যি ইতিহাস, নাৰীৰ প্ৰতি সন্মান জনাই সেই সময়ত স্বৰ্গদেউসকলে বহু সৰু বৰ পুখুৰীৰ লগত অসমীয়া তিৰোতাৰ নাম জড়িত কৰি যি সন্মান যাচিছিল তাৰ সাক্ষী হিচাবে এই পুখুৰী, কীৰ্তিচিহ্নসমূহৰ মাজত পোৱা যায়— শিৱসাগৰ, জয়সাগৰ, গৌৰীসাগৰ, মিগিৰী পুখুৰী, খেমদৈ পুখুৰী, ৰহদৈ পুখুৰী, সোণদৈ পুখুৰী, বগী ৰাজমাও পুখুৰী, কেৰি ৰাজমাও পুখুৰী, মাজৌ জীয়েকৰ পুখুৰী, ধাই পুখুৰী, লক্ষ্মী সাগৰ ইত্যাদি। এই কীৰ্তিচিহ্নসমূহ পৰিকল্পিত ভাৱে আহোম ৰাজত্বৰ কালত গঢ় দিদিলেও সেই সময়তে এটা জাতিক যুগমীয়া কৰাৰ যি পৰিকল্পনা কৰিছিল সি চিৰস্মৰণীয়। বৰ্ত্তমান এই সম্পদ সমূহৰ সংৰক্ষণৰ দায়িত্বত থকা চৰকাৰ, বিভাগীয় মুৰব্বীসকল, পুৰাতত্ত্ববিদ, বুৰঞ্জীবিদ, তথা ৰাইজৰ বহু দিশত সবল কাৰ্যসূচী অভাৱৰ বাবেই আজি নিঃচিহ্ন হোৱাৰ পথত। ন-পুখুৰী, পুৰণি পুখুৰীৰ পাৰকেইটা তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ 'চট্টৰ' হিচাপে ব্যৱহাৰ কৰি ইয়াৰ সৌন্দৰ্য্য আৰু পৰিবেশ নষ্ট কৰিছে। ইয়াৰোপৰি ওপৰত উল্লেখিত কেইবাটাও পুখুৰীৰ অৱস্থা আজি জৰাজীৰ্ণ। ৰজাদিনীয়া বহু আলি, বাট পথ, কালৰ বুকুত হেৰাই গৈ নতুন নামেৰে নামাকৰণ হ'ল। উদাহৰণ স্বৰূপে নগৰৰ মাজেদি যোৱা 'ট্ৰাঙ্ক ৰোড' টো হৈছে বৰ্ত্তা ৰৰবৰুৱাৰ আলি, শিৱসাগৰ পুখুৰীৰ পূব পাৰৰ পৰা এটা আলি গড়গাওঁলৈকে আৰু পশ্চিম ফালে দিচাংমুখলৈকে যোৱা আলিটো স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনতে ডেকা বৰুৱাই বন্ধোৱা বাবে 'ডেকা বৰবৰুৱাৰ আলি।' ৰংপুৰ নগৰৰ পৰা দিহিঙলৈকে যোৱা আটাইতকৈ ওখ আলিটো শিৱ সিংহই তেওঁৰ ধাই মাকৰ নামত বন্ধোৱা "ধাইআলি"। কেন্দুগুৰিৰ পৰা ৰংপুৰলৈ এতিয়া শিৱসাগৰ নগৰৰ পূব সীমাৰ আলিটো "বৰপাত্ৰ গোঁহাই আলি" ইত্যাদি।

এই সম্পদসমূহৰ সংৰক্ষণ তথা ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত কেইবাটাও সংগঠনে তথা

সচেতন ব্যক্তিয়ে বিভাগীয় কৰ্তৃপক্ষক দাবী জনোৱাটো ইয়াৰে এক বাস্তৱ কাৰ্যসূচী নোলোৱাত সেই সংগঠন সমূহ তথা সচেতন ৰাইজ উদ্বিগ্ন হৈ পৰিছে। নগৰ পৰিকল্পনাৰ দায়িত্বত থকা পৌৰসভায়ে সাধাৰণ ভাবে নগৰৰ অন্তৰ্ভুক্ত ভগ্নপ্ৰায় ৰাস্তাসমূহৰ উন্নয়নত পৰিকল্পিত কাৰ্যসূচী লব পৰা নাই। সঁচাকৈ নগৰখন পৰিকল্পিত ভাবে গঢ় দিব নোৱাৰাৰ বাবে সচেতন মহলৰ মাজত আলোচনা হোৱা দেখা গৈছে। বিশেষকৈ এজাক ডবা পিটা বৰষুণ হলেই নগৰৰ বহু ঠাইত পানীৰে উপচি পৰি মানুহৰ যাতায়ত ব্যাঘাত জন্মে। নগৰৰ মাজেদি গতি কৰা দিখৌ নৈৰ মঠাউৰিৰ অৱস্থা শোচনীয়। নলাসমূহ দ'কৈ আৰু সময় মতে পৰিস্কাৰ নকৰাত পৰিবেশ দূষিত কৰাৰ লগতে বাৰিষা নগৰৰ অৱস্থা জৰাজীৰ্ণ হৈ পৰে। শিৱসাগৰীয়া ৰাইজে বহুদিনীয়া অভাৱত ভোগা এটি বাছ আস্থান আজিলৈকে হৈ নুঠাত যাত্ৰী সকলৰ যি দুৰ্গতিৰ সৃষ্টি হয় তাক ভুক্ত ভোগীয়েহে অনুভৱ কৰিব পাৰিছে। এনে ক্ষেত্ৰত চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক বিভিন্ন মহলে দৃষ্টি আকৰ্ষণ কৰোৱাত ইয়াৰ উন্নতিৰ পথ স্তিমিত হোৱাহে পৰিলক্ষিত হ'ল। বৰ্ত্তমান যি ঠাইত পৰিবহন বাছ ৰখা মেলাৰ ব্যৱস্থা আছে সেই ঠাইত উচ্ছৃংখল পৰিবেশ সৃষ্টি হৈছে আৰু বহু সময়ত দুৰ্ঘটনাত পতিত হোৱা পৰিলক্ষিত হৈছে।

ভাৰতৰ অৰ্থনীতিত এক বিশেষ গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে তৈল উদ্যোগে। অসমৰ খাৰুৱা তেলেই এই উদ্যোগৰ ভেটি। কিন্তু অসমৰ বুকুত থকা তেল উদ্ঘাটন কৰা দুটা বৃহৎ প্ৰতিষ্ঠানৰ ভিতৰত ৰাজহুৱা খণ্ডৰেই তেল আৰু প্ৰাকৃতিক গেচ আয়োগৰ পৰা বাৰু অসম তথা এই উদ্যোগত নিয়োজিত হাজাৰ হাজাৰ শ্ৰমিক প্ৰকৃতাৰ্থত উপকৃত হৈছেনে? অসমত উৎপাদিত খাৰুৱা তেলৰ পৰা অসমতকৈ বেছি টকা পায় পশ্চিমবঙ্গ আদি ৰাজ্যই। কেন্দ্ৰীয় চৰকাৰৰ পুঁজিত জমা হয় বছৰি শ শ কোটি টকা। তাৰোপৰি অসমে হেৰুৱাব লগা হৈছে সীমাহীন ক্ষতিকৰ মাটি, শস্য, ফলমূল, গছ-গছনি আৰু সন্মুখীন হ'ব লগা হৈছে ভয়াবহ প্ৰদূষণ সমস্যাৰ। তৃতীয় চতুৰ্থ শ্ৰেণীৰ চাকৰিয়ালৰ বাহিৰে আয়োগৰ বিষয়া সকলৰ গৰিষ্ঠ সংখ্যকেই অনা অসমীয়া হোৱাৰ হেতুকে শ্ৰমিক সকল বহু সুবিধাৰ পৰা বঞ্চিত হোৱাৰ উপৰিও স্থানীয় নিবনুৱাক আয়োগত সংস্থাপনৰ ক্ষেত্ৰত যি নেতিবাচক ভূমিকা লোৱা দেখা গৈছে তেই অসমীয়াৰ বাবে কম অপমানৰ বিষয় নহয়। শেহতীয়াকৈ এই ৰাজহুৱা প্ৰতিষ্ঠানটোৰ এটা অংশ ভাৰতৰ পুঁজিপতি গোষ্ঠীক বিক্ৰি কৰাৰ যি চক্ৰান্ত কৰিছিল সেই ক্ষেত্ৰত শিৱসাগৰ জিলা ছাত্ৰ সন্থাই আন্দোলনৰ কাৰ্য্যসূচীৰ দ্বাৰা প্ৰতিবাদৰ হাত প্ৰসাৰিত কৰাত যি সবল ভূমিকা ললে সেই ক্ষেত্ৰত ছাত্ৰ সন্থা প্ৰসংশাৰ পাত্ৰ। কিন্তু ছাত্ৰ সন্থাৰ ভালেকেইটি দাবী ভিত্তিক যি দীৰ্ঘসীয়া আন্দোলনৰ কাৰ্য্যসূচী অব্যাহত আছে। আয়োগে ইয়াক প্ৰতাৰণা ও প্ৰৱঞ্চনা কৰি সমাধান নকৰাটো কম দুভাগ্যৰ কথা নহয়।

আয়োগৰ ভাণ্ডাৰ, ভাণ্ডাৰ গাড়ীসমূহ

আহ-প্ৰাহত বাণ্টা সমূহৰ দুৰ্গতিৰ সীমা চেৰাই গৈছে; লগতে শব্দ প্ৰদূষণৰ প্ৰভাৱত বাইজে দুৰ্যোগ ভুগিব লগা হৈছে। ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নশীল পৰিবেশ নষ্ট কৰিছে এই শব্দ প্ৰদূষণে দুই এটা বাণ্টা আয়োগে মেৰামতি কৰা আৰু কেইখনমান বিদ্যালয়ৰ গৃহ নিৰ্মাণৰ বাবে সাহায্য দিয়াটোৱেই যথেষ্ট নহয়। আমোলা তান্ত্ৰিক শাসন ব্যৱস্থাত অসম তথা শিৱসাগৰীয়া চৰকাৰী বৰমুৰীয়া মন্ত্ৰী-ডাঙৰীয়া সকলে এই প্ৰতিষ্ঠানৰ পৰা বহু পাইছো বুলি গপতে গপ্পাটোপ হোৱা নাইনে?

সম্প্ৰতি উশৃংখল যুৱমানসিকতাই উৎকট ৰূপ ধাৰণ কৰিছে। আটাইতকৈ মূল্যবান আৰু সম্ভাৱনাময় এই যুৱাৱস্থা আজি কালৰ কুটিল গহ্বৰত। সৃষ্টিশীল কামত এই সময় ছোৱাতে যুৱসমাজ মনোনিবেশ কৰাৰ পৰিবৰ্তে অসামাজিক তথা দুষ্কৃতিত লিপ্ত হোৱা দেখা গৈছে। গৰিষ্ঠ সংখ্যক শোষিত নিষ্পেষিত লোকৰ সংগ্ৰামক ঐক্যবদ্ধ প্ৰচেষ্টাৰে থৈ যোৱাৰ পৰিবৰ্তে শোষণ ভিত্তিক সমাজ ব্যৱস্থাৰ ৰক্ষক পুঁজিপতি জমিদাৰ শ্ৰেণীৰ স্বাৰ্থত আত্ম-নিয়োগ হোৱা পৰিলক্ষিত হৈছে। অৰ্থাৎ পুঁজিপতি শ্ৰেণীয়ে তেওঁলোকৰ শোষণ ব্যৱস্থা অব্যাহত ৰাখিবৰ বাবে যুৱ ছাত্ৰ, শিক্ষক আৰু বৃত্তিজীৱি মানুহৰ ঐক্যবদ্ধ প্ৰচেষ্টাক টুকুৰা টুকুৰাকৈ ভাঙি দিবৰ বাবে ধৰ্ম, সম্প্ৰদায় নিৰ্বিশেষে ভাতৃ ঘাতী সংঘৰ্ষত লিপ্ত কৰোৱাইছে। অন্যহাতে সস্তীয়া চিনেমা, অসৎ যৌন সম্পৰ্কীয় কিতাপ আলোচনী, অলৌকিক বিষয়ৰ কিতাপ পত্ৰ, দূৰদৰ্শনৰ দ্বাৰা প্ৰচাৰিত বিভিন্ন কাৰ্য্যসূচী, আদি অপসংস্কৃতিৰ দ্বাৰা যুৱ-ছাত্ৰ সমাজক পঙ্গু কৰি পেলাইছে। ইয়াৰ বাবে আজি সমাজ ব্যৱস্থাই ঘাইকৈ জগৰীয়া।

শিৱসাগৰত ইয়াৰ প্ৰভাৱ বাৰুকৈ পৰিলক্ষিত হৈছে। ক্ৰমবৰ্দ্ধমান উশৃংখল যুৱমানসিকতাৰ দ্বাৰা প্ৰভাৱান্বিত হৈ বিদ্যালয় মহাবিদ্যালয়ত চৰকাৰী কাৰ্য্যালয় তথা প্ৰতিষ্ঠানত ৰাস্তাই ঘাটে, দোকানে বজাৰে, চিনেমা হ'লত, তিনি-আলি, চাৰি-আলিৰ চুকত উশৃংখল পৰিবেশৰ সৃষ্টি হৈছে। অৱশ্যে এই কথা নকলে ভুল হ'ব যে কিছু সচেতন লোকে, গণতান্ত্ৰিক সংগঠনে কাকতে পত্ৰে প্ৰতিবাদ কৰিলেও সংখ্যাত তেনেই নগণ্য হোৱা হেতুকে সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্তনৰ পথ সুদূৰপৰাহত। শিৱসাগৰৰ মাজে মজিয়াতে ঘটা বহু অসামাজিক ঘটনা তথাকথিত কেইটামান গণতান্ত্ৰিক সংগঠন ও মহিলা সংগঠনে প্ৰতিবাদ নকৰাও এক উল্লেখযোগ্য ঘটনা।

বৰ্ত্তমান যুৱচামৰ প্ৰতিনিধিত্বৰে গঠিত চৰকাৰে সোণৰ অসম গঢ়াৰ যি প্ৰতিশ্ৰুতি দিছিল সেয়া ফুটুকাৰ ফেন হৈ গ'ল। ছবছৰীয়া আন্দোলনৰ কেইবাজনো শ্বহীদ এই শিৱসাগৰৰে। অকল ছবছৰীয়া আন্দোলনতে ক্ষান্ত থকা নাছিল; শিৱসাগৰৰ ৰাইজে আগৰ ভাষা আন্দোলন, শোধনাগাৰ আন্দোলন আদিত কম ত্যাগ কৰা নাছিল। কিন্তু এই জৰাজীৰ্ণ ৰাইজে আগৰ বানপানীৰ গ্ৰাসৰ পৰা মুক্তি বিচাৰি ভিক্ষাৰ জোলোঙা লৈ মন্ত্ৰীৰ ওচৰলৈ, চৰকাৰী বিষয়াৰ কাৰ্য্যালয়লৈ তাঁত বাতি কৰিও কিমান সুফল পালে? অৱশ্যে কিছুমান

হৈছে ; কিন্তু প্ৰতিশ্ৰুতি মতে নহয় । ইতিহাস সম্বলিত এই শিৱসাগৰৰ উন্নতিৰ তথা আৰ্থ-সামাজিক (ৰাজনৈতিক) সাংস্কৃতিক দিশত যথেষ্ট আশা কৰিও শেষত ৰাইজে নিৰাশা আৰু হতাশাত ভুগিছে । ৰাইজৰ আদালতত আজি সেই ৰাজনৈতিক চক্ৰান্তকাৰী-সকল বিচাৰাধীন ।

এটা গভীৰ সংকটৰ মুহূৰ্তত আজি অসমীয়া জাতি ঠিয় দিছেহি । গোষ্ঠীগত-আন্দোলনৰ গৰাহত চিঙি ঠান-বান হ'ব ধৰিছে সমন্বয়ৰ শিকলি । এই ক্ষেত্ৰত মহামিলনৰ সেতু বন্ধাৰ বাবে ছাত্ৰ যুৱক, শ্ৰমিক, কৃষক, ঐক্য-বদ্ধ হ'ব লাগিব । বুৰঞ্জী প্ৰসিদ্ধ এই অঞ্চলৰ উন্নতিৰ লগতে ঐতিহাসিক ভাৱে গঠিত অসমীয়া জাতিৰ জাতীয়-সত্বাক জীয়াই ৰাখিবলৈ শত্ৰু কোন মিত্ৰ কোন বাচিব লাগিব আমি অসমীয়াই । দুষ্কৃতিৰ বিনাশ কৰি সংস্কৃতিক জীয়াই ৰাখিব লাগিব ; নিষ্পেষিত, নিপীড়িত অসমীয়াই বৈপ্লৱিক প্ৰচেষ্টাৰে আত্ম-নিয়ন্ত্ৰণ তথা আত্ম-নিয়োগ কৰিব লাগিব । শোষিত নিষ্পেষিত লোকৰ দুখ-দৈন্যক সংগ্ৰামলৈ উত্তৰণ ঘটাবলৈ এক সাংস্কৃতিক আন্দোলনৰ প্ৰয়োজন অৱশ্যম্ভাৱী । ●

"আমি বান্ধিব লাগিব মুকুতিৰ দেউল আৰু সেই মুকুতি দেউলৰ বৰ চোতালত বংঘৰ কাৰেংঘৰ সাজিব নিপীড়িত জনতাই, অৰ্দ্ধাহাৰী, অনাহাৰী, পিষ্ট ক্লিষ্ট ৰাইজে ।"

—৺বিষ্ণু প্ৰসাদ ৰাভা

# ইংৰাজ কবি উইলিয়ম ৱৰ্ডছৱৰ্থ

এম শ্বামচুন নাহাৰ
স্নাতক ২য় বাৰ্ষিক

"Nature never did betary
The heart that loved her,' 'tis her privilege
Through all heart of his life, to lead
from joy to joy. — W. W.

কবি উইলিয়াম ৱৰ্ডছৱৰ্থে ভাৰতবেণ্ট নদীৰ পাৰত জন্মলাভ কৰিছিল। তেওঁ সংসাৰৰ জটিল পৰিস্থিতিৰ মাজত সোমাব খোজা নাছিল। প্ৰকৃতিৰ পৰিবেশ আৰু হোজা গাঁৱলীয়া জীৱনে তেওঁক বাৰুকৈয়ে আকৰ্ষিত কৰিছিল। এই আকৰ্ষণ তেওঁৰ আৰু বাঢ়িছিল যেতিয়া ৱৰ্ডছৱৰ্থে তেওঁৰ ভনীয়েকৰ সৈতে 'ৱাইদান' হ্ৰদৰ পাৰত প্ৰকৃতিৰ নীৰৱতাৰ মাজত প্ৰবেশ কৰি প্ৰকৃতিৰ সত্তা উপলব্ধিৰ মাজেদি প্ৰকৃতিৰ অৱস্থিতিৰ এক নতুন ৰহস্য উদঘাটন কৰি কবিতাত প্ৰকাশ কৰিছিল। প্ৰকৃতিৰ সৈতে নিবিড় আত্মীয়তা স্থাপন তেওঁৰ কাব্য আৰু জীৱনৰ এটি মূলমন্ত্ৰ।

ৱৰ্ডছৱৰ্থৰ জীৱনৰ প্ৰথম সোতৰটা বছৰ পৰ্ব্বত-পাহাৰ, নদীৰ সংস্পৰ্শত অতিবাহিত হৈছিল। প্ৰকৃতিৰ লগত সংস্পৰ্শত অহা বাল্য জীৱনৰ বহু স্মৃতি তেওঁ তেওঁৰ কবিতাত লিপিবদ্ধ কৰিছে।

ফৰাচী বিপ্লৱ আৰম্ভ হোৱাৰ পিছৰ বছৰতেই ৱৰ্ডছৱৰ্থ ফ্ৰান্সলৈ গৈছিল। তেওঁ ফৰাচী বিপ্লৱক অভিনন্দন জনাইছিল। মানুহৰ মাজত বিপ্লৱে সৃষ্টি কৰা অনুপ্ৰেৰণা তেওঁ দেখিবলৈ পালে। ১৭৯১ চনত দ্বিতীয়বাৰ ফ্ৰান্সলৈ যাওঁতে তেওঁ মানুহৰ প্ৰকৃত নিৰ্য্যাতন দেখিবলৈ পালে। এই নিৰ্য্যাতনে তেওঁৰ মনলৈ আনিছিল নিৰ্য্যাতিত মানৱৰ প্ৰতি সহানুভূতি। ফৰাচী বিপ্লৱৰ প্ৰতি তেওঁ যেনেকৈ মনৰ আকৰ্ষণ আছিল, এদিন তেনেকৈ তাৰ প্ৰতি বিৰাগো আহিছিল। ফ্ৰান্সত নিৰপৰাধী মানুহৰ ওপৰত যেতিয়া হত্যাকাণ্ড চলিল তেতিয়া কবি প্ৰাণে কান্দি উঠিছিল। ৱৰ্ডছৱৰ্থৰ মানুহৰ প্ৰতি, গণতান্ত্ৰিক চিন্তাবোধৰ প্ৰতি থকা সহানুভূতিৰ ইন্ধন যোগাইছিল তেওঁৰ শৈশৱ কালৰ পৰিবেশে। শৈশৱ কালৰ পৰিবেশ আছিল গণতান্ত্ৰিক সমাজৰ পৰিবেশ। এনে সমাজত ডাঙৰ দীঘল হোৱা তেওঁৰ মনে বিপ্লৱৰ চিন্তাধাৰা সহজে গ্ৰহণ কৰিছিল আৰু তাৰ কৃতকাৰ্য্যতা আশা কৰিছিল।

মেথিও আৰ্ণল্ডে ৱৰ্ডছৱৰ্থৰ প্ৰতিভা সম্পৰ্কে লিখিছে "মই দৃঢ় ভাৱে বিশ্বাস কৰো যে কবিতা ক্ষেত্ৰত ৱৰ্ডছৱৰ্থ শ্বেক্সপীয়েৰ আৰু মিল্টনৰ পিছতে, যাৰ বাবে বিশ্বই আজি তেওঁক স্বীকৃতি দিছে।"

১৭৯৮ চনত ৱৰ্ডছৱৰ্থ আৰু ক'লৰিজু দুয়ো মিলি 'লিৰিকেল বেলেডছ' নামে এখন কবিতাৰ পুথি উলিয়ায়। ৱৰ্ডছৱৰ্থৰ কবিতাত প্ৰকাশ পাইছিল নিতৌ পৰিচিত বস্তু বিলাকক নতুন পোহৰেৰে উদ্ভাসিত কৰা। এই কবিতা সংকলনে, বিশেষকৈ ইয়াৰ পাতনিয়ে ৰমন্যাসিক যুগৰ নতুন বতৰা ইংৰাজী সাহিত্যলৈ আনিলে। ইংৰাজী সাহিত্যত এই ৰমন্যাসিক-যুগৰ অৱস্থিতিৰ কাল হ'ল ১৭৯৮ চনৰ পৰা ১৮৩২ চনলৈ। ৱৰ্ডছৱৰ্থে ১৭৯৬ ৰ পৰা ১৮০৮ চনলৈ যিখিনি কবিতা লিখিছিল সেই কবিতাখিনিয়েই তেওঁৰ কবি প্ৰতিভা দেশ বিদেশত বিয়পাই দিলে। ৰীড্‌ৰ মতে ৱৰ্ডছৱৰ্থৰ কবি জীৱনৰ দ্বিতীয় ভাগ হ'ল ১৭৯২ চনৰ পৰা ১৭৯৭ চনলৈ। এই সময় ছোৱাৰ ভিতৰত গড্‌উইনৰ নৈৰাশ্যবাদৰ প্ৰভাৱ ভনীয়েক দৰথী আৰু ক'লৰিজৰ সান্নিধ্যই মনৰ পৰা অৱসাদ দূৰ কৰে। এফ ডবলিও বেটছন আৰু হাৰ্পৰেও ৱৰ্ডছৱৰ্থৰ কবিতাৰ বিভিন্ন দিশ ভাগ কৰিছে। বেটছনৰ—মতে, ৱৰ্ডছৱৰ্থৰ কবিতাৰ ভাগ হ'ল পাঁচোটা। প্ৰথম ভাগ ১৭৮৫ৰ পৰা ১৭৮৯ লৈ, নাম দিছে— মৈৰী কবিতা। মৈৰীয়ে এই কবিতা সৃষ্টিৰ অনুপ্ৰেৰণা যোগাইছিল। ২য় ভাগ হ'ল ১৭৯১ ৰ পৰা ১৭৯৩ চনলৈ। এই ভাগৰ নাম দিছে 'আনেট স্তৰ'। এই সময়তে তেওঁ ফৰাচী গাভৰু আনেটক লগ পায় আৰু বিবাহ সূত্ৰত আবদ্ধ হয়। তৃতীয় ভাগ ১৭৯৩ ৰ পৰা ১৭৯৬ লৈকে। এই ভাগৰ নাম গড্‌উইন কবিতা। গড্‌উইনৰ 'পলিটিকেল জাষ্টিচ্‌'ৰ প্ৰভাৱ তেওঁৰ মনৰ ওপৰত পৰিছিল। চতুৰ্থ ভাগ— ১৭৯৬ ৰ পৰা ১৭৯৮ লৈকে। এই ভাগৰ নাম দিছে দৰথী কবিতা। এই সময়-চোৱাত ভনীয়েক দৰথী আৰু ক'লৰিজৰ সান্নিধ্যত থাকি তেওঁ বহুখিনি উল্লেখযোগ্য কবিতা লেখে আৰু ১৭৯৮ চনত ক'লৰিজৰ সৈতে 'লিৰিকেল বেলেডছ' লিখি উলিয়ায়। পঞ্চম ভাগ ১৭৯৮ ৰ পৰা ১৮০২ লৈকে। এই কবিতাবোৰ আছিল আত্মকেন্দ্ৰিক ভাৱৰ কবিতা। তেওঁ এই সময়চোৱাত অতীতৰ মধুৰ স্মৃতি ৰোমন্থন কৰিছিল।

ৱৰ্ডছৱৰ্থ প্ৰকৃতি কবি বুলিহে খ্যাত। তেওঁক প্ৰকৃতিৰ 'দূত' বুলি কোৱা হৈছিল। সেয়েহে ৰুছোৱে ভাবিছিল প্ৰকৃতিৰ লগত যাৰ নিবিড় সমন্ধ আছে তাৰ জীৱন সুখময় আৰু শান্তিময়, আৰু প্ৰকৃতিৰ পৰা যি আঁতৰি আহিছে তাৰ জীৱন অশান্তিৰে ভৰপুৰ। সেই কাৰণেই ৰুছোৱে মানুহক প্ৰকৃতিৰ বুকুলৈ উভতি যাবলৈ কৈছে। ৰুছোৰ এই ভাৱধাৰাই ৱৰ্ডছৱৰ্থক অনুপ্ৰেৰণা যোগাইছিল।

প্ৰকৃতিৰ পৰিবেশতে গাৱলীয়া জীৱনৰ সোণালী দিনবিলাক অতিবাহিত কৰাৰ বাবে তেওঁৰ মনতো প্ৰকৃতিৰ প্ৰভাৱ বেছিকৈ পৰিছিল। সৰুৰে পৰাই পাহাৰ-পৰ্ব্বত, নদী-সৰোবৰ, বগাই ফুৰ'ত সেইবিলাকৰ সৌন্দৰ্য্যই তেওঁৰ মন আকৰ্ষিত কৰাৰ লগতে তেওঁৰ প্ৰাণৰ আত্মীয়তা স্থাপন কৰিছিল। বাহ্যিক সৌন্দৰ্য্যই আভ্যন্তৰীণ সৌন্দৰ্য্যৰ অন্বেষণত মনক ব্যাকুল কৰি তোলে। পাঁচ বছৰৰ পিছত

ৱাই নদীৰ পাৰত বৈ তেওঁ পুনৰ ৱাই নদীৰ কুলু-কুলু ধ্বনি শুনা পালে, তেওঁৰ মানস পটত পুনৰ জিলিকি উঠিল জুপুৰিবিলাক, খেতিয়কৰ খেতিৰ পাম, ওখ বিৰিখৰ মাজেদি কুণ্ডলী পকাই উৰি অহা ধোঁৱাবোৰ, গুহাৰ জুইকুৰাৰ কাষত অকলশৰীয়াকৈ বহি থকা সন্ন্যাসীৰ চিত্ৰ। সময়ৰ ক্ষুণ্ণ কুমলীয়া ব্যৱধানে তেওঁৰ প্ৰশান্ত মনৰ পৰা পুৰণি স্মৃতি মচি নিব নোৱাৰাৰ মূল কাৰণ হ'ল,— তেওঁ ইতিমধ্যে প্ৰকৃতিৰ সৈতে গভীৰ আত্মীয়তা স্থাপন কৰিব পাৰিছিল। লণ্ডন চহৰৰ হুলস্থুলীয়া পৰিবেশে তেওঁৰ মনৰ পৰা ৱাই নদীৰ পাৰৰ স্মৃতি কাহানিও মচি নিব নোৱাৰিলে—

But oft in lonely rooms, and'
'mid the din of towns and cities.
I have owed to them,

—Tintern Abbey.

ৱৰ্ডছৱৰ্থে প্ৰকৃতিৰ শান্তিদায়িনী শক্তিৰ ওপৰত ইমান বিশ্বাস কৰিছিল যে তেওঁৰ ভনীয়েক দৰথীক কৈছিল,— "তোমাৰ কাৰণে সংসাৰত যেতিয়া বেয়া দিন আহিব তেতিয়া প্ৰকৃতিৰ প্ৰতি থকা ভাল পোৱাই তোমাক সকলোবোৰ দিন অতিক্ৰম কৰিবলৈ সান্ত্বনা আৰু শক্তি দিব। যি প্ৰকৃতিক মনে প্ৰাণে ভাল পায় প্ৰকৃতিয়ে তেওঁক কেতিয়াও বিশ্বাস-ঘাটকতা নকৰে—

Nature never did betray
The heart that loves her.

তেওঁ মানুহৰ ওপৰত লেখা কবিতা-বিলাক উচ্চ আদৰ্শৰ আৰু অদমণীয় আশা-বাদৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁ বিশ্বাস কৰিছিল যে মানুহ আটাইতকৈ ভাল হয় তেতিয়া, যেতিয়া মানুহে প্ৰকৃতিৰ সৈতে আত্মীয়তা স্থাপন কৰে। প্ৰকৃতিয়েই হ'ল আটাইতকৈ ভাল শিক্ষয়িত্ৰী। তেওঁ ডেফ'ডিল ফুলৰ সৌন্দৰ্য্য দেখি মোহিত হৈছিল আৰু সেই সৌন্দৰ্য্যই তেওঁ পটীত পৰি থাকোতে মধুৰ স্মৃতিৰ ৰূপে আহি মানস পটত ধৰা দিছিলহি—

For oft when on my couch I lie
In vacant or in pensive mood
They flash upon that inward eye
Which is the bliss of solitude.

মানুহৰ মাজত থকা নৈতিকতা, প্ৰেম, দয়া, কৰ্ত্তব্যবোধ, ত্যাগ এই সকলোবোৰ গুণ প্ৰকৃতিৰ মাজতেই বিৰাজমান। সেয়েহে মানুহ আৰু প্ৰকৃতি অভিন্ন। ৱৰ্ডছৱৰ্থ মানুহৰ কবি। কিন্তু জন সমাগমৰ মাজৰ মানুহৰ কবি তেওঁ নহয়, তেওঁ প্ৰকৃতিৰ সৈতে মনে প্ৰাণে জড়িত থকা নীৰৱ মানুহৰ কবি। সহজ, সৰল প্ৰকৃতিৰ লগত জড়িত মানুহৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা অতুলনীয়। তেওঁ প্ৰকৃতিৰ সামান্য বস্তুকো অসাধাৰণ দৃষ্টিৰে চাই তাৰ মাজত থকা সৰলতা, উদাৰতা আদিৰ গভীৰ প্ৰসংশা কৰিছে।

ফৰাচী বিপ্লৱে যেতিয়া মুক্তি, সমতা ভ্ৰাতৃত্বৰ বাণী শুনালে তেতিয়া ৱৰ্ডছৱৰ্থে সীমা-হীন অনুপ্ৰেৰণাৰে এই বাণীক আদৰণি জনা-ইছিল। ফৰাচী বিপ্লৱ গৈ বিভীষিকাৰ ৰাজত্বলৈ ৰূপান্তৰিত হোৱাতো তেওঁ এই

বিশ্বাস মনৰ পৰা আঁতৰাই পেলোৱা নাছিল।

মানৱ জগতৰ পৰা মনৰ সহানুভূতি কৰিয়ে প্ৰাণী জগতলৈ বিয়পাই দিছে। প্ৰকৃতিৰ মাজত ডাঙৰ দীঘল হোৱা কোনো প্ৰাণীয়েই আনন্দৰ পৰা বঞ্চিত হোৱা নাই। যদি কেতিয়াবা কোনোবা নিষ্ঠুৰতাৰ কবলগ্ৰাসত পৰিছে তাৰ বাবে প্ৰকৃতিয়ে সমবেদনা জন্মাইছে।

এলটনৰ ভাষাত কবলৈ গলে ৱৰ্ডছৱৰ্থে ইংৰাজী ভাষাত চুটি মালিতা আৱিষ্কাৰ কৰিলে। অন্যহাতেদি প্ৰশস্তিমূলক কবিতা আৰু চনেটক তেওঁ নতুন জীৱন দিলে। তেওঁ মিল্টনক অনুসৰণ কৰি চনেট লিখিছিল। ৱৰ্ডছৱৰ্থৰ চনেটবিলাক সম্পূৰ্ণ ধাপে ইটালীয়ান চনেটৰ আহিত লেখা। ৱৰ্ডছৱৰ্থে বিভিন্ন বিষয়ৰ ওপৰত বহুতো চনেট লিখিছিল। ইয়াৰ বিষয়-বস্তু বিলাকে প্ৰাকৃতিক সৌন্দৰ্য্যৰ পৰা আৰম্ভ কৰি দেশৰ ৰাজনৈতিক, সামাজিক, নৈতিক দিশলৈকে সামৰিছিল। তেওঁ প্ৰায় তিনিশমান চনেট লিখিছিল।

ৱৰ্ডছৱৰ্থে লিৰিকেল বেলেড্ছৰ পাতনিত কবিতাৰ সংজ্ঞা দাঙি ধৰিছে। তেওঁৰ মতে, কবিতা— "স্বতঃস্ফূৰ্ত ভাবে প্ৰকাশ পোৱা আবেগৰ চল।" ইয়াৰ উৎপত্তিৰ স্থল হ'ল— শান্ত অৱস্থাত সোঁৱৰা হিয়াৰ আবেগ। তেওঁৰ সংজ্ঞাৰ পৰা এই সিদ্ধান্ত গ্ৰহণ কৰিব পাৰি যে কবিতা স্বাভাৱিকতে আবেগেৰে উপচি পৰা অন্তঃকৰণত উৎপত্তি হয়। ইয়াক জোৰকৈ লিখিব নোৱাৰি। কবিতা সৃষ্টিৰ ক্ষেত্ৰত ৱৰ্ডছৱৰ্থে তেওঁৰ পদ্ধতি সম্পৰ্কে এইদৰে কৈছে— "প্ৰথমতে কিবা এটা বস্তু দেখি বা কিবা এটা অভিজ্ঞতা লাভ কৰাৰ পাছতে হৃদয়ত আবেগ অনুভূতিৰ সৃষ্টি হয়। তাৰ পাছত সময়ৰ ব্যৱধানত অভিজ্ঞতাৰ লগত লাগি অহা কাব্য সৃষ্টিৰ ক্ষেত্ৰত অনাৱশ্যকীয় উপাদানবিলাক হৃদয়ৰ পৰা অজ্ঞাত ভাৱে আঁতৰি পৰে, তাৰ পিছত স্মৃতিয়ে বিশেষ কাম কৰে আৰু অভিজ্ঞতাবোৰ স্মৃতিয়ে সঞ্চিত কৰিবলৈ ধৰে। এই স্মৃতিয়ে আকৌ অনাৱশ্যকীয় ভাৱ বাদ দি যিখিনি আবেগ অনুভূতি থাকে সেই খিনিকে সুন্দৰকৈ সজাই পৰাই তুলি এটা নতুন ধাৰণাৰ সৃষ্টি কৰে।"

তেওঁ যিদৰে কবিতাৰ সংজ্ঞা দিছে সেই দৰে ভাষা সম্পৰ্কেও মতামত দিছে। তেওঁৰ মতে, সাধাৰণ মানুহৰ মুখৰ ভাষাই কবিতাৰ ভাষা হোৱা উচিত। সৰু সৰু বস্তুও তেওঁৰ কাব্য ক্ষুলনিত বিকশিত হৈ উঠিছে। তেওঁ বিশ্বাস কৰিছিল যে, সাধাৰণ গাঁৱলীয়া মানুহ সহজ সৰল আৰু সৎ। গতিকে তেওঁলোকৰ ভাষাও সহজ সৰল। তেওঁ কৈছিল যে, গদ্যৰ ভাষাৰ লগত কবিতাৰ ভাষাৰ পাৰ্থক্য নাই। তেওঁৰ এই বাক্য ধ্ৰুপদী সাহিত্যৰ ভাষাৰ বিপৰীতে এক বলিষ্ঠ বাক্য— কিয়নো ধ্ৰুপদী যুগৰ কবিতাৰ ভাষা আছিল অলংকাৰপূৰ্ণ আৰু কঠিন। তাত সাধাৰণ মানুহৰ মুখৰ ভাষাৰ স্থান নাই। ৱৰ্ডছৱৰ্থে কবিতাত যি ভাষা ব্যৱহাৰ কৰিছিল তাৰ পৰা কৃত্ৰিমতা বাদ দিয়া হৈছিল। তেওঁৰ ভাষা আছিল স্বাভাৱিক আৰু সৰল।

ৱৰ্ডছৱৰ্থে কবিতাৰ ভাষা পৱিত্ৰ কৰণত গুৰুত্ব দিছিল। তেওঁৰ মতে ভাষাৰ ভেটি

হ'ল সমাজ। গতিকে তেওঁ আটাইতকৈ পবিত্ৰ সমাজৰ কাষ চাপিছিল। এই সমাজখন হ'ল সাধাৰণ মানুহৰ। তেওঁ সম্ভৱ ভাষা বুলি কওঁতে শব্দ সম্ভাৰৰ কথাহে কৈছিল। সাধাৰণ মানুহে কোৱা ভাষাটোক হয়তো তেওঁ স্থান দিব খোজা নাছিল। সাধাৰণ মানুহে কোৱা ভাষাৰ মাজত মানুহৰ অন্তৰ স্পৰ্শ কৰি যাব পৰাকৈ বহুতো শব্দ আছে আৰু সেই শব্দ সম্ভাৰকে কাব্যিক ৰূপেৰে সজাই পৰাই তেওঁ কবিতাত স্থান দিছিল।

ইংৰাজী ৰমন্যাসিক যুগৰ প্ৰসিদ্ধ কবি হিচাপে অকল ইংৰাজী সাহিত্যতেই নহয়, বিশ্বৰ সাহিত্যত ৱৰ্ডছৱৰ্থৰ এখন বিশেষ আসন আছে। ৱৰ্ডছৱৰ্থৰ যেনেকৈ প্ৰশংসা আছে তেনেকৈ কটু সমালোচনাও আছে। প্ৰশংসাৰ ক্ষেত্ৰত কোনো কোনোৱে কব খোজে যে ৱৰ্ডছৱৰ্থৰ প্ৰভিভাই উনৈশ শতিকাৰেই নহয়, কুৰি শতিকাৰ কবি সকলকো প্ৰভাৱান্বিত কৰিছিল। ইংৰাজী কবিতাত তেওঁৰ অৱদান দুভাগত ভগাব পাৰি। প্ৰথমতে হ'ল— কবিতাৰ বিষয়-বস্তু আৰু ৰচনাশৈলীক কৃত্ৰিমতাৰ পৰা তেওঁ মুক্ত কৰিছিল। দ্বিতীয় ভাগত— ডা-ডাঙৰীয়াৰ বৈঠক খানাৰ পৰা তেওঁ কবিতাক প্ৰকৃতিৰ মাজলৈ লৈ আহিছিল। সেয়েহে তেওঁক অনুসৰণ কৰি উনৈশ আৰু কুৰি শতিকাৰ বহুতো কবিয়ে প্ৰকৃতিৰ বুকুলৈ উভতি চাইছিল। ৱৰ্ডছৱৰ্থৰ প্ৰকৃতিবাদে টেনিচন আৰু আৰ্নল্ডৰ মন আকৰ্ষণ কৰিছিল, অৱশ্যে আৰ্নল্ডে তেওঁৰ কাব্যক ত্ৰুটিও নেদেখুৱাকৈ থকা নাই।

উনৈশ শতিকাৰ কবিতাত গণতান্ত্ৰিক ভাৱধাৰাৰ প্ৰতি যি দৃষ্টি দিয়া হৈছিল সেই দৃষ্টি প্ৰথমে দিছিল ৱৰ্ডছৱৰ্থে। তেওঁ সাধাৰণ খেতিয়ক, ভেৰাৰখীয়া, দাউনী আদিক কবিতাত আদৰি ললে কিন্তু ৰজা ডা-ডাঙৰীয়াৰ কবিতাক ৰাজ কাৰেঙৰ পৰা নমাই এচুকে আঁতৰাই থৈছিল। তেওঁ সেই সাধাৰণ মানুহবোৰৰ মুখৰ ভাষাৰে কবিতা সঞ্জীৱিত কৰিছিল।

ৱৰ্ডছৱৰ্থে সৰু ডাঙৰ বহুতো কবিতা লিখিছিল। তেওঁৰ জীৱিত কালতে সাতখন কাব্যও প্ৰকাশ পালে। তেওঁ মুঠ আশীটা বছৰ কাল জীয়াই আছিল। এইখিনি সময়তে তেওঁৰ প্ৰতিভাৰ বীজ চাৰিও ফালে সিঁচি দিছিল। তেওঁ মহাকাব্য আকাৰত ডাঙৰ কবিতা লিখাৰ আশা কৰিছিল, কিন্তু এই আশা আংশিক ভাৱেহে সফল হ'ল। ৱৰ্ডছৱৰ্থক ৰমন্যাসিক পুনৰুত্থানৰ জোৰবাতি দেখুওঁতা বুলি কোৱা হয় যদিও বহুতে তেওঁক ৰমন্যাসিক কবি নহয় বুলিও কব খোজে। চুইনবাৰ্নে ৱৰ্ডছৱৰ্থৰ কবিতাসমূহ ঘাটি হেনো দুটাহে ৰমন্যাসিক শাৰী পালে। সেই দুটা হ'ল—

Old, unhappy, far off things
And battle long ago.

বহুতে কয় যে মধ্য যুগৰ ৰমন্যাসিক প্ৰেমৰ কোনো প্ৰতিধ্বনি ৱৰ্ডছৱৰ্থৰ কবিতাত নাই। ক্ৰম্পটন ৰিকেটে তেওঁৰ ইংৰাজী সাহিত্যৰ বুৰঞ্জীত উল্লেখ কৰিছে যে ৱৰ্ডছৱৰ্থৰ আটাইতকৈ ভাল কবিতাখিনি লিখা হৈছিল ১৭৯৬ ৰ পৰা ১৮০৮ লৈ। তেওঁ ১৮৫০

চনলৈকে জীয়াই থাকি শেষ বয়সলৈকে তেওঁ বহুতো কৱিতা লিখিলে, প্ৰকৃততে তেওঁৰ পিছৰ বয়সৰ কৱিতা দুই চাৰিটাতহে তেওঁৰ প্ৰকৃত প্ৰতিভা ফুটি উঠিছিল। তেওঁৰ কাব্যিক অৱনতিৰ কাৰণ বহুতে বহুত ধৰণে কয়। হাৰ্বাট ৰীডৰ ভাষাত কবলৈ গলে অৱনতিৰ আনেটৰ প্ৰতি বিশ্বাসঘাটকতাৰ অনুশোচনা, দুটা সন্তানৰ মৃত্যু; ক'লৰিজৰ লগত ১৮১০ চনত হোৱা মনোমালিন্য, অনুপ্ৰেৰণাৰ থলী দৰথীৰ বিদায় গ্ৰহণ ইত্যাদি।

ফৰাচী বিপ্লৱৰ আদৰ্শৰে অনুপ্ৰাণিত হোৱা ৱৰ্ড্‌ছৱৰ্থ ৰক্ষণশীল হ'ল। অক্সফ্ৰোৰ্ডে ডি, চি, এল্ ডিগ্ৰী দিলে আৰু ইংলেণ্ড শ্বৰীৰ পৰা নিমন্ত্ৰণ আহিল ১৮৪৩ চনত ৰাজ কবি হবলৈ, মাহে তিনিশ পাউণ্ড পেঞ্চন। ৰমন্যাসিক যুগৰ কাব্যিক প্ৰতিভাৰে নৱ আলোকৰ সন্ধান দিওঁতাসকলৰ ভিতৰত ৱৰ্ড্‌ছৱৰ্থৰ নাম প্ৰতিজন মানৱৰ বুকুত বোৱঁতী নদীৰ দৰে বৈ থাকিব। ৱৰ্ড্‌ছৱৰ্থে প্ৰকৃতিক সাৰটি লৈ আজিও শুই আছে প্ৰকৃতিৰ দলিছাত। এইজন কবিৰ নাম সেউজৰ বুকুত সোণালী আখৰেৰে জিলিকি থাকক।

শেষত ক'লৰিজৰ ভাষাৰে— "তেওঁৰ মঙ্গল মই অমূল্য আশীৰ্বাদ যেন পাওঁ, তেওঁক মই কবি, দাৰ্শনিক আৰু মানুহ হিচাপে সমান সন্মানেৰেই চাওঁ"। এয়ে আছিল তেওঁৰ ভাষা।

সদৌ শেষত, মই কব খোজো—

"হে কবি, তুমি শুই আছা নীৰৱে
সেই কফিনটোত।
এতিয়া তোমাৰ চিন্তা নাই
তুমি মুক্ত।
পক্ষী হৈ তুমি সুৱদি গীতেৰে
প্ৰকৃতিক সাৰটি লোৱা।"

( সহায় লৈ )

"সন্মানেই যদি তোমাৰ ভূষণ হয় চিৰকাল স্থায়ী হ'ব। কিন্তু ভূষণেই যদি তোমাৰ সন্মান হয় অতি সোনকালেই সি জহি পৰিব।"

—মানফ্ট

"যদি কোনো আদৰ্শৰ কাৰণে সংগ্ৰাম কৰাৰ যুক্তি নেথাকে তেন্তে সেই আদৰ্শ কেতিয়াও জীয়াই নেথাকে।

—টমাচ্ মান

# চার্লি চেপলিন

শ্ৰীবুমী দত্ত
স্নাতক ২য় বাৰ্ষিক

চলচ্চিত্ৰৰ ৰূপালী পৰ্দাৰ বিশ্ব-বিশ্ৰুত বহুৰূপী চাৰ্লি চৰিত্ৰৰ স্ৰষ্টা চাৰ্লচ চেপলিন আছিল অনন্য সাধাৰণ প্ৰতিভাসম্পন্ন শিল্পী। চেপলিন এনে এজন ব্যক্তি যাৰ ছবি, যাৰ অভিনয়ে স্থান কাল নেওচি দুখীয়া, ধনী অভিজাত আদি সমাজৰ সকলো শ্ৰেণীৰ দৰ্শকৰ সমাদৰ পাইছে। প্ৰায় বাৱন্ন বছৰ জুৰি চলচ্চিত্ৰৰ সৈতে জড়িত থাকি চাৰ্লি চেপলিনে যিদৰে দৰ্শকৰ প্ৰশংসা বুটলিবলৈ সমৰ্থ হৈছিল সেয়া পৃথিৱীৰ খুব কম সংখ্যক চলচিত্ৰকাৰ তথা শিল্পীৰ ভাগ্যতহে ঘটে।

চলচ্চিত্ৰ জীৱনে চাৰ্লি চেপলিনক অজস্ৰ ধন আৰু খ্যাতি দিলেও, অতিশয় দুখ কষ্ট, দাৰিদ্ৰৰ মাজেদি তেওঁৰ শৈশৱ আৰু কৈশোৰ পাৰ হৈছিল। ১৮৮৯ চনৰ ২৬ এপ্ৰিলত লণ্ডনৰ এক অতি দৰিদ্ৰলোকৰ চুবুৰী ওৱাৰ্থত চাৰ্লি চেপলিনে জন্ম গ্ৰহন কৰে। তেওঁৰ সম্পূৰ্ণ নাম চাৰ্লচ স্পেনচাৰ চেপলিন। চাৰ্লিৰ মাক দেউতাক উভয়েই সংগীত আৰু মঞ্চ অভিনয়ৰ ক্ষেত্ৰত দক্ষ শিল্পী আছিল। সেয়ে আছিল তেওঁলোকৰ জীৱিকা-উপাৰ্জনৰ পথো।

চাৰ্লিৰ মাক-দেউতাকৰ বিচ্ছেদ ঘটাৰ কাৰণে চাৰ্লিয়ে দেউতাকক খুব কম সময়ৰ বাবেহে লগ পাইছিল। শিল্প জীৱন তেওঁৰ ছয়বছৰ বয়সৰ পৰাই আৰম্ভ হৈছিল। অৱশ্যে এই এই আৰম্ভণি হৈছিল এক আকস্মিক দুৰ্ঘটনাৰ মাজেদিহে।

এদিনাখন অভিনয় কৰি থাকোতে মঞ্চৰ ওপৰত চাৰ্লিৰ মাক হঠাৎ অসুস্থ হৈ পৰিল। আৰু গীত গাই থাকোতেও মাতটো ভাগি যাবলৈ ধৰিলে। তেতিয়া পৰ্দাৰ সিপাৰে বৈ থকা অকণমান শিশু চাৰ্লিকে মঞ্চত তুলি দিয়া হয়। চাৰ্লিয়ে হাত ভৰি নচুৱাই, চিঞৰি গান গাই দৰ্শকক খিতাতে বিমুগ্ধ কৰি পেলালে। সেইদিনাখন তেওঁ আনকি ক্ৰমান্বয়ে মাকৰ ভাগি যোৱা মাতটোৰ নকল কৰি দেখুৱায়ো দৰ্শকক আমোদ যোগালে। দৰ্শকে আনন্দত চাৰ্লিৰ কাৰণে পইচা দলিয়াবলৈ ধৰিলে। তেতিয়া, চাৰ্লিয়ে অলপ সময়ৰ কাৰণে তেওঁৰ কাৰণে তেওঁৰ মঞ্চ অভিনয় স্থগিত ৰাখি দৰ্শকে দিয়া পইচাবোৰ বুটলি লবলৈ দৰ্শকৰ পৰাই অনুমতি বিচৰাত তেওঁলোকৰ মাজত আগতকৈও বেছিকৈ হাঁহিৰ ৰোল উঠিল।

চাৰ্লি চেপলিনে অভিনয় কৰা প্ৰথম ছবিখন হ'ল "মেকিং এ লিভিং (১৯১৪ চনত)।" চেপলিনৰ সৰ্ব্বাধিক জনপ্ৰিয় ছবি "দ্য কিড" (১৯২৯ চনত)।" চেপলিনে পৰিচালনা কৰা প্ৰথম ছবিখনৰ নাম আছিল "কট্ট ইন দ্য

ৰেইন" (১৯১৪ চনত)। ইয়াৰ পিছত চালি চেপলিনে "ইমিগ্ৰাণ্ট", "ইজি ষ্ট্ৰীট", "দ্য কিড্", "দ্য গল্ড ৰাশ্ব", "এ বুমেন অব পেৰিছ", "দ্য চাৰ্কাচ", "চিটি লাইটচ্টচ", "মডাৰ্ন টাইমছ", "দ্য গ্ৰেট্ ডিক্টেটৰ", "দ্য ট্ৰেমপ", "মেঁটিয়ে ভেদোঁ", "লাইম লাইট" আদি এখনৰ পিছত এখন ছবিৰ পৰিচালনা কৰি গ'ল। চেপলিনে নৱৈখনমান ছবিত ভিন ভিন চৰিত্ৰৰ অভিনয় কৰিছে। কবি, গায়ক, পুলিচ, চোৰ, জেলৰ কয়দী ইত্যাদি নানা চৰিত্ৰত অভিনয় কৰিছে।

"ইজি ষ্ট্ৰীট" নামৰ ছবিখনত পুলিচবাগী চালিয়ে চুৰি কৰি থাকোতে মানুহ এজনীক ধৰা পেলায়। কিন্তু মানুহজনীৰ দুখ কষ্টৰ বৰ্ণনা শুনি পুলিচ চালিয়েও চুৰ কৰি আনি আৰু কিছুমান বস্তু মহিলা গৰাকীৰ হাতত গুজি দিয়ে। সমাজৰ সাধাৰণ শ্ৰেণীৰ মানুহৰ সুখ দুখৰ চালি যেন সদায় সমভাগী।

চালি চেপলিনৰ ছবিবোৰৰ বিশেষত্ব এই খিনিতেই যে তেওঁৰ ছবিবোৰ চাই থকা অৱস্থাত হাঁহি হাঁহি দৰ্শকৰ পেট বিষাই যায়। কিন্তু ছবিখন চাই শেষ কৰি প্ৰেক্ষাগৃহৰ ভিতৰৰ পৰা ওলাই অহাৰ পিছত দৰ্শকৰ মন এক অবুজ বেদনাত ভাৰাক্ৰান্ত হৈ পৰে। সকলোৱে যেন এই আচহুৱা ৰাৰে ভচহ ৰাপটোত ভোল যায়। চালিয়ে ছবিবোৰত নিজে কেতিয়াও হঁহা নাছিল। তেওঁ অপূৰ্ব মূক অভিনয়েৰেহে দৰ্শকক হঁহুৱাইছিল।

চেপলিনক ১৯২৮ চনত "দ্য চাৰ্কাচ" ছবিখনৰ বাবে শ্ৰেষ্ঠ কাহিনী লেখক, প্ৰযোজক, পৰিচালক, অভিনেতা হিচাপে অস্কাৰ পুৰস্কাৰেৰে সন্মানিত কৰা হয়।

চালি চেপলিনৰ "দ্য গল্ড ৰাশ্ব" নামৰ ছবিখন চাই সুবিখ্যাত ভাৰতীয় চলচিত্ৰকাৰ সত্যজিত ৰায়ে এই বুলি মন্তব্য কৰিছিল "দ্য গল্ড ৰাশ্ব" ছবিখনৰ বিষয়ে আটাইতকৈ আচৰিত হ'ব লগীয়া কথাটো হ'ল যে ছবিখন আপোনাৰ মনত নিচেই চিনাকী আৰু চিৰন্তৰ সজীৱ হৈ থাকিব।

"মডাৰ্ন টাইমছ," "দ্য গ্ৰেট ডিক্টেটৰ," আদি ছবি কৰি থকা সময় ছোৱাত হিটলাৰৰ নাজী সমৰ্থকসকল আৰু আমেৰিকাৰ ৰাজনৈতিক মহলত চালি চেপলিন তেওঁৰ ৰাজনৈতিক সচেনতাৰ বাবে তীব্ৰভাৱে সমালোচিত হৈছিল। বহুতে তেওঁক কমিউনিষ্ট বুলি প্ৰচাৰ চলাইছিল। জীৱনৰ ঘাত প্ৰতিঘাতে ইতিমধ্যে তেওঁৰ মন তিক্ততাৰে ভৰাই পেলাইছিল। ১৯৫২ চনত তেওঁক আমেৰিকা পৰিত্যাগ কৰিবলৈ বাধ্য কৰোৱা হয়। চালি চেপলিনে তেওঁৰ শেষ জীৱন চুইজাৰলেণ্ডত কটাইছিল, আৰু ১৯৭৭ চনত ডিচেম্বৰ মাহত ইয়াতেই তেওঁ স্বৰ্গী হয়। ● ●

+ + +

"সৌন্দৰ্য্যই দৃষ্টি ধৰি ৰাখে, কিন্তু গুণেহে আত্মজয় কৰে।" —আলেকজেণ্ডাৰ পোপ

(ভ্ৰমণ কাহিনী)

# মোহময়ী কাশ্মীৰ

অনিমা ডেকা
স্নাতক ২য় বাৰ্ষিক

দিনটো আছিল সোমবাৰ। ১৯৮৯ চনৰ ২২ মে। আমি তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ (অ, এন, জি, চি,) তৰফৰ পৰা ২৩ জনীয়া সাংস্কৃতিক দল এটি ৰাওনা হৈছিলো জম্মু আৰু কাশ্মীৰ অভিমুখে। উদ্দেশ্য আছিল জম্মুৰ তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ বছেৰেকীয়া প্ৰতিযোগিতাত ভাগ লোৱাৰ। অ, এন, জি, চি, য়ে প্ৰত্যেক বছৰে এই Inter Regional Cultural Meet পাতে, প্ৰতিযোগিতামূলক ভাবে। যি ঠাইত অ, এন, জি, চিৰ Project থাকে তাতেই এই সাংস্কৃতিক অনুষ্ঠান পাতে। অৱশ্যে প্ৰত্যেক বছৰে ঠাই সলনি হয়।

২৩ মে, গুৱাহাটী বিমানবন্দৰৰ পৰা ৰাতি ৮.১৫ মিনিটত প্লেনেৰে উৰিবলৈ ধৰিলোঁ। সকলোৰে চকুৰে মুখে একেটি মাত্ৰ সপোনৰ স্পৰ্শ, আমি গৈ আছো জম্মু আৰু কাশ্মীৰ অভিমুখে। দিল্লী পাবৰ সময়ত যেতিয়া প্লেন-খন লাহে লাহে তললৈ নামিবলৈ ধৰিছিল, তেতিয়া খিড়িকিৰে বাহিৰলৈ চাই দেখিছিলোঁ ৰাতিৰ আন্ধাৰত দিল্লী চহৰৰ সৌন্দৰ্য্য, লাইট-বোৰৰ চিমিকচামাক পোহঁৰবোৰৰ সৌন্দৰ্য্যও যেন কিবা এটা বেলেগ। ১১.৩০ মিনিটত দিল্লী পাইছিলো। আৰু পাহাৰগঞ্জৰ নিউ অলঙ্কাৰ হোটেলত থাকিবলৈ বন্দোবস্ত কৰা হৈছিল।

২৪ মে, আমি দলটিৰ কিছুমানে দিল্লীৰ কেন্দ্ৰস্থলৰ আশে পাশে থকা ঠাইবোৰ পৰিদৰ্শ-নৰ বাবে ওলালো। লালকিলা, কুতুবমিনাৰ, ইন্দিৰাগান্ধী ভৱন, সংসদ ভৱন, ত্ৰিমুৰ্ত্তি ভৱন, তাৰামণ্ডল, অপুঘৰ, আদি ঠাইসমূহ পৰিদৰ্শন কৰিলো।

২৫ মে, দিল্লীৰ পৰা আবেলি ৪ বজাত ট্ৰেইনেৰে জম্মু আৰু কাশ্মীৰৰ অভিমুখে ৰাওনা হ'লো। স্তব্ধ আৰু শান্ত পৰিবেশৰ মাজত ট্ৰেইন আগুৱাই গৈ আছিল। লগতে আমাৰ মনবোৰো। ট্ৰেইনৰ খিড়িকিৰে কেৱল প্ৰাকৃতিক দৃশ্য উপভোগ কৰি গৈ আছিলো। সঁচাকৈ কি মনোৰম দৃশ্য! ভ্ৰমণত কি যে এক অপূৰ্ব শিহৰণ আছে কল্পনা কৰা টান। সিদিনা পুৱা ৫.৩০ মিনিটত জম্মু পাইছিলো। জম্মুত নিশ্চিতকৈ বহু আৰামেৰে থাকিলো। কাৰণ এখন উন্নত মানদণ্ডৰ হোটেল (Resturant) অ, এন, জি, চিৰ তৰফৰ পৰা বন্দোবস্ত কৰি থোৱা আছিল। Resturant খনৰ নাম আছিল T. D. C. J-K Resturant.

২৬ মে, আমি আবেলি সাংস্কৃতিক প্ৰতিযোগিতা হব লগীয়া ৰংগমঞ্চটো চাবলৈ গ'লো। সুন্দৰ চাৰিখলপীয়া ৰংগমঞ্চটোৰ সন্মুখত ধুনীয়া ফুলনি বাৰী; ফুলনিৰ মাজে মাজে

কিছুমান ভাস্কৰ্য্য, পৰিপাটিকৈ কাটি ৰখা কিছুমান লতা জাতীয় গছ, চহৰৰ মাজ মজিয়াত ৰঙ্গমঞ্চটো আছে যদিও এটা শান্ত পৰিবেশ। সঁচাকৈ ভাল লাগি গৈছিল মনবোৰ। ৰঙ্গমঞ্চটোৰ নাম আছিল "অভিনৱ"।

২৭ মে, আমাক অ, এন, জি, চিৰ তৰফৰ পৰা জম্মুৰ পাঁচ তাৰকা হোটেল "অশোকাত" ৰাতিৰ আহাৰৰ বাবে নিমন্ত্রণ জনাইছিল। সেই ঠাইখিনিৰ নাম আছিল "ৰাম নগৰ"। এই অশোকা হোটেলত বিদেশী পৰ্যটকবোৰহে বেছিকৈ থকা দেখিলো। কেইগৰাকীমান অনাঅসমীয়া ছোৱালীৰ লগত চিনাকি হৈছিলো জম্মুৰ। খুউব ভাল লাগিল তেওঁলোকক। দুগৰাকীমানে আমাক গীত পৰিবেশন কৰিও শুনালে। আৰু তেওঁলোকৰ ঘৰলৈ আমাক নিমন্ত্রণো কৰিছিল।

"অশোকা" হোটেলৰ কাষতে এটা সংগ্ৰহালয় (Museum) আছে। এই সংগ্ৰহালয়টো পূৰ্বতে ৰজা অমৰ সিংৰ ৰাজপ্ৰাসাদ আছিল। ইয়াৰ আৰ্হিটো তৈয়াৰ কৰিছিল এজন ফৰাচী স্থপতিবিদে ঊনৈশ শতিকাত। বৰ্ত্তমান প্ৰসাদটো সংগ্ৰহালয় হিচাপে সংৰক্ষিত কৰা হৈছে। ইয়াত এখন সোণৰ সিংহাসন আছে। অৱশ্যে সিংহাসনৰ চাৰিওকালে সশ্ৰস্ত্র প্ৰহৰী। সংগ্ৰহালয়টোত বহুটো মূল্যবান চিত্ৰ আছে। যিবোৰ প্ৰায় ১২ শ বছৰ পুৰণি, অথচ দেখিবলৈ এনে লাগিল চিত্ৰবোৰ যেন এই মাত্ৰ তুলিকা বুলাই যোৱা। একোখন চিত্ৰৰ মূল্য আঢ়ৈ লাখ টকা। বেছি ভাগ চিত্ৰ ফ্ৰান্সাৰ শিল্পীয়ে অঁকা। আটাইতকৈ সুন্দৰ লাগিছিল এই "অৱতাৰ কেইটাৰ চিত্ৰকেইখন— মৎস,কুৰ্ম, নৰসিংহ, ব্ৰাহ্মণ পৰশুৰাম, হলিৰাম, বৰাহ, শ্ৰীৰাম" এই চিত্ৰকেইখন সঁচাকৈ মনত লগা লগীয়া।

২৮ মে, আজিৰ পৰা সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হৈছিল। তৃতীয় নিশা জানিবলৈ পাইছিলো আমি মানে অসমৰ দলটোৱে শ্ৰেষ্ঠদল হিচাবে সন্মান লাভ কৰিছো। দ্বিতীয় শ্ৰেষ্ঠদল ডেৰাডুন হৈছিল। তৃতীয় হৈছিল জম্মু। আৰু চতুৰ্থ হৈছিল কলিকতা।

জম্মুত এটা পুৰণিকলীয়া ডাঙৰ শিৱ মন্দিৰ আছে। আৰু এখন বাগিছা আছে বাগিছাখনৰ নাম "বহু বাগিছা" অতি সুন্দৰ।

এতিয়া বৰ্ণাও জম্মু আৰু কাশ্মীৰৰ ৰাজধানী শ্ৰীনগৰ বিষয়ে কৈ থাকো মানে যেন উৰকে নপৰে—

১ জুন, আজি পুৱা শ্ৰীনগৰৰ অভিমুখে ৰাওনা হৈছিলো। আমাৰ গাড়ী কাশ্মীৰ উপত্যকাৰ শাৰী শাৰী পৰ্বত মালা অতিক্ৰম কৰি কাশ্মীৰৰ ৰাজধানী শ্ৰীনগৰ অভিমুখে গতি কৰিছিল। চিৰসেউজীয়া পাইন গছৰ শাৰীবোৰ দেখি মনত এনে ভাব হৈছিল, সঁচাকৈয়ে বিশ্বকৰ্মা এজন মহান শিল্পী। কাশ্মীৰখন সঁচাকৈয়ে ভূ-স্বৰ্গ। সৌন্দৰ্য্যৰ আচল ৰূপ যেন ইয়াতহে দেখিলো। ভাৰতৰ উত্তৰ পশ্চিম প্ৰান্তত অৱস্থিত কাশ্মীৰখন সাগৰৰ জলপৃষ্ঠৰ পৰা ১৫০০ মিটাৰ ওপৰত অৱস্থিত। ইয়াৰ আয়তন ৮৫.০২৪ বৰ্গমাইল। ১৯৬১ চনৰ পিয়ল মতে ইয়াৰ লোকসংখ্যা আছিল ৩৫০৩৫৮। এতিয়া লোকসংখ্যা বহুত বাঢ়িছে। এই উপত্যকা

-পূৰ্ণ ওখ পৰ্বতীয়া মালভূমি কাশ্মীৰখনৰ উত্তৰফালে কাৰকোৰাম পৰ্বত। মাজতে লাডাখ আৰু উচ্চ হিমালয়। হিন্দু, গিলগিট, ঝিলাম আৰু চিনাব নৈয়ে কাশ্মীৰৰ শোভা বাৰুকৈয়ে বঢ়াইছে। জম্মু পাৰহৈ বহদূৰ আগবাঢ়িছো। শ্ৰীনগৰ পাবলৈও বহু বাট আছে। আমি "জৱাহৰ" সুৰঙ্গ পাইছিলোহি। এই সুৰঙ্গটোক কাশ্মীৰৰ প্ৰবেশদ্বাৰ বুলিও আখ্যা দিয়া হৈছে। এইটো এটা চাবলগীয়া সুৰঙ্গ। পাহাৰ কাটি কাটি উলিওৱা এই সুৰংগটোৰ দৈৰ্ঘ্য দুই কিলোমিটাৰ। ওখ ৮৫ হাজাৰ ফুট। ১৯৫৬ চনত আমাৰ দেশৰ তেতিয়াৰে ৰাষ্ট্ৰপতি ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণে এই বৃহৎ সুৰংগটো উদ্বোধন কৰিছিল। পৃথিবীৰ ডাঙৰ ডাঙৰ সুৰংগসমূহৰ ভিতৰত ইয়ো এটা উল্লেখযোগ্য সুৰংগ।

জম্মুৰ পৰা শ্ৰীনগৰ পাবলৈ ১২ ঘণ্টা সময় লাগিল। আমি থাকিবলৈ শ্ৰীনগৰৰ "ডাল" হ্ৰদৰ পাৰতে এখন হোটেল বন্দোবস্ত কৰা হৈছিল। ৰাতিৰ আন্ধাৰ, হ্ৰদত থকা "হাউছ বটৰ" লাইটৰ পোহৰ, চৌখিন নাওঁবোৰ, হ্ৰদৰ পাৰত থকা অসংখ্য বিদেশী পৰ্য্যটক, সকলোবোৰ মিলি এক মনোমোহা দৃশ্য। "ডাল হ্ৰদৰ" পাৰত ভৰি দিয়েই কিবা যেন এক স্বৰ্গীয় শান্তিহে লাভ কৰিছিলো। এই ডালহ্ৰদও যেন শ্ৰীনগৰৰ হৃদপিণ্ডহে। হ্ৰদত থকা হাউছ বটবোৰৰ কাৰুকাৰ্য্য থিক একোটা ৰাজ-প্ৰাসাদৰ দৰে।

২ জুন, আজি ডালদৰে হ্ৰদ পৰিভ্ৰমণৰ বাবে ওলালো। হ্ৰদত ফুৰিবলৈ চিকাৰাৰ (Shikara) প্ৰয়োজন। চিকাৰা মানে সৰু সৰু চৌখিন নাও। একোখন চিকাৰাত ৫ জনকৈ মানুহ বহিব পাৰি। চিকাৰত বহি দেখিলো হ্ৰদত ওপৰত উপস্থি থকা বজাৰ। বিধে বিধে বস্তু পোৱা যায়। হ্ৰদত থকা "নেহৰু পাৰ্ক" নামি দেখিলো জকমককৈ ফুলি থকা ডাঙৰ ডাঙৰ গোলাপফুলবোৰ। ইমান বোৰ নানান ৰঙৰ গোলাপফুল দেখি মনত কি আনন্দ! চিকাৰাত বহি বহিয়েই পৰ্বতৰ মনোমোহা দৃশ্য ভালদৰেই দেখা পোৱা গৈছিল। চাৰিওফালে কেৱল ফুল, হ্ৰদৰ পাৰত জোপোহা জোপোহা আপেলগছ, পৰ্বতৰ চূড়াত বৰফৰ চিকমিকনি। ধুনীয়া ধুনীয়া ঘৰ, গোটেই চহৰখন যেন ছবিৰ দৰে সুন্দৰ। চিকাৰাত তিনি ঘণ্টা সময় কটালা; নামিবৰ মন যোৱা নাছিল। ফুলৰ অবিহনে খালি ঠাই দেখিবলৈ পোৱা নাছিলো। পথাৰবোৰো যেন একো একোখন বাহৰ দলিচাহে। আৰু তাৰ মাজে মাজে সৰু সৰু বোটামৰ দৰে ফুল। ভাল লাগি গৈছিল সেই দুপৰীয়াৰ চকচকীয়া ৰ'দটো। সচাকৈ কাশ্মীৰখন সৌন্দৰ্য্যমন্দিত ভূস্বৰ্গ।

কাশ্মীৰিলোক বিলাক স্বভাৱতে ভদ্ৰ যেনেই লাগিল। বিশেষকৈ ছোৱালীবিলাক অতি নম্ৰ আৰু অতি ধুনীয়া দেখিলো। কেইজনমান কাশ্মীৰৰ বাসিন্দাৰ পৰা গম পাইছিলো যে, জুন মাহত তেওঁলোকৰ কাৰণে কাশ্মীৰখন বৰ নীৰস। কিন্তু আমাৰ কাৰণে তেতিয়াও কাশ্মীৰখন স্বৰ্গপুৰীয়েই আছিল। তেওঁলোকে আমাক কৈছিল, তোমালোকে পুনৰ আহিলে চেপ্তেম্বৰ, অক্টোবৰ মাহত আহিবা। তেতিয়া

কাশ্মীৰত গছৰ পাত দেখিবলৈ নোপোৱা, কেৱল ফুলহে দেখিবলৈ পাবা। অৱশ্যে ভেতিয়া ঠাণ্ডা হয়। আৰু বৰফেৰে ৰাস্তাবোৰ লাহে-লাহে ঢাক খাবলৈ ধৰে। আমি জুন মাহত পৰ্বতৰ টিঙত বৰফ দেখিবলৈ পাইছিলো। নিৰ্জন শান্ত, স্নিগ্ধ ৰাস্তাৰ দুয়োপাৰ সেউজীয়া ঘাঁহনি সুশোভিত স্রোতস্বতী জলাশয়ে কাশ্মীৰৰ সৌন্দৰ্য আৰু বৃদ্ধি কৰিছিল। চাফ-চিকুণ কাশ্মীৰখনৰ ধূনীয়া ধূনীয়া পথ বোৰেদি অগ্রসৰ হওঁতে আমাৰ শিৱসাগৰৰ ভূৱন গগৈৰ পথটোৰ কথা মনত পৰি মনটো কেনেবা কেনেবা লাগিছিল। যি কি নহওঁক কাশ্মীৰৰ সৌন্দৰ্য্যই সকলো পাহৰাই পেলালে।

৩ জুন, আমি শ্রীনগৰৰ পৰা পেহেলগাম (Pahlgam) নামে এটুকুৰা ঠাইলৈ ফুৰিবলৈ গলো। মাজ ৰাস্তাতে দেখিবলৈ পালো ধ্বংস প্রাপ্ত অৱন্তিপুৰ মহলৰ পুনৰ উদ্ধাৰৰ কাম চলি আছে। এই মহল ১১৭ বছৰ পুৰণি।

পেহেলগামলৈ গৈ চকুত পৰিল গভীৰ নীলা আকাশৰ কোলাত চিকমিকাই উঠিছে বৰফেৰে পূৰ্ণ পাহাৰবোৰ। খৰস্রোতা নৈ। হু-হুৱাই বলা বতাহ। নৈ খনৰ দুয়োকাষে থকা শাৰী শাৰী গছবোৰে পেহেলগামখনক সজীৱ আৰু সেউজীয়া পৰিবেশ প্রদান কৰিছে। পেহেলগামৰ আশে-পাশে থকা ঠাইবোৰ ফুৰিবলৈ ঘোঁৰাৰ পিঠি বন্দোবস্ত কৰা হৈছিল। কাৰণ চাবলগীয়া ঠাইবোৰ ওখ ওখ পাহাৰেৰে আবৃত। কোনো ঠাই খিয় খিয় একোটাহত গড়া। সেয়ে সেইবোৰ ঠাই ঘোঁৰেৰে কষ্ট-কৰ। পেহেলগামৰ প্রকৃতিক দৃশ্যও অতি সুন্দৰ। সেয়েহে ইয়াত হিন্দী বোলছবিৰ চুটিং অনবৰতে হৈ থাকে। পাহাৰৰ ওপৰত কেইটামান পুৰণিকলীয়া মন্দিৰ দৰ্শনৰো ভাগ্য ঘটিল। সন্ধিয়া শ্রীনগৰলৈ উভতিছিলো।

৪ জুন, আমি পুনৰ শ্রীনগৰৰ কিছুমান ফুলৰ বাগিছা চাই বুলি ওলালো। প্রত্যেক-খন বাগিছাই অতি সুন্দৰ, যেন একোখনকৈ ঘাঁহৰ দলিচাহে পাৰি থোৱা আছে। অবি-স্মৰণীয় সেই জকমকীয়া ফুলবোৰ আৰু পানীৰ কুঁৱাবোৰ। শ্রীনগৰত থকা বাগিছা-বোৰৰ নাম আছিল (১) চচমা চাহী (Chasma shahi) বাগিছা। (২) চালিমাৰ বাগিছা (Shalimar Garden) পৰীমহল (Pari Mahal) নিচাট বাগিছা (Nishat Garden) নিচাট বাগিছাৰ গোলাপফুল জৱাহৰলাল নেহৰুৱে কোট চোলাত গুজি লৈছিল। সেয়েহে নিচাট বাগিছা আৰু বিখ্যাত। বাগিছাবোৰত ফুলৰ উপৰিও আঙুৰ, আপেল গছ, আখৰোট গছবোৰ এনেদৰে পৰিপাটিকৈ থোৱা হৈছে যেন সেইবোৰো ফুল গছহে। কাশ্মীৰৰ ফুলৰ কথা কৈ থাকো মানে শেষ নহব।

৫ জুন, শ্রীনগৰৰ পৰা উভতি আহোতে বাটত বহুতো ক্রিকেট বেটৰ ইণ্ডাষ্ট্রী দেখিবলৈ দেখিবলৈ পাইছিলো। আমাৰ দলৰ কিছুমানে ক্রিকেট বেট কিনিও আনিছিল। খিড়িকীৰ কাষত বহি কেৱল প্রাকৃতিক দৃশ্য উপভোগ কৰি আহিছিলো। হেপাহেই নপলায় যেন ......।

সঁচাকৈ কাশ্মীৰৰ মায়াময় পৰিবেশ বৰ্ণাঢ্য আৰু অবিস্মৰণীয়। এই মনোৰম দৃশ্য উপভোগ কৰি অসীম মানসিক পৰিতৃপ্তি লাভ কৰিছিলো। ●

# "বাৰীৰ পাছ্‌ফালে কান্দে তাঁতশালে"

## ( এখনি আলেখ্য )

অধ্যাপিকা শ্ৰীযমুনা বৰগোঁহাই

"চ'তিতে কান্দিলে বৰফুলৰ চাণেকি
মাৰলত কান্দিলে ভনী
বাৰীৰ পাছফালে কান্দে তাঁতশালে
আইটীক বিয়া দিব শুনি।"

এদিন আইটী ডাঙৰ দীঘল হ'ল। ৰঙা ৰিহা ললে গাত। সাদিন, নদিন বা এঘাৰ দিনৰ দিনা নোৱাই তোলনী বিয়া পতা হ'ল। এনেকৈয়ে এজনী ছোৱালীৰ জীৱনলৈ শাস্ত্ৰ-সম্মত নীতি-নিয়মৰ বিবাহৰ দৰে সংস্কাৰ এটি আহে। আয়তীসকলে নোৱাই ধুৱাই গাভৰু জীৱনৰ পাতনি মেলে। এনেকৈ বিবাহ উপলক্ষে বিয়া নামৰ দৰে গীতবো প্ৰচলন হ'ল। বিবাহক কেন্দ্ৰ কৰি গোৱা বাবেই এইবিলাকক বিয়ানাম আখ্যা দিয়া হ'ল। কেতিয়াৰ পৰা এই মৌখিক গীতবোৰে বিয়ানাম আখ্যা পালে সি সাহিত্যৰ বুৰঞ্জীত সোণালী আখৰেৰে লেখা নাথাকিলেও আমাৰ সমাজত বিয়ানাম বোৰো সমাজ জীৱনৰ সমানে পুৰণি। বিশেষকৈ নাৰীসকলেই এই বিয়ানামৰ পৰম্পৰা আজিলৈকে ৰক্ষা কৰি আহিছে। গায়িকা হ'ল নাৰীসকল। পৰিবৰ্তিত সমাজ ব্যৱস্থাৰ লগতো এই বিয়া নামবোৰে সমানে ক্ষেৰ মাৰি আহিছে। ইয়াত আয়তীসকলৰ সবল কল্পনা শক্তিৰ পৰিচয় পোৱা যায়। কন্যাকাল হোৱা এজনী ছোৱালীক গা-পা ধুৱাই সমাজৰ মাজত বহুওৱা হয়। তেতিয়াই আয়তীসকলে গায়—

কেশ মেলাই চুচি গেলায়
কেশত লাগিল গাঁঠি চঙ্গে
বিবাহ হৈছে মনত ৰঙ্গে।
খনিকৰে সজা ফণি
আটাই ৰঙা কাঠি চঙ্গে
বিবাহ হৈছে মনত ৰঙ্গে।
তৰি থৈছে ৰভাখনি
লৰি আছে পাতে সখি
আইদেউৰ বৰণ কাজল দেখি।
ইত্যাদি।

এনেকৈয়ে মাহ-হালধীৰ বোলসনা আইদেউৱে ভবিষ্যতৰ এজনী মাতৃৰূপে সেইদিনাৰ পৰা ভবিষ্যতলৈ খোজ আগবঢ়ালে।

ভৰ যৌৱনত ভৰি দিয়াৰ পাছত ডেকা-গাভৰুৰ মাজত বিবাহৰ যোগেদি মিলনৰ স্বৰ্ণ-সাঁকো তৈয়াৰ কৰি দিয়া হয়। আয়তী সকলৰ মুখত এনে বিবাহত স্মৃতিশাস্ত্ৰৰ নীতিৰ দ্বাৰা সংযত পবিত্ৰ মিলনৰ মধুৰ গীত শুনিবলৈ পোৱা যায়। এই বিবাহ উপলক্ষে আয়তীসকলে গোৱা গীতবোৰৰ উপলক্ষ আৰু পৰিবেশ সুকীয়া সুকীয়া। দৰা-কন্যাৰ নোৱন-ধোৱনৰ উপলক্ষত যি বিয়ানাম গায় তাক 'পানী তোলা নাম', 'নোৱন-ধো'ৱনৰ

নাম' বুলি জনা যায়। ইয়াতো আয়তী-নামতীসকলে কৰা মধুৰ কল্পনা আৰু উপমা আদি অলংকাৰৰ প্ৰয়োগ মন কৰিবলগীয়া।—

'কাষে ঘঁট লোৱা ৰাধা মাথাই লোৱা মালা।
যমুনালৈ যাব লাগে নকৰিবা হেলা।
বাটে বাটে পৰি গৈছে বিছনিৰে দৈ-ই
আজি ৰাধা কলৈ যোৱা অত শ্ৰদ্ধা ল-ই।'

ইয়াত আয়তী-নামতীসকলৰ কেৱল কল্পনা শক্তিয়েই প্ৰকাশ পোৱা নাই ছন্দোময় গীতৰ গাঁথনিয়ে বৰ্ত্তমানৰ শিক্ষিত সমাজখনকো চেৰ পেলাইছে।

আকৌ—

ৰাম কৃষ্ণ দুয়ৈকৈ পুখুৰী
" " খন্দালা দেউতা
হৰি মোৰ ঐ বন্ধালা সেন্দূৰি আলি।
ৰাম কৃষ্ণ সেন্দূৰি আলিতে
" " ৰাধাই খোজ কাঢ়ে
হৰি মোৰ ঐ সোণৰ খৰিকা যেন ভৰি।
× × × ×
ৰাম কৃষ্ণ দীঘে দীঘলী
" " চিটিকাৰ মাৰলি
হৰি মোৰ ঐ কতে বা যমুনাৰ জলে।
ৰাম কৃষ্ণ ৰিলিকি ৰিলিকি
" " দেখিছো যমুনা
হৰি মোৰ ঐ বৈ আছে কদম্বৰ তলে।

নামতীসকলৰ বিয়ানামবোৰত পুৰণি অসমীয়া মাতকথা, সাজপাৰ, অয়-অলঙ্কাৰৰ নাম মন কৰিবলগীয়া। স্বভাৱ কবি অসমীয়া নিৰক্ষৰা মহিলাসকলে মূহৰ্ত্ততে ৰচি পেলাইছিল একো-ফাকি বিয়ানাম। পানী তুলি উভতি আহোঁতে বাটৰ কণ্টৰ কথা সুঁৱৰি দৰা বা কন্যাৰ পিতৃ বা দাদাকক মৃদুভাবে তিৰস্কাৰ কৰিবলৈকো পাহৰা নাই।

অলনি দলনি শিৱৰ বস্ত্ৰৰ বাঘৰ ছাল
পকা চপৰাণি " " " "
আমাৰ হাতে ভৰি ভাগেহে
শিৱৰ বস্ত্ৰ বাঘৰ ছাল
খোজকাঢ়ি পানী তোলা দেখিবলৈ নহয় ভাল।
তেও নপতিয়াই শিৱৰ বস্ত্ৰ বাঘৰ ছাল
কন্যাৰ দাদাকে " " " "
পানী তুলিবগৈ লাগেহে
শিৱৰ বস্ত্ৰ বাঘৰ ছাল
খোজকাঢ়ি পানী তোলা দেখিবলৈ নহয় ভাল।

গাঁৱৰ পথেদি পানী তুলি উভতি আঁহোতে বাঁহগছৰ ফাকেদি দেখা বেলিটো নামতীগৰাকীৰ উপমাৰ এপাহি অনামী ফুল—

পানীত জিলমিলাই পানী পৰুৱা
ৰাতি জিলেমিলাই জোনেহে
বাঁহৰে আগতে বেলি চিকেমিকাই
মই বোলো কিবা ফুল ফুলেহে।

আকৌ—

হৰিহে চালত পানী দিবা
" ধাৰে নিছিগিবা
" অতি সাৱধানে হবাহে ৰাম ৰাম।
" নিয়মকৈ সোমাবা
" পিছলি পৰিবা
" মৰল চাই টেকেলি থবাহে ৰাম ৰাম।

ইয়াৰ পিছত দৰা বা কন্যাক বেইৰ তললৈ নি সমাজৰ আগত গা-পা ধুউৱা হয়। এই বিয়ানামবোৰতো নামতীসকলৰ স্ব ভা ৱ সু ল ভ

কল্পনা, দৰা-কন্যাক নোৱাৰলৈ অহা মাহী-পেহীক জোৰা নামৰ বাক্য বাণেৰে থকা সৰকা কৰা দেখিলে তেওঁলোকক উপস্থিত বুদ্ধি-সম্পন্না বুলি কবই লাগিব।

তুলাই আঁহা আইদেৱে মাটিত মঙ্গল চাই
গণকে গণিতা কৰে ক্ষণ চাবি যাই।
+ + +
বেইতে ঘূৰিয়ে কিমান দুখে পালা
ঐ ৰাম সোমাই ৰবে পীৰাত বহাহে।
চামৰ বৰে পীৰা তলে চাবি থুৰা
ঐ ৰাম বহিছে সোণৰ পুতলা হে।
+ + +
বেই পাই ঘূৰিলা পীৰা পাই বহিলা
ঐ ৰাম পাত পাই মেলিলা ভৰিহে।
তেল পাই আইদেৱে বৰণে সনালে
ঐ ৰাম হালধীত উঠিলা চৰিহে।
+ + +
মাহো গেলোৱা হালধী গেল্লোৱা
গেলোৱা নাদৰে পানী
আইদেউৰ মূৰতে মাহৰে চোকোৱা
নোৱনী কুকুৰীৰাণী।
থাবৰ জুতি জানা বৌমাছৰ চকলা
নোৱাৰ নাজানা কিয় ?
নোৱা যে নোৱাৰা ভালেকৈ নোৱাৰা
চিকুটা বাকুহা কিয় ?

দৰা কন্যাৰ সাজপাৰৰ বৰ্ণনাত ছাঁয়াময় কল্পনা জকমকাই উঠে। এদিন অসমীয়া শিল্পীনিয়ে ছাঁতে শুকুৰা মূঠিতে লুকুৰা কাপোৰ বৈছিল। দৰা-কন্যাই তেনে কাপোৰকেই হয়তো পচন্দ কৰিব। সেয়েহে নামতীসকলে বিয়া নামত তাকেই গালে— লগে লগে অসমৰ এই সাজপাৰৰ যশ খ্যাতি যুগমীয়া কৰিলে।

গা ধুই আইদেৱে মাকক সুধিলে
ঐ ৰাম কি সাজ সলাব পাইহে।
ছাঁতে শুকুৰা মূঠিতে লুকুৰা
ঐ ৰাম সেই সাজ সলাব পাইহে।

অসমৰ পাট-মেজাঙ্কৰী, সিংখাপৰ সাজ-পাৰৰ কথাও বিয়া নামবোৰত প্ৰচলিত হৈ আছিছে—

জোকাৰি পিন্ধিলে সিংখাপৰ মেখেলা
মাকে আছিলে চাইহে।
এনে থানে গড়ে মোৰ আই বৰণে
ৰংপুৰ জিলাতো নাইহে।

এই বিয়ানামবোৰত দৰা-কন্যাক কেতিয়াবা ৰাম-সীতা ৰূপে, কেতিয়াবা কৃষ্ণ-ৰুক্মিণী ৰূপে, কেতিয়াবা হৰ-গৌৰী ৰূপে, কেতিয়াবা অৰ্জ্জুন-সুভদ্ৰা ৰূপে কল্পনা কৰা হয়। নিৰক্ষৰা অসমীয়া নাৰীৰ ওপৰত ই হয়তো নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰভাবো হ'ব পাৰে। দৰা-কন্যাৰ বিবাহক আধ্যাত্মিক দৃষ্টিৰে চোৱা হৈছে।

দৰা ঘৰৰ পৰা বস্ত্ৰ-অলংকাৰেৰে কন্যা ঘৰলৈ জোৰোণ অনা হয়। এই জোৰোণ দিবলৈ যাওঁতে বা কন্যা ঘৰত জোৰোণ উপলক্ষে গোৱা নামক 'জোৰোণৰ নাম' বোলা হয়। নাৰীসকলে এনে উপলক্ষত

গায়—

ওলাই আঁহা ৰামৰ মাৰে
ৰজাৰ মহাদৈ এ
শুভক্ষণে যাত্ৰা কৰি
জোৰোণ দিওঁ গৈ এ।
খাৰু লোৰা মণি লোৰা
কুণ্ডল সাতেশাৰী
তেল-সেন্দুৰ ফণি-কাকৈ
লোৰা শৰাই ভৰি।
পাটৰ লওকে মুগাৰ লওকে
আৰু মেজাঙ্কৰী
ভাৰ পাচি সজাই লওকে
অতি যতন কৰি।

সেইদৰে—

জিলিকি আহিছে অ' মন তৰা
কাৰে ভাৰে পাচি অ' মন তৰা
জিলিকি আহিছে চৈ এ মন তৰা
জোৰোণ লৈ আনিছো অযোধ্যাৰ পৰা।

আকৌ—

পাণত পত্ৰ লেখি দিলা ঐ আইদেউ
ঐ ৰাম পাণত পত্ৰ লেখি দিলা হে।
সেই পত্ৰখনি পাই ৰামচন্দ্ৰই
ঐ ৰাম অলংকাৰ পঠিয়াই দিলেহে।

ৰাম-সীতাৰ ৰূপৰ বৰ্ণনা কৰাত নামতী-সকল পাকৈত। তেওঁলোকৰ কল্পনাত কন্যা-জনী হৈ পৰে স্বয়ং সীতা, ৰুক্মিণী, পাৰ্ব্বতী, উষা— বৰ হৈ পৰে ৰাম, কৃষ্ণ, শিৱ, অনিৰুদ্ধ।

উষা বোলে সখি মই দেখিলো সপোন সখি হে
চাৰু-শ্যাম কলেবৰ দিব্যপীত বস্ত্ৰধৰ
পুৰুষক ত্ৰৈলোক্য মোহন সখিহে।

\+ \+ \+

নয়নত নিদ্ৰা নাই শয্যাতে ঘূমতি সখিহে
নাহিলেক বেদনিধি নাহিলে গোঁসাই সখিহে।

লাস্যময়ী কণ্যাজনীৰ সাজ পাৰ, অয়-অলংকাৰলৈকেনো কি চাবা। নামতীসকলে গায়—

ৰাম ৰাম তুলিতে তলিছা
" " বহিছে ললিতা
ৰাম ৰাম শৰাই লৈ মেলিছে চুলিহে।
ৰাম ৰাম দহো আঙুলিতে
" " ৰত্ন জ্বলিছে
" " নেপুৰে ধৰিছে তুলিহে।
" " গাতে জিলেমিলাই
" " পাটৰে মেখেলা
" " মণি জিলেমিলাই গলেহে।
" " আইদেউৰ গালৈকে
" " চাবকে নোৱাৰি
" " হীৰা কি মুকুতা জ্বলেহে।

এই বিয়ানামবোৰ বিশেষকৈ করুণ ৰসৰ বাবে বিখ্যাত। করুণ সুৰ এটি আছে বাবেই বিয়ানামবোৰ প্ৰতি গৰাকী নাৰীৰে বৰ আপোন। প্ৰত্যেক জীয়াৰীয়েই এদিন বোৱাৰী হয়। বোৱাৰী হবলৈ উজু। কথাতেই কয়—

"বোৱাৰী হবলৈ লাগে কেতে বেলি
জীয়ৰী হবলৈ টান"।

জীয়ৰী জীৱনটো আৰু ঘূৰাই পোৱা নাযায়। চকুৰ পানীৰে বাট নেদেখা হৈ বাই-ভনী, মাহী-পেহীয়ে বিয়ানাম গায়। ল'ৰালিৰ

কত স্মৃতিয়ে যে স্বয়ং নামতী, আয়তীসকলকো আমনি দি যায়।

আগফাল শুৱনি কাকিনী তামোলে
পাছফাল শুৱনি পাণ।
বৰঘৰ শুৱনি জীয়াৰী ছোৱালী
উলিয়াই দিবলৈ টান।

আকৌ—

কেনৈ কুটিলা চুমিকৈ পচলা
লোকে বাতি ভৰাই খাব।
কেনৈ তুলিলা ৰূপহী জীয়েৰাক
লোকে বনে কৰাই খাব।

নামতীসকলৰ সাৱধান বাণী শুনিও নুশুনা হয়—

বেঙেনা নামেৰে গুটি নপচাবা
পিৰালিত নিদিবা ঠাই।
জীয়ৰী নামেৰে কন্যা নুতুলিবা
গৰ্ভতো নিদিবা ঠাই।

কেতিয়াবা আকৌ আক্ষেপৰ সুৰো শুনিবলৈ পোৱা যায়—

জীয়াৰী নামেৰে কন্যা নুতুলিবা
গৰ্ভতো নিদিবা ঠাই।
ঘৰৰ বয়বস্তু এফাল লই যাব
দেহাৰো এফালি যায়।

আনহাতে কন্যাদায়গ্ৰস্ত পিতৃও জানো কম জগৰীয়া? নামতীসকলে গায়—

আগেয়ে দেউতা কৈনো ফুৰিছিলা
ছোৱালী কলিজা খাই
এতিয়া দেউতা চোৱা মনে কৰি
বৰঘৰ উদং হৈ যায়।

আকৌ—

মাকে কান্দিছে ইলনুটি সিলনুটি
দেউতাকে কান্দিছে ঠিয়।
যদিহে দেউতাৰ মৰমে আছিলে
শৰাই ভাঙি খা'লে কিয়?

ইতিমধ্যে কণ্যাৰ ঘৰলৈ দৰা যাবলৈ ওলায়। আয়তীসকলেও দৈয়ন দিবৰ বাবে মাতৃক সঁকিয়াই দিয়ে।

দৈয়ন দিয়া দৈয়ন দিয়া আপোনাৰ আই!
ভালে কৰি দৈয়ন দিয়া শৰীৰ জুৰাই।
উঁঠা উঁঠা ৰামচন্দ্ৰ নুঠিলে জগৰ
আজি বোলে যাব লাগে মিথিলা নগৰ।

আকৌ চাওক— আয়তী, নামতীসকলৰ মানত দৰাজন হল স্বয়ং ৰঘুবৰ।

চটিয়াই লৈছে অ' ৰাজা ৰঘুবৰ
দোৰোল খাই পৰিছে অ' ৰজা ৰঘুবৰ
কাচিপৰ কাপোৰৰ দহি ৰাজা ৰঘুবৰ
হাতত লোৱা ধনুশৰ
আমাৰ লগত ওলোৱা সীতাৰ আজি সয়ম্বৰ।

আকৌ—

ৰাম তুমি লগত ব'লা সীতাক আনোগৈ
লক্ষ্মণ তুমি লগত ব'লা ৰাৱণ বধোগৈ।

সসন্মানে বৰযাত্ৰী কন্যাঘৰ পাবগৈ। কন্যা ঘৰৰ পদূলি মুখত ঘট-কলপুলি ৰুই আদৰ সম্ভাষণ জনাব। নামতীসকলে এই সুযোগ সম্পূৰ্ণ ৰূপে গ্ৰহণ কৰিব।

আহিব দিলো মই	চটাই পৰবতে
ভৈয়ামে আহিলা কিয় ?
ৰব দিলো মই	কলৰে গুৰিতে
ৰভাতল সোমালা কিয় ?

চকুৰ পানীৰে বাট নেদেখা হলেও নামতীসকলে কৰুণ ৰসৰ লগতে হাস্যৰসৰ সৃষ্টি কৰাতো বৰ পাকৈত। হোমৰ গুৰিত দৰা-কন্যা লৈ বহোঁতে এফালে দুজনৰ মিলন যজ্ঞ আৰু আনফালে বিচ্ছেদৰ হা-হুতাশ এই দুই আনন্দ বিষাদৰ মাজত আয়তী নামতী সকলে এবাৰ হাঁহে, এবাৰ কান্দে। হাঁহি অশ্রুৰ এনে মিলন অতি কৰুণ আৰু বিচিত্র। জোৰা নামেৰে দৰাঘৰীয়াকতো থকা-সৰকা কৰেই বেচেৰা পুৰুহিত বাপুও সাৰি নাযায়—

বিধি পঢ়িবকে	নাজানা বাপুদেউ
বিধিখন আমালৈ দিয়া।
পূবং পশ্চিমং	উত্তৰং দক্ষিণং
বাপুদেউ আমালৈ চোৱা।
(জাত) অ'
মন ঘন্নুছা
পুৰোহিত বাপুটি কলৈ মন কৰিছা ?

সেইদৰে—

বিধি পঢ়িবলৈ	কোনেনো শিকালে
আধা ডুখৰীয়াকৈ
দক্ষিণাৰ লুভীয়া	ভোজনৰ লুভীয়া
আছা মনে মনে ৰৈ।

দৰাকো তেনেদৰে নামেৰে জোকাই লোৱা হয়।

হোমৰে গুৰিতে	আইদেৱে সুধিলে
অৰুণৰ কেইটা ৰং ?
কবকে নোৱাৰা	তুমি ৰামচন্দ্ৰ
হোমলৈ কৰিছা মন।
আমাৰ আইদেৱে	ক'ব শুনা ৰাম
অৰুণৰ সাতোটা ৰং
অত পঢ়ি শুনি	ক'ব নোৱাৰিলা
মিছাতে ভাঙিলা ধন।

এইদৰে লৌকিকতা, শাস্ত্রীয় নিয়ম শৃঙখলা, আধ্যাত্মিক ভাব আদৰ্শ বিয়ানাম-বোৰৰ মাজত সুন্দৰকৈ ফুটাই তুলিব পৰাটো নিৰক্ষৰা অসমীয়া জীয়াৰী বোৱাৰীৰ এক স্বভাৱ সুলভ গুণ বুলি ধৰিব লাগিব। এই বিয়ানাম-বোৰে আজিও আমাৰ অসমৰ সোণ-সেৰীয়া কৃষ্টি বহন কৰি আহিছে। প্ৰতি গৰাকী কন্যাদায়গ্ৰস্ত পিতৃ-মাতৃৰ অন্তৰত এই বিয়া-নামবোৰে হাহাঁকাৰৰ সৃষ্টি কৰে। বৰ্ত্তমান আধুনিক বাতাবৰণ আৰু পৰিবেশৰ মাজত পৰিও প্ৰাচীন বিয়ানামবোৰ জকমকাই আছে উজ্জ্বল হীৰাৰ দৰে। কেঁচা হালধী বটা, মাহবটা, আৰু সৰিয়হ তেল সানি গা-পা ধুৱাই বৰ-কন্যাক এদিন হৰ-গৌৰী, কৃষ্ণ-ৰুক্মিণী, ৰাম-সীতা বুলি ভবা হয়। এই প্ৰাচীন সমূহীয়া আধ্যাত্মিক চেতনাক আজি আমি জানো স্বীকৃতি নিদিয়াকৈ থাকিব পাৰিম ? ইয়াক সামাজিক বান্ধোনৰ মোহপাশ চিঙি দলি-য়াই দিব জানো পাৰিম। আজিও অসমীয়া সমাজে এই বিবাহ অনুষ্ঠানক এক সংস্কাৰ বুলি ধৰ্ম্মীয় আচাৰ-অনুষ্ঠানৰ সৈতে সম-মৰ্যদা

দি আহিছে । বিয়ানামবোৰেও মৌখিক সাহিত্য-ৰূপে অসমীয়া সাহিত্যৰ স্বৰ্ণসৌধ নিৰ্মাণ কৰি থৈছে । অসমীয়া সংস্কৃতিৰ বৰপেৰা ৰূপে বিবাহ অনুষ্ঠান আৰু বিয়ানামবোৰ অসমীয়া সমাজৰ সোণৰ সোলেং । অসমীয়া খাদ্য, সাজপাৰ, কৃষি-পাম, মাত-কথা, আচাৰ অনুষ্ঠান, নীতি-নিয়ম এই অনুষ্ঠান আৰু বিয়ানামবোৰৰ মাজতেই সোমাই আছে । ই অসমীয়া সমাজ-জীৱনৰ এখনি ঐতিহাসিক দলিল । সমাজ-জীৱনৰ এক জীয়া সাক্ষী ।

নামতীসকলে গায়—

অ' ল'ৰা ৰজা
শিকাই বুজাই ল'বা
জয়মতীৰ নিচিনা শান্তি নিদিবা
সীতাৰে নিচিনাকৈ বনত নেমেলিবা ।

অৱশেষত—

ৰাইজে কৰিলে ৰাইজৰ হৰিধ্বনি
হৰিহে ৰামচন্দ্ৰই জনালে সেৱা ।
পিতৃ দেৱতাই আশীৰ্ব্বাদ কৰিলে
মোৰ বোপা কুশলে যোৱা ।

ইফালে চাওক চেনেহৰ এনাজৰী চিঙি বিদায়ৰ চৰম ক্ষণ কেনেকৈ উপস্থিত হৈছেহি—

আথৈ দিয়া আথৈ দিয়া চেনেহৰে ভাই
আজিৰ পৰা তোমাৰ বাইদেউ সমন্ধ চিঙি যায়।

নামতীসকলেও শেষত আশীৰ্ব্বাদ জনাই বিদায় লৈছে ।

আজি শুভৰাত্ৰি কৰো আশীষ বাণী ।
চিৰ সুখী হ'বা নৱ দুটি প্ৰাণী । ● ●



# কবিতা-কুঞ্জ



# ফুল-ভেটীক






— শ্ৰীকল্পনা চুতীয়া
দ্বাদশ শ্ৰেণী

দেশৰ ধ্বৰণী আমি
প্ৰগতিৰ পথত আগুৱাই যাওঁ,
আহাঁ, ওলাই আহাঁ
ৰাজপথলৈ—
দুৰ্নীতি মযিমুৰ কৰি
স্বাৰ্থতিয়াগী
নাৰী স্বাধীনতা বচাও,
বুকুত সাহস বান্ধি
তেজপিয়া শত্ৰুহঁতৰ
ভদ্ৰতাৰ মুখা সোলোকাও;

কঠোৰ অন্তৰ লৈ
বীৰ বীৰাঙ্গণাৰ আদৰ্শৰে
আমাৰ সন্মুখৰ কাঁইট গুচাওঁ।
আহাঁ, ওলাই আহাঁ
ৰাজপথলৈ,
বচাবই লাগিব
আই অসমীক
আৰু,
জিলিকাই ৰাখিব লাগিব
নাৰী মুক্তিৰ অগ্ৰগামীক। ●

# শূণ্যতা

শ্ৰীৰূপা শইকীয়া
স্নাতক ২য় বাৰ্ষিক



সেইবাটে নাহিবা দুনাই
মইওতো জানো কেনি গলে তোমাক পায় ।
নিদাঘৰ তাপতো আশাৰ পানচৈ
সুকোমল নিশাতো আহত কপৌৰ মাত
পাৰ হৈ যায় ভীতিহীন আন্ধাৰবোৰ
পূণ্য প্ৰেক্ষাগৃহত
মোৰ সম্বাৰ প্ৰশ্নৰ উত্তৰ নাই।
সশব্দেই.........
এতিয়া
অনুভূতিবোৰ গলি গৈছে এটুকুৰা 'লা'ৰ দৰে। ●

# শ্ৰমিক

—এম শ্যামচুন নাহাৰ
স্নাতক ২য় বাৰ্ষিক



তাৰ কামিজটো পুৰণি হ'ল
এতিয়া সি এটা নতুন কিনিব।
দিনত তাৰ হাতত হাতুৰী
আৰম্ভ কৰে সি শিল ভাঙিবলৈ।

সন্ধিয়া তাৰ শৰীৰলৈ
নামি আহে বহু কাহিনী
লুকাই থকা।
এই কাহিনীৰ পৰা
সি পলাই ফুৰে।
শান্তি বিচাৰি সি
সুৰাৰ পিয়লাত কেতিয়াবা চুমা দিয়ে।

কৰ্ত্তব্যৰত তাৰ প্ৰতিটো হাতুৰীৰ কোব
যেন তাৰ বুকুত।
তথাপিও সি সহ্য কৰে।
প্ৰতিবাদ নকৰে।
যুঁজিবলৈ তাৰ বাহুত বল নাই,
সিয়ে অন্ধগলিৰ এটা অসহায় শ্ৰমিক।!

# সমদৃষ্টি

—শ্ৰীঅঞ্জনা চাৰিঙ্গীয়া ফুকন
স্নাতক ২য় বাৰ্ষিক

প্ৰহেলিকাময় কুঁৱলীৰ
জাল ফালি
দেখা দিলে সুৰুয মণি।

অঙ্গে অঙ্গে
সানি দিলে ৰঙৰ আভা
ন-প্ৰভাতৰ মিঠা আকুলতা।

জাগৰিত হ'ল ধৰিত্ৰীজনী
কাণে মুখে সানি ললে
সুৰুয মণিৰ সুবাসখিনি।



সিচঁৰিত হৈ পৰি গ'ল
পোহৰৰ ৰক্তিম আভা
অলিয়ে গলিয়ে, দশোদিশে।

জনাই দিলে বিশ্ব-জনতাক
সমদৃষ্টিৰ সঁচা মহিমা
স্মৃতি হয় চিৰ যুগমীয়া
যদিহে তুমি সুন্দৰ হোৱা।

# অভিনয়

শ্ৰীনৃপজ্যোতি নেওগ
স্নাতক ৩য় বাৰ্ষিক



উদ্দীপিত সূৰ্য্যৰ কালমূৰ্ত্তি ৰূপত
মই সিদিনা তোমাক দেখিছিলো।
তুমি হয়তু
গোলাপী নিচাৰ কবলত আছিলা;
যৌৱনৰ প্ৰথম চিনাকিতকৈ
ই আছিল সম্পূৰ্ণ বিপৰীত.
তেতিয়া তুমি মোৰ খোপাত
গুজি দিছিলা এপাহি শুভ্ৰ তগৰ।
কিন্তু এতিয়া ?

তুমি খুলি নিছা মোৰ মূৰৰ পৰা
সেই ডাৱৰৰ দৰে চুলি কোঁচা;
তোমাৰ কাৰ্য্য দেখি
জননীয়ে চিৎকাৰ কৰিছে বন্ধু !
বন্ধ কৰা, তোমাৰ অভিনয়
বন্ধ কৰা, তোমাৰ
শোণিতৰ পিৰ্‌পিৰণি
সন্মুখলে দুই চক্ষু মেলি চোৱা
বন্ধু
জননী যেন ক'ৰবাত ক্ষুণ্ণ হৈছে।

# ভিন্ন প্ৰহৰৰ অনুভূতি

আব্দুল হামিদ
প্ৰবক্তা, ইংৰাজী বিভাগ



মাজ নিশা
কাৰোবাৰ বিননি শুনো
কৰুণ বিননি
হয়তো পুত্ৰহাৰা মাতৃৰ
অথবা স্বামীহাৰা পত্নীৰ ;
হয়তোবা দুয়োৰেই।

বিননিৰ কৰুনাতাই
নিজান নিশাৰ গভীৰতাক গভীৰতৰলৈ লৈ যায়।
বুকুৰ ভিতৰখনত অনুভূত হয় এক বিশাল শূন্যতা!
দিন দুপৰত—
ৰাজআলিত কোলাহল শুনো ;
খিড়িকীৰ পৰ্দাৰ ফাকেৰে জুমি চাওঁ
এদল ক্ষুধাতুৰ জনতাৰ সমদল
সিহঁতে সমস্বৰে চিঞৰিছে,
"আমাক আমাৰ প্ৰাপ্য দিয়া।"
"কোপ্তা" "কাবাব" অথবা "মোগলাই" নহয়
এমুঠি অন্ন।
বিবেকত দংশন কৰে
এটি বিষাক্ত সাপে॥



## ৰঘুমলা

তুমি ভাবিছা······
মই এক বিশাল ভয়ঙ্কৰ জালৰ মাজত বন্দী
শৰীৰৰ পৰা সমস্ত শুভ্ৰতা মোৰ নাইকীয়া হৈ গৈছে,
এয়াতো তুমিহে ভাৱিছা······
মোৰ চাৰিওপিনে ডাঠ কুঁৱলী
মোৰ মৃত্যু মুহূৰ্তৰ পদ-শব্দ তুমি শুনিবলৈ পাইছা
মইতো শুনা নাই,
এয়া তুমিহে শুনিছা······
কাৰণ, তুমি মোক হত্যা কৰাৰ প্ৰচেষ্টাত।
তোমাৰ কাৰ্য্যকলাপ শুনি মোৰ হাঁহি উঠে
তুমি মোক হত্যা কৰিবা ???!!
নোৱাৰা ·· নোৱাৰা ···· নোৱাৰা।
অৱশ্যে, মোক হত্যা কৰাৰ প্ৰচেষ্টাত তুমি
কিন্তু ময়ো যে নিজক জীয়াই ৰখাৰ প্ৰচেষ্টাত !!

চিত্ৰলেখা শইকীয়া

# তোমাৰ প্ৰতীক্ষাত



নিৰ্মল এচাতি বতাহ ; মনোমোহা আকাশৰ জোন।
ফগুনী ৰাতিৰ হিয়া গলোৱা
জোনাকবোৰ বাগৰি পৰিছে।

বাহিৰত ইমান পোহৰ !
খিৰিকীখন খুলি দিলো
কোঠাটো পোহৰ কৰি
সোমাই আহিল মুঠি মুঠি জোনাক।

মোৰ এনে লাগিছে যেন পোহৰবোৰ
চুই চাম ; মৰমতে আকোৱালি ধৰিম।
খিড়িকীৰ কাষৰ 'নাইট কুইন' জোপাৰ
ফুলবোৰৰ মৃদু সৌৰভ এটি উটি আহিছে
মনত পৰিছে মোৰ তোমালৈ—
কেতিয়ানো দেখা পাম তোমাক ?
এই নিশা বেদনাত মোৰ হিয়া দহিছে।

—শ্ৰীৰশ্মিৰেখা চাউদ
স্নাতক ২য় বাৰ্ষিক

ব্যঙ্গ কবিতা

# যুগৰ আহ্বান

শ্ৰীবেবী চুতীয়া
স্নাতক ৩য় বাৰ্ষিক

আধুনিক সভ্যতাই মাতে বিঙিয়াই,
ফেমিনা ষ্টাইলত আহাঁ আগুৱাই,
চোঁৱা সোঁ মুনমীৰ চেলুনত কটা
চুলিটাৰিৰ এলবাৰ্ট
যেন বঙ্গোপ সাগৰৰ বিয়াগোম ঢৌ।

অনিলাৰ চকুত চোৱা প্ৰশান্ত মহাসাগৰৰ
অশান্ত এচামুচ নীলা
কণ্ঠত বৰসে বিলাতী মৌ।

সোঁৱা দেখা বিন্দুৰ
হাইহিলৰ চেৰে চেৰে
খোজত পদুম ফুলে।

চকুত তাইৰ জ্ঞানৰ সিন্ধু
মুখত সংস্কৃত ডিস্কো
ওঁঠত লিপষ্টিকৰ ৰোল।

পিংকিৰ গালত সেয়া
গোলাপীৰ আভা,
যেন পুৱাৰ সুৰুযৰ
সু-উজ্জ্বল ৰক্তিম প্ৰভা।

চকুত তাইৰ কাজলৰ
কলীয়া ডাৱৰ
আতো আছে নীলিমা
মহাসাগৰৰ। ●




শ্ৰীশত্থ হাজৰীকা
স্নাতক ২য় বাৰ্ষিক

অৱশেষত গীতাজনী এটা সিদ্ধান্তত উপনীত হল। এসপ্তাহ অৰ্থাৎ বন্ধ কোঠালীৰ মাজত সম্পূৰ্ণ সাতোটা নিশাৰ নিদ্ৰাবিহীনতাৰ মাজত এটা সিদ্ধান্তৰ জন্ম হল। মনে মনে তাই দৃঢ়প্ৰতিজ্ঞ হল। গীতাজনী আঁতৰি যাব দুলৰ জীৱনৰ পৰা। কিন্তু মন আৰু স্মৃতিৰ পৰা তাই জানো মুক্তি পাব ? ? "সময় বাগৰি যায় কোৱাল গতিত কিন্তু স্মৃতি থাকি যায় হিয়াৰ তলিত।" এক পলৰীয়া মনোবৃত্তিৰে, এক পৰাজিতা নায়িকাৰ ৰূপ লৈ তাই আতঁৰি যাব। সেয়ে তাই মানসিক প্ৰস্তুতি লৈ আগবাঢ়িল। এই প্ৰস্তুতি তাই পৰাজিত হোৱাৰ বাবে নহয়, জীৱনৰ লগত জীয়াই থকাৰ, জীৱন যুদ্ধত জয়ী হোৱাৰ।

সেয়ে দুলদাৰ লগত তাই কিছুদিনৰ পৰা এক অন্য ব্যৱহাৰ আৰম্ভ কৰি দিছে। তাই অভিনয় কৰিব লাগিব। তাই যে নিষ্ঠুৰ হবই লাগিব। তাই সম্পূৰ্ণ ছ'টা বছৰৰ বন্ধুত্ব, ভালপোৱা, শ্ৰদ্ধা সকলো নিঃশেষ কৰি জন্ম দিব এটি নতুন জীৱন। —দুলদাৰ বাবে।

এইয়া ছটা বছৰৰ আগৰ কথা। হঠাতে লগ পাইছিল দুলদা, কোনোবা এটা দিনৰ দীঘলীয়া ভ্ৰমণত। হাঁহি হাঁহি নানা কথাৰে চিনাকী হোৱা স্পষ্টবাদী যেন লগা লৰাটোক প্ৰথম চিনাকিতে তাইৰ ভাল লাগিছিল। তাই ভবা নাছিল যে সেই চিনাকিয়ে জীৱনত গভীৰ ছাপ পেলাব।

এইয়ে হ'ল চিনাকিৰ সূত্ৰপাত। এদিন দুদিনকৈ দিনবোৰ আগবাঢ়িল। দিনবোৰ লৈ মাহত ভৰি দিলে। মাহবোৰ বাগৰি বছৰত

ভৰি দিলে। আৰু বছৰেও বাগৰ সলালে। এইদৰে ছয়টি বছৰ কেতিয়া যে পাৰ হল তাই ভাৱিবই পৰা নাছিল। তাৰ মাজত যে কিমান ধুমুহা পাৰ হৈ গল তাই সেই কথা ভাবিবলৈও ভয় কৰে। তথাপি তাই আন দহজনী ছোৱালীৰ দৰে নহয়। তাই দৃঢ় মনৰ ছোৱালী। কেতুকা পাতৰ দৰে তাইৰ অন্তৰখন। বাহ্যিক হাঁহি ধেমালিৰ মাজত তাই আন্তৰিক দুখবোৰ ঢাকি ৰাখে। তাই ধৈৰ্য্যৰে, দৃঢ়তাৰে সেই সকলো ধুমুহা পাৰ কৰি নিত্য নতুন সমস্যাৰ সন্মুখীন হৈছে। তথাপি তাই কাকো প্ৰকাশ কৰা নাই। কেতিয়াবা তাই ভাবে,— মানুহে সমস্যা আৰু সংঘাতৰ সন্মুখীন হবলৈ শিকিব লাগে। নহলে গতানুগতিক জীৱনৰ মাদকতাই বা কত ?

এইয়াই হয়তো জীৱন। মাজে মাজে গীতাঞ্জলী দুলদাৰ এক দুৰ্বোধ্য সাঁথৰ যেন লাগিছিল। কাৰণ এনেই এজনী সৰু ছোৱালীৰ দৰে আকৰী গীতাঞ্জলীক কোনোবা সময়ত দুলদাৰ বুজিবলৈ বৰ টান লাগিছিল। তথাপি তাৰ ভাল লাগে, তাইযে কোনো দিন মিছা কথা নকয়। এবাৰ তাই খঙতে দুলদাৰ ফটোখন ফালি টুকুৰা কৰিছিল যেতিয়া দুলদাক অশ্ৰু সৰি পৰা দুটি সজল চকুৰে সৈতে দেখুৱায়, তেতিয়া মাথো দুলদাই সান্ত্বনাৰ সুৰত কয়— "মই বেয়া পোৱা নাই নহয়, তুমি যে সঁচা কথা কৈছা"। কেতিয়াবা মৰ্মাহত হৈ থকা দুখনি ওঁঠৰ মিচিকিয়া হাঁহি, নিৰ্বাক গম্ভীৰ চাৱনি, অশান্ত অবুজ মনৰ অভিমানী, গীতাঞ্জলীৰ অকৃত্ৰিম মৰমখিনি তাৰ খুউব ভাল লাগে।

কলেজীয়া ছাত্ৰী গীতা। যৌৱনৰ পৰশে উন্মনা কৰা এটি চঞ্চল মন। বহু সময়ত তাই ৰূঢ় নকৰি দুলদাক মগ কৰে। দুলদাৰ আন একো নাথাকিলেও আছে ওঁঠৰ আগতে লাগি থকা হাঁহিটোৰে সৈতে মাটিছাৰ্চৰ দৰে ৰূপটো। অৱশ্যে মানুহৰ ৰূপটোৱেই সৰ্বস্ব নহয়। বাহ্যিক ৰূপ সৌন্দৰ্য্যৰ মাজত যে এটা কদৰ্য্য ৰূপ লুকাই থাকিব পাৰে, সেইটোৰ ফালেও গীতাঞ্জলী সদায় সজাগ। কাৰণ বাহিৰটো অপৰিষ্কাৰ হলে, সহজে পৰিষ্কাৰ কৰিব পাৰি। প্ৰকৃততে যদি ভিতৰখন পৰিষ্কাৰ নহয়, সেইটো জানো সহজে পৰিষ্কাৰ কৰাটো সম্ভৱ ? ?

গীতা অথবা দুলদা দুয়োটাই খুউব ভালদৰে জানে যে দুয়োৰে জীৱনৰ বাট বেলেগ বেলেগ। সিহঁতৰ মাজত আছে জাতি-ভেদৰ প্ৰাচীৰ। উচ্চ-নীচৰ পাৰ্থক্য। তথাপিতো কিয় জানো দুয়ো দুয়োৰে পৰা আঁতৰি থাকিব নোখোজে। কিছুদিনৰ পৰা দুলদাই ভাবিছে কি কৰা ভাল হব ? কিন্তু দুলৰ হাত ভৰি যেন শিকলিৰে বন্ধা। সেই শিকলি চিঙি আহিব পৰা শক্তিয়ে তেওঁৰ নাই। সেয়ে এবাৰ এজন লৰাই গীতাক বিয়া কৰাব খোজা কথা কওঁতে দুলে এটা দীঘল হুমুনিয়াহ কাঢ়ি কৈছিল "মই তোমাৰ সদায় ভালটোৱেই বিচাৰো। গীতা মই তোমাক নিজৰো কৰি লব নোৱাৰো আৰু তুমি আনৰ হৈ যোৱাটোও সহ্য কৰিব নোৱাৰো। মই এটা কাপুৰুষ। তথাপি তুমি এদিন যাবই লাগিব। ই মোৰ অনুৰোধ।

মোৰ বাবে তুমি এইদৰে বৈ যাবা, সেইটো মই কেতিয়াও হ'বলৈ নিদিওঁ। এনেয়েটো তোমাৰ অন্তৰৰ অভিশাপখিনি মূৰ পাতি লৈছো। তোমাৰটো এটা সুকীয়া জীৱন আছে। কাৰণ তোমাৰ জীৱনটো ধ্বংস হোৱাটো মই নিবিচাৰো। মই মাত্ৰ বিচাৰো তোমাৰ সুখী জীৱন। তোমাৰ বোলেগৰ জগত বিয়া হলেও তোমাৰ প্ৰতি থকা মোৰ ভাল পোৱা চিৰদিন একেই থাকিব।

এদিন গীতাই গম পালে দুলদাৰ বিয়া। ঘৰৰ পৰা জোৰ কৰি পাতিছে। কাৰণ দুলদাৰ যথেষ্ঠ বয়স হৈছে। মাক-দেউতাকৰো এটা কৰ্ত্তব্য আছে ভৱিষ্যতৰ কথা চিন্তা কৰি উপযুক্ত বয়সত বিয়া পাতি দিয়াটো।

যেতিয়া দুলদাই গীতাক বিয়াৰ কাৰ্ডখন দিয়ে, তাই অতি ধৈৰ্য্যৰে হাঁহি হাঁহি কয়—"তুমি সুখী হোৱাটোৱেই কামনা কৰো দুলদা। পৃথিৱীৰ বুকুত প্ৰেমৰ বিকাশ চিৰ সত্য, বিধাতাৰ এটি নিবন্ধন। তুমি সুখী হোৱা দুলদা। মোৰ জীৱনত যদি ভগৱানে কিবা সুখ লিখিছিল, সেয়াও তোমাকে দিয়ে যেন। বেয়া নাপাবা, মই তোমাৰ বিয়ালৈ যাব নোৱাৰো। তোমাৰ বিয়াখনটো মই নিজ চকুৰে চাব নোৱাৰো। সোণালী শৈশৱ মোৰ, সেন্দুৰীয়া যৌৱন আৰু শেষত অস্ত বেলিৰ কিৰণে কঢ়িয়াই অনা মোৰ এই অস্থিৰ জীৱনত তুমি মাথো, তুমিয়েই হবা মোৰ স্মৃতিৰ সুমধুৰ ৰহন।

গীতাই বহুত কথা ভাবে। তাইৰ কাৰণেওটো তাই ঘৰৰ পৰা বহুত লৰা চাইছে। বহুতে বহুত কথা কৈছে। কিন্তু তাইৰ মতৰ পৰা তাইক কোনেও লৰচৰ কৰাব পৰা নাই। এৰা, তাতেই তাইৰ নিজস্বতা, ব্যক্তিত্বখিনি বজাই ৰাখিব পাৰিছে। তাই যে দৃঢ় প্ৰতিজ্ঞ। ধ্বংসৰ মাজতেই সৃষ্টিৰ পাতনি হয়। বহুতো বেদনাই প্ৰেৰণা যোগায়। সেয়ে তাই ভাবে—"মই নমৰো, বলেৰে সহ্য কৰিম, বুদ্ধিৰে ইন্দ্ৰিয় জয় কৰিম। চাম মোৰ ভাগ্যত কিমান যন্ত্ৰণা আছে। মই কিমান সহিব পাৰো।"

তাইও জানে শৰীৰ আৰু মনৰ মিলনেহে প্ৰকৃত মিলন। সেয়ে দুখৰ ক্ষণত বেদনাসিক্ত অশ্ৰুৰে, সুখৰ পলকত স্নিগ্ধ হাঁহি-টিৰে অনুৰাগ বিয়পাই দিয়া প্ৰতিশ্ৰুতিৰে গীতা-জনী আতৰি যাবগৈ দুলদাৰ জীৱনৰ পৰা। যাৰ কাৰণে হাজাৰ ধুমুহাৰ সন্মুখীন হলা, কঠোৰ সংঘাটতো ধৈৰ্য্যৰে জীয়াই থাকিলা, সেই দুলদাটোৰ পৰা আৰু তাৰ ঠাইত সম্পূৰ্ণ সন্মানৰ অধিকাৰী হৈ মাথো মাক-দেউতাকৰ কথা মতে তেওঁলোকে ঠিক কৰা কোনোবা এগৰাকী অচিনাকি গাভৰুৱে মূৰত ওৰণিলৈ দুলদাৰ সহধৰ্মিনী বুলি পৰিচিত হৈ পৰিব। এইয়ে হয়তো জীৱন। হৃদয়ত কোনোবা এজোখৰ ঠাইত যেন বৰ বেয়াকৈ বিষাইছে।

সেয়ে তাই যিটো বস্তু ইহ জনমত নাপালে, সেইটো তাই মৃত্যুৰ সিপাৰত পাবলৈ আশা নকৰে। সত্য আৰু সৌন্দৰ্য্যৰ মাজতেই তাই আনন্দ অনুভৱ কৰে। তাই নিজত্ব, ব্যক্তিত্বখিনি বজাই ৰাখিবলৈ দৃঢ়প্ৰতিজ্ঞ। তাইৰ হৃদয়ৰ কষ্টি শিলত মৰমৰ সোণালী আখৰেৰে মাথো লিখা আছে "দুলদা"। তাই মাথো সদায় ভাবে— আকাশখন যিমান গহীন অথচ তাৰ ওপৰতে কিমান বিজুলী, ৰৰষুণ, ব্ৰজ্ৰপাত, কিমান ক'লা ডাৱৰ মাৰ গৈছে, তথাপি আকাশখন সিমান অচল। মই জানো হব পাৰিম ?? ভগৱান তুমি যেন মোক শক্তি দিয়া। ●

# নিসংগতাৰ উপলব্ধি



শ্ৰীমতী অঞ্জলী সাউদ
স্নাতক ২য় বাৰ্ষিক

উৎপল চৌধুৰীৰ সমস্ত শৰীৰত কিছুমান উপসৰ্গ ই দেখা দিবলৈ আৰম্ভ কৰিছে। কেতিয়াবা সন্ধ্যাবেলাৰ অবুজ দুখ হৈ নামি আহি আহে হালধীয়া পখী। কেতিয়াবা মাজ-নিশাৰ অসহ্য বেদনা হৈ নামি আহে বিষাদ ৰাগিনী!!

গভীৰ সমস্যাত পৰি উপায় বিহীন হৈ পৰা মানুহৰ দৰে উৎপল চৌধুৰীয়ে কোঠা-টোৰ ভিতৰতে তিনি পাক মান ঘূৰিলে। গভীৰ আবেগ, বেদনা আৰু অনুসূচনাৰে মানুহ-জন ভৰি পৰিল। কাম কৰা ল'ৰা মন্টুৰে ঘৰখন সুন্দৰকৈ সজাইছে যদিও একোতে যেন সজীৱতা নাই। গভীৰ নিজ নতাই কোঠাটোক আন্ধাৰ কৰিহে তুলিলে। অস্থিৰ হৈ পৰিল তেওঁ। অজস্ৰ পৰিমাণৰ সম্পত্তিৰ মালিক চৌধুৰীৰ কাষত আজি নিজৰ একেবাৰে আপোন বুলিবলৈ কোনোৱে নাই। জীৱনত তেওঁ কোনোদিনে ইমান নিসংগ হৈ পোৱা নাই। অজানিতে গাটো শিয়ৰি উঠিল। ঘৰখন আৰু অজস্ৰ ধন সম্পত্তিয়ে তেওঁক নিজকে গিলি পেলোৱা যেন লাগিল।

নগৰৰ মাজমজিয়াতে থকা সুসজ্জিত এই তিনি মহলীয়া ঘৰটোৰ তলৰ মহলাত নিসংগতাৰ বেদনাত এতিয়া এই আবেলি পৰত উৎপল চৌধুৰীয়ে ছট্ ফটাই আছে।

সুপ্ৰতিষ্ঠিত ধনী ব্যৱসায়ী উৎপল চৌধুৰীৰ একমাত্ৰ জীয়েক অৰুণাৰ আজি চাৰিদিনৰ আগতে বিয়া হৈ গৈছে। একমাত্ৰ পুত্ৰও ব্যৱসায়ৰ খাতিৰতে প্ৰায়ে বাহিৰতে থাকে। মৰমৰ পত্নী মীনাৰো প্ৰায় এবছৰৰ আগতেই মৃত্যু ঘটিছে। তথাপি কিছুদিনৰ আগলৈকে তেওঁ ব্যৱসায়ত ব্যস্ত আছিল বাবে

আৰু অৰুণাৰ উপস্থিতিয়ে এই নিসংগতাক উপলব্ধি কৰাৰ নোৱাৰিছিল। মাথো চিন্তা আছিল কেৱল টকাৰ মাজত। কেনেকৈ আৰু অলপ কৰিব পাৰি। কিন্তু এতিয়া বয়স বাঢ়িছে বাবে পুতেকক সকলোবোৰ দায়িত্ব দি দিলে। কৰ্মব্যস্ত জীৱনত চৌধুৰীয়ে নিজৰ সমপৰ্য্যায়ৰ লোক কেইজনৰ বাদে কোনো মানুহৰে লগত বেছি হলি-গলি কথা-বতৰা বথা নাছিল। কিন্তু আজিৰ এই নিঃসহায় অৱস্থাত তেওঁলোক এজনো তেওঁৰ ওচৰলৈ অহা নাই কিয়? বোধহয় তেওঁলোক এতিয়া টকাৰ চিন্তাত।

আজি দুপৰীয়া পুতেক দিল্লীলৈ গৈছে। তিনিদিনৰ পাছত আহিব। কিন্তু এতিয়া তেওঁ যে এটা মুহূৰ্তও শান্তিৰে ঘৰত থাকিব পৰা নাই। ভীষণ আবেগেৰে জৰ্জৰিত হৈ চৌধুৰী কোঠাটোৰ পৰা বাহিৰৰ বাৰাণ্ডালৈ ওলাই আহিল। চকী এখনত বহিল। গেটখনেদি ৰাস্তালৈ চালে— অজস্ৰ মানুহ। নিজকে অলপ সংযত কৰি ললে তেওঁ। নিজৰ ঘৰটোৰ ওপৰৰ কেইমহলাতো ভাড়াৰ মানুহ। অথচ তেওঁ ইমান নিসংগ। আত্মীয়তাৰে বান্ধ খোৱা কোনো মানুহেই আজি তেওঁৰ কাষলৈ নাহে। নিজকে তেওঁৰ বোৱা যেন লাগিল। ইমানবোৰ টকাৰ তেওঁৰ কোনো প্ৰয়োজনেই নাছিল নেকি? ঘৰটোৰ চাৰিওফালে বেৰি থকাকৈ এই ওখ দেৱালখনো নিদিয়া হ'লেই ভাল আছিল বোধহয় আৰু বহুত মানুহ দেখিলেহেঁতেন। গেটখনৰ ফাকেদি দেখা প্ৰতিজন মানুহকে তেওঁ লক্ষ্য কৰিলে। বিলাসী ভাৱে দামী গাড়ীৰ ভিতৰত যোৱা প্ৰতিজন মানুহলৈকে আজি চৌধুৰীৰ কিবা এক ঘৃণা উপজিল। ভিতৰত যিকোনো উপায়ে কেৱল ধন ঘটা এটা যন্ত্ৰ সোমাই যোৱা যেন লাগিল। তাৰ পাছত অজস্ৰ গাড়ীৰ মাজতে হঠাৎ এটা ৰঙা যোগচিন থকা এম্বুলেঞ্চ দেখিলে। বোধহয় তেজক পানী কৰি জীৱন নিৰ্বাহ কৰা কোনো মৃত্যুমুখী লোক তাত সোমাই গৈছে। চৌধুৰীয়ে ভাবিলে— এইজন মানুহৰ কাষত নিশ্চয় বহুত মানুহ আছে। তেওঁ নিশ্চয় শাৰিৰীক কষ্ট অনুভৱ কৰিছে যদিও নিঃসংগতাৰ যন্ত্ৰনা পোৱা নাই।

চৌধুৰীৰ মনৰ আশান্তি আকৌ বাঢ়িল। সন্মুখৰ ফুলনিখনলৈ চালে। নিৰ্জীৱ পদাৰ্থৰ দৰে লাগিল। ইমান অহৰহ ভাৱে কোলাহলৰ মাজত থকা মাটিত ইয়াতকৈ আৰু কি ভাল ফুল ফুলিব পাৰে? ইতিমধ্যে বেলি পৰি আহিছিল। কোঠালৈ সোমাবলৈ তেওঁৰ মন নগ'ল। মণ্টুৰো কথা পাতিবলৈ সময় নাই। চৌধুৰীয়ে অনুভৱ কৰিলে— সি নিজৰ পুতেক হোৱা হলেই ভাল আছিল। আৰু অৰুণাজনীকো বিয়া নিদিয়া হ'লেই ভাল আছিল নেকি? নাই নাই। ভাবিলেই তেওঁৰ অশান্তি বাঢ়ি যায়। কিন্তু নিজৰ একমাত্ৰ পুত্ৰও যে তেওঁৰ পথেৰে যাত্ৰী। এইবাৰ এইবোৰ ভাবি হৃদয়ৰ উত্তেজনা আৰু কমাব নোৱাৰিলে। সি অহাৰ পাছত উচ্চ শিক্ষিত পুতেকক ব্যৱসায় বাদ দি সৰু চাকৰি এটাকে বিচাৰিবলৈ কব। অন্ততঃ এই ঠাইৰ বহুত মানুহৰ লগত সি চিনাকী হ'ব পাৰিব।

প্ৰায় সন্ধ্যা সময় হৈ গৈছে। কোঠাৰ

ভিতৰত সোমাই টি ভিত চিনেমা আদি চাবলৈও তেওঁৰ ভয় লাগিল। মনত মাথো ভাহি উঠিল দিনত দেখা ৰঙা যোগচিনটো। ফুটপাথবাসী, ভঙা পজাৰ মানুহক সঁচাকৈয়ে এই চিনে শান্তি দিব পাৰেনে ? অজস্র টকাৰ ভাণ্ডাৰটো তেওঁৰ সিহঁতৰ হাতত দি দিবলৈ মন গ'ল। কোনো দিন এই মানুহখিনিৰ খবৰ নৰখা চৌধুৰীৰ আজি সেইখন পৃথিৱীৰ মানুহৰ প্ৰতি অজানিতে স্নেহ জাগি উঠিল।

চকীৰ পৰা তেওঁ থিয় হ'ল। মৰমৰ পত্নী মীনালৈ বৰকৈ মনত পৰিল। মীনাই এই সময়ত সদায় ভগৱানক উদ্দেশ্যে প্ৰাৰ্থনা কৰিছিল। আছুতীয়াকৈ এটা কোঠাত ভগৱানৰ মূৰ্ত্তি স্থাপন কৰি প্ৰতি সন্ধ্যাতে চাকি ধূপ জ্বলাইছিল। মাকৰ মৃত্যুৰ পাছত অৰুণাইও এই ধাৰাবাহিকতা ৰক্ষা কৰি আহিছিল। এই কেইদিনো বিয়াৰ বাবে অহা চৌধুৰীৰ বায়েকে সন্ধ্যা এই চাকি জ্বলাই ৰাখিছিল। কিন্তু আজি ? মন্টুৰ বোধহয় কোনো দিনে ভগৱানৰ কথা ভাবিবলৈ প্ৰয়োজন হোৱা নাছিল। লাহে লাহে যন্ত্ৰৰ দৰে গৈ চৌধুৰী গাধুৰা ঘৰ পালেগৈ। ভৰি হাত ধুই গোঁসাই ঘৰত সোমাই পৰিল। আন্ধাৰতে গৈ তেওঁ নিজ হাতে চাকি ধূপ জ্বলাই দিলে আৰু প্ৰণাম জনালে। অজান ভয়ে তেওঁৰ হৃদয় কপাই তুলিলে। এনে লাগিল ভগৱানে যেন তেওঁক কোনোদিনে ক্ষমা নকৰে। চকুৰ পানী নিগৰি গ'ল। মনৰ ভিতৰতে কলে— তোমাক সদায় মানি চলা মোৰ মীনাক কিয় লৈ গ'লা।

ইতিমধ্যে চাহ খাবৰ বাবে বিচাৰি মন্টুৱে চৌধুৰীক গোঁসাই ঘৰত দেখি আচৰিত হ'ল। তাৰ চৌধুৰীক এজন নতুন মানুহ যেন লাগিল। সি আঁতৰি গ'ল।

কিছু সময়ৰ পাছত চকুৰ পানীখিনি মচি চৌধুৰীয়ে তাৰ পৰা ওলাই আহিল আৰু নিজৰ কোঠাত সোমাল। কোঠাটোত শক্তিশালী পোহৰৰ বাল্ব জ্বলি আছিল। আচলতে তেওঁক এতিয়া ইমানখিনি পোহৰৰ প্ৰয়োজনেই নাছিল। মাথো এতিয়া গৈ পাকঘৰত থকা মন্টুৰ কাষত থিয় হ'ব পাৰিলেই তেওঁ অলপ শান্তি পাব। ●






প্ৰবক্তা এখুদি দুৱৰা

অসমীয়া বিভাগ


"হেল'! ..... হেল'! ...... হেল'!— মই অতনুৱে কৈছো, ...... দেউতা— তোমাৰ ঘৰত আছেনেকি ? অ! হয় দেউতা। কি কৈছা নাই...... নাই ... ..."। হে হৰি বুলি অতনুৱে ফোনটো থৈ দিলে। সিফালৰ পৰা ভায়েক অচিন্ত্যই কিবা কৈছিল যদিও অতনুৰ শুনিবলৈ ধৈৰ্য্য নহ'ল। কোঠাৰ পৰা বিমৰ্ষ মনেৰে ওলাই আহি বাৰাণ্ডাৰ আৰামি চকিখনতে অলস ভাবে গাটো পেলাই দি আকাশ-পাতাল ভাবিবলৈ ধৰিলে খ্যাতনামা ব্যৱসায়ী অতনু বৰুৱাই। চাহ একাপ লৈ চুচুক-চামাক কৈ পত্নী বিভা আহি অতনুৰ কাষতে থকা টেবুলখনত চাহ কাপ থৈ অবাক অভিব্যক্তি প্ৰকাশ কৰি অনতি দূৰতে বহি পৰিল। বিভাই কিবা সোধাৰ আগতেই অতনুৱে সুধিলে— "মা ক'লৈ গ'ল" ?

"আছে ঘৰতে। শাক বাচিছিল— এতিয়া চাহ খাবলৈ দি আহিছো"। অলপ সাহ পাই বিভাই সুধিলে— "তুমি এতিয়া কালৈ ফোন কৰিছিলা"। "অচিন্ত্যলৈ"। অতনুৰ অত্যন্ত গহীন আৰু চিন্তাক্লিষ্ট' মুখখনলৈ চাই বিভাৰ আৰু বেছি কথা সোধাৰ সাহ নহ'ল। যদিওবা তেওঁৰ মনত অলেখ প্ৰশ্নই হেতা-ওপৰা লগাই আছিল আৰু ভাবিছিল তাইৰ স্বামী অতনু আহিলেই মনৰ মাজত উদয় হোৱা প্ৰশ্নবোৰ সুধি চাব।

চাহ কাপ একে সোহাই শেষ কৰি পত্নীক বিশেষ কথা সুধিবলৈ সুবিধা নিদি কোঁ-কোঁ কৈ বাৰাণ্ডাৰ চিৰিয়েদি নামি গৈ ৰাজদূতখন লৈ ওলাই গ'ল। ভয়, শঙ্কা, দুখ আটাইবোৰ লগ লাগি কুণ্ডলি পকাই বিভাৰ মনৰ আকাশত বা-মাৰলিৰ সৃষ্টি কৰিলে। যোৱা দুদিন দেউতাকৰ কথাটো জনাৰে পৰা অতনু এজন অন্য মানুহ হৈ পৰিছে। তাই অনেক চেষ্টা কৰিও অতনুৰ মনৰ ওচৰ

াপিব পৰা নাই। নিজৰ আপোন বুলিবলৈ ৰথনত আছে মাত্ৰ তিনিটি প্ৰাণী। অতনু, াক সাদৰী আৰু বোৱাৰী বিভা। তিনিও নেই চিন্তাৰ সাগৰত ওপঙি ফুৰিছে নিজৰ নৰ গতি পথেৰেহে। কোনেও কাৰো লগত দেউতাক সম্পৰ্কীয় কথাৰ বিনিময় কৰা নাই। তিনিওজনৰ মাজত যোগসূত্ৰ ৰক্ষা কৰি আছে বনকৰা লৰা মধুৱেহে। অৱশ্যে মাজে সময়ে শাহু বোৱাৰীৰ মাজত কথা কটাকটি হৈছে কিন্তু অতনুৰ সাক্ষাতত নহয়। এই কেইদিন তাই অপৰাধ বোধত ভুগিছে। কাৰণ যোৱা চাৰিদিন ব্যৱসায়ৰ কামত অতনু ঘৰৰ পৰা আতৰি আছিল। এই সময়তে সিহঁতৰ ঘৰত অবাঞ্ছিত ঘটনাটো ঘটিল।

অতনুৱে ঘৰলৈ ঘূৰি আহোতে বাটত কোনোবা বন্ধুৰ পৰা ঘটনাটোৰ সম্ভেদ পালে। ঘৰলৈ আহি পোনে পোনে অতনুৱে দেউতাকৰ শোৱা কোঠাত সোমাই দেউতাকৰ সদায় ব্যৱহাৰ্য্য বস্তুবোৰ খিৰিকি-বিদাৰি ফুৰিবলৈ ধৰিলে। 'অফিচিয়েল' কাগজ পত্ৰ থোৱা আলমাৰিটোৰ কাষতে আছে দেউতাকৰ কাপোৰ থোৱা আলনা-ডাল, 'চেক্রেটৰীয়েট' টেবুলখন আৰু চকিখন। 'টিপয়খন'ৰ ওপৰত সদাই থকাৰ দৰে 'ট্ৰেন-জিষ্টৰ'টো আজিও আছে, 'এচট্ৰেটো' আছে। নাই মাথোন দেউতাক। এই গোটেই বস্তুবোৰৰ মাজত সি যেন দেউতাকৰ অস্তিত্ব অনুভৱ কৰিছে। লাহে লাহে সি আলনাডালৰ ওচৰলৈ গ'ল, এমাহমানৰ আগতে সিয়েই আনি দিয়া 'টেৰিকটৰ' বগা কামিজটো হাতত তুলি লৈ সুঙি চালে। কামিজটোত লাগি থকা দেউতা-কৰ শৰীৰৰ গোন্ধটো তাৰ গোটেই শৰীৰত বিয়পি পৰিল। কিবা বেজাৰ এটাই তাক বুকুত খুন্দামাৰি ধৰিলে। পুনৰ বেজাৰ গৈ খঙত পৰিণত হ'ল। সি ভাবে— খং সি কাৰ ওপৰত কৰিব। মাকৰ ওপৰত নে? তাৰ পত্নীৰ ওপৰত? নে দেউতাকৰ ওপৰত? সি কোনো স্থিৰ সিদ্ধান্ত কৰিব পৰা নাই। তাৰ মূৰটো ঘূৰোৱা যেন লাগিল। সি দেউতাকৰ বিচনাখনতে লাহেকৈ বহি দিলে। তাৰ মনত পৰাবে পৰা দেউতাকৰ কথাবোৰ এটা এটাকৈ ছবিৰ দৰে মনৰ পৰ্দাত ভাহি উঠিল।

তাৰ মনত পৰিল দেউতাকৰ ডেকা কালৰ কথা। ঠিক ৩৬/৩৭ বছৰ বয়সৰ কথা। দেউতাকৰ গাড়ীখন আহি পদুলি মুখ পোৱাৰ লগে লগে ঘৰৰ ঘৰোৱাহঁত সচেতন হৈ পৰে। সিহঁতৰ ঘৰৰ মানুহবোৰ ঘড়ীৰ কাটা হয়। বৰপুত্ৰ দেউতাকৰ কথা শিলৰ ৰেখা, তাক মোহাৰিবৰ মানসিকতা কাৰো নাই। ঘৰৰ সৰ্ব্বময় কৰ্ত্তা হ'ল দেউতাক, ঘৰ চলো-ৱাৰ দায়িত্ব, যৌথ পৰিয়ালৰ সমুদায় খৰছৰ দায়িত্ব তেখেতৰ। অভাৱ কথাটো সিহঁতৰ ঘৰৰ দিন-পঞ্জীত দেউতাকে স্থান দিয়া নাই। অতিশয় নীতি পৰায়ণ সমদৰ্শী মানুহ। কিন্তু খঙতো তেখেতৰ ওলমি থকা মোঁৱাহঁৰ দৰে, সেই বুলি ঘৰৰ নীতি শৃংখলা ভঙ্গ নকৰিলে কাকো একো নকয়। নিজ নিজ কক্ষ পথেদি পৰিয়ালৰ লোকসকলৰ আবৰ্তন তেওঁ বিচাৰে। কক্ষচ্যুতৰ কথাই নাই, অলপ- ছুৰিক-বিৰিক হলেই তেওঁৰ খঙে ঘৰত কুৰুক্ষেত্ৰৰ সৃষ্টি

কৰে। সেয়েহে তেখেতৰ অসাক্ষাতে ভায়েক হ'তে কৌতুক কৰে "এটম বোম' 'বাৰ্ষ্ট'— হবলৈ সুবিধা দিব নোৱাৰি"। তেখেতৰ এহাতে থাকে শাসনৰ বাঘজৰি, আনহাতে থাকে কুসুম কোমল চেনেহৰ জৰী।

অতনুৰে ভাবে সময়ৰ কি পৰিহাস। জীৱনক প্ৰকৃত অৰ্থত জীৱন হিচাবে প্ৰত্যাহ্বান জনোৱা সুদক্ষ, কঠোৰ, পৰিশ্ৰমী, স্পষ্টবাদী এই মানুহজনৰ পলায়নবাদী ভুমিকা জীৱনৰ ব্যতিক্ৰম নহয়নো? তাৰ দৰে এটা উপযুক্ত পুত্ৰৰ হাতত ঘৰৰ সমস্ত দায়িত্ব দিয়াৰ পাছত সি ভাবিছিল দেউতাক এতিয়া সুখী তৃপ্ত। দেউতাকে তাক ঘৰৰ সমস্ত দায়িত্ব দিয়াৰ পাছত মুকলি মনেৰে ভাৰত দৰ্শন বা তীৰ্থ ভ্ৰমণৰ কথা তাক কোৱা হ'লে সকলো যা-যোগাৰ কৰি দি সি কিমান আনন্দিত হ'লহেতেন। অৱশ্যে পোনপটীয়া ভাবে দেউতাকে ঘৰৰ দায়িত্ব তাৰ ওপৰত দিয়া নাই। স্বয়ংক্ৰিয় ভাবেই ঘৰৰ সকলো দায়িত্ব তাৰ কান্ধত উলমিল আৰু দেউতাক মুক্ত হৈ গ'ল। কিমান স্বাভাবিক কিমান গতানুগতিক। কিন্তু দেউতাক কিয় ব্যতিক্ৰম হ'ল। 'পৰশু বৰুৱা' —যাৰ নামত 'বাঘে ছাগে' একে ঘাটে পানী খাইছিল যাৰ ঘৰৰ প্ৰাচীন ঐতিহ্য সকলোৰে ঈৰ্ষাৰ বস্তু আছিল সেই ঐতিহ্য, পৰম্পৰা দেউতাকে ধুলিস্যাৎ কৰাৰ অৰ্থ কি থাকিব পাৰে। ভাবি ভাবি সি আৰু ভাবিবলৈ এৰি দিয়ে।

পুতেকক নেদেখি আৰু সাদৰীয়ে বোৱাৰীয়েকৰ ওপৰতে সকলো দোষৰ ভাৰ জাপি দি ভোৰ ভোৰাই কয়— "লৰাটোৱে কালিৰ পৰা মুখত ভাত এটা দিয়া নাই; দেউতাক ঘৰৰ পৰা আতৰিলেই, মনো কোন মুহূৰ্তৰ ঘৰ এৰিব লগা হয় কোনে জানে"। শাহুৱেকৰ কথা শুনি বিভাৰ হিয়াখন দুখে চেপি খুন্দি আনিলে। "পুতেক নোখোৱাকৈ থকা, "শহুৰেক নিৰুদ্দেশ হোৱা' এই আটাইবোৰ ঘটনাৰ বাবে যেন বোৱাৰীজনীহে দায়ী। পুতেকৰ ভালকৈ মাত বোল কৰা নাই, শাহুয়েকৰ কথাবোৰ কিবা লেঠিয়া-লেঠি। অথচ ঘৰখনৰ সকলোৰে ভালৰ কাৰণে তাই চিন্তাই যে কৰি আহিছে এনে নহয় ত্যাগো কৰিছে যথেষ্ট। ঘৰৰ কাৰোবাৰ বেমাৰ হ'লে তাই নিজৰ সুখ সুবিধা সকলো ত্যাগ কৰি পৰিচৰ্য্যা কৰিছে। বেমাৰীৰ ওচৰত বহি থাকি মনটো আনন্দত ৰাখিবলৈ যত্ন কৰিছে। ইমান কষ্ট কৰা স্বত্তেও "যত দোষ নন্দ ঘোষ"ৰ দৰে তাইৰ ওপৰতেই দোষৰ বোজা জাপি দিয়া হৈছে। তাইৰ বৰ দুখ লাগিল। চিঞৰি চিঞৰি কান্দি দিবৰ মন গ'ল। তাই যেন লাহে লাহে নিজকে এখন অচিনাকী পৃথিবীৰ মানুহ যেন লাগিল। ঘৰখনৰ মৰমৰ চিনাকী মানুহবোৰ অচিনাকি যেন লগা হ'ল। তাই ভাবে—

"যাৰ কথা বাদেই দিলো থাক, অতনুৰেতো দেউতাৰ কথা কিবা এটা মোক সুধিব লাগিছিল। সন্ধাই খোৱা জলপানখিনিও নাখাই পৰোক্ষ ভাবে তেওঁ যেন মোকেই শাস্তি দিয়াৰহে ব্যৱস্থা কৰিছে। কিয়? কিয় বাৰু তেওঁ মোক এনে নিষ্ঠুৰ ব্যৱহাৰ কৰে। হৃদয়ৰ সমস্ত ভাল পোৱা মই জানো তেওঁকেই অৰ্পন কৰা নাই"।

এইবোৰ এশ এবুৰি ন-পুৰণি ঘটনাৰ স্মৃতি চাৰণত তাইৰ মন ভাৱাক্ৰান্ত হৈ পৰিল। অতনুৰ কথা ভাবি তাইৰ দুখো লাগিল। খোৱন নাই, শোৱন নাই, শান্তিৰে এখন্তেক বহিব পৰা নাই, কথা এষাৰ মনখুলি পাতিব পৰা নাই, মুখ শুকাই টেমিযেন হৈছে। মুখলৈ চালেই তাইৰ অন্তৰখন পুৰিবলৈ ধৰে। তাইৰ মনৰ অৱস্থা "আইলৈ চালেও দৰো বোপাইলৈ চালেও মৰো"।

ৰাতি ৯ মান বজাত 'চাইলেনচাৰৰ' চিনাকি উৎকট শব্দত তাই উচপ্ খাই উঠিল। মনতো অলপ ভাল লাগিল। অন্ততঃ অলপ সোনকালে অতনু ঘুৰি আহিল। অঁাৰ চকুৰে অতনুৰ মুখৰ অভিব্যক্তি নিৰীক্ষণ কৰি তাৰ মনটো বুজিবলৈ যত্ন কৰিলে। অতনুৱে অলপ চিঞৰিয়ে বিভাক ক'লে— "ভাত দিয়া, বৰ ভোক লাগিছে"। তাই তাৰ মুখলৈ চাই দেখিলে হঠাতেই অহা প্ৰবল বতাহে আকাশৰ চপৰা চপৰ ক'লা ডাৱৰবোৰ সিচঁৰিত কৰি দিলে যিদৰে আকাশ মুকলি হয় অতনুকো তেনেই যেনেই দেখা গ'ল। বিভাৰ মনটোও ফৰকাল লাগিল। ঠিক চোতালৰ আগৰ গোটাই থোৱা গছপাতবোৰ বতাহে উৰাই নিয়াৰ দৰে তাইৰ মনৰ সঞ্চিত দুখৰ বোজাতো অতনুৱে এষাৰ কথাই নাইকিয়া কৰি দিলে।

ভাত বাঢ়ি দিওঁতে অতনুৱে বিভাক হাঁহি হাঁহি ক'লে— "তোমাৰ মৰমৰ শহুৰেৰৰ কথা নুশুনা জানো? শুনা, মাকো মাতি আনা," বিভা— "ব্যস্ত নকৰিবাচোন। কি হৈছে আগতে মোক কোৱা।" অতনু— "দেউতাই পৰকালৰ প্ৰতিবন্ধক অতিৰিক্ত মোৰ-হাটৰ মাটিখিনি বেচি বানপ্ৰস্থ গ্ৰহন কৰাৰ প্ৰস্তুতিৰ বাবে বাবুল খুৰাৰ লগত মকামিলা কৰিছে।" "এইবোৰ কি কৈছা তুমি।" "যি শুনিছো তাকেই কৈছো।" "আৰু কোৱা শুনিছো লাহে লাহে তেখেতৰ আৰ্জিত সম্পত্তি সমুদায় বেচিব" তেওঁলোকৰ কথোপকথনৰ মাজতে মাক সাদৰী আহি উপস্থিত হ'ল, মাকে ৰাতিৰ প্ৰাৰ্থনা শেষ কৰি প্ৰশান্ত মনেৰে ওলাই আহি পুতেক বোৱাৰীয়েকৰ হাঁহি মুখ দেখি স্বস্তিৰ নিশ্বাস পেলালে। ঠিক অনা-বৃষ্টিৰ কবলত পৰি শুকাই যোৱা প্ৰকৃতিৰ শুকান পৰিবেশ মুষল ধাৰে অনা বৃষ্টিয়ে সজলি কৰি দিয়াৰ দৰেই মনতো তেওঁৰ আশাৰে সিক্ত হৈ পৰিল।

অতনুৱে মাকৰ আগত দেউতাকৰ বানপ্ৰস্থী মনোভাবৰ কথা বিবৰি ক'লে, কথা শুনি মাকে গহীন ভাবে উত্তৰ দিলে:— "মই আগতেই জানিছিলো আমাৰ ঘৰত এনে এটা ঘটনা সংঘটিত এদিন নহয় এদিন হবই হব।" "কেনেকৈ জানিলা মা।" আজীৱন প্ৰভুত্ব খটোৱা মানুহে অলসতা আৰু ৰিক্ততাৰে জীয়াই থাকিব নোখোজে। তাৰোপৰি তেওঁৰ বংশৰ বংশগতিৰ পৰা মই এনে ধৰণৰ কিবা এটা হোৱাৰ অনুমান কৰিছিলো।" আমাৰ বংশৰ বংশগতি? ক'তা আমিতো ককা পৰ্যন্ত ৰক্তৰাৰ বংশৰ দুৰ্ণাম ক'তো শুনা নাই," "কেনেকৈ শুনিবি! কেনেকৈ শুনিবি! ককাৰৰ বিপক্ষে মাত মাতোতা এই অঞ্চলত কোনো নাছিল। "ককাৰে লাও তল নিয়াই পিলে ওপৰাই"

দিলেও সকলোৱে তাকেই বিনা প্ৰতিবাদে মানি লয়। পৰন্তু বৰুৱাৰ হাতীয়ে বছৰত দহটা মানুহ মাৰে, তাৰ খবৰ চৰকাৰৰ ঘৰতেই পাচ বছৰৰ মূৰতহে পায়। এনে ক্ষেত্ৰত যদি কাবোবাৰ মুখ খোল খাই তেওঁৰ মুখ চিৰদিনৰ বাবেই বন্ধ হৈ যায়। কিন্তু দেউতাৰ এই ক্ষেত্ৰত কিছু হীনপ্ৰভ। তহঁতৰ বংশ গতিৰ উমান পাব পৰা কাহিনী এটা মই কওঁ শুন, যিটোৰ ফলত দেউতাব ককাৰতকৈ কিছু বেলেগ হৈ পৰিছিল।"

"মোৰ বিয়াৰ দুমাহৰ পাছৰ কথা। মই পাছু চোতালৰ নাদৰ পাৰলৈ যাওঁতে দেখিলো দুটা শকত আৱত ডেকা মানুহ সূৰ্য্য মুখীয়াকৈ গৰুৰ পঘাৰে তামোল গছত বান্ধি থৈছে। জেঠমহীয়া গাৰ ছাল দেই যোৱা ৰ'দত মানুহ দুটাব অৱস্থা বৰ্ণনাতীত। মই দৌৰি আহি আইক (আইতাৰক) ক'লোহি— "আই! আই! মানুহ দুটা কোনে বান্ধি থৈছে। হৰি! হৰি! কি সাংঘাতিক অমানৱীয় কাম"। মোৰ কথা শুনি আইতাৰে মোৰ মুখতে হাতেৰে টেপা মাৰি ধৰি ফুঁচ ফুচাই কলে, মনে মনে থাকা। তেনেকৈ নকুৰা দেউতাৰে শুনিলে তোমাৰ অৱস্থাও তেনেকুৱাই হব"। "কথা শুনি মই ভয়তে কপিবলৈ ধৰিলো। অচেতন হৈ মই আইৰ গাতে লুটি খাই পৰিলো। তেতিয়া মোৰ বয়স মুঠেই তেৰ বছৰ। পাচত আবেলি তিনিমান বজাত মোৰ সংজ্ঞা ঘূৰি আহিল। চকু মেলি চাই দেখো এজনী ছোৱালীয়ে মোক বিচি আছে। মই প্যাটী এটাত মোৰ কোঠাত শুই আছো। দেউতাৰে ওচৰতে চকি এখনত আমন-জিমনকৈ বহি আছে। এতিয়া ভাবি চাচোন! এইটো ঘটনাই ককাৰৰ চাৰিত্ৰিক বৈশিষ্ট্য সম্পৰ্কে কি প্ৰমাণ কৰে। তহঁতৰ বংশৰ পুৰুষৰ তেজত ভুৱা আভিজাত্য ভেশ, আত্মগৰ্ব্বিতা, পাশবিকতা লগতে নিজকে বিশেষ শ্ৰেণীৰ লোক বুলি ভৰা মানসিক ব্যাধি আছে। এইটোও লগতে কব পাৰি দুখীয়াৰ প্ৰতি তেওঁলোকৰ হাত সদায় খোলা আছিল। এনেকুৱা বহু ঘটনাৰ কথা মই জানো। অৱশ্যে দেউতাৰ কিছু ব্যতিক্ৰম। শিক্ষা, যুগৰ প্ৰভাৱ আৰু মোৰ পঞ্চাছ বছৰীয়া জীৱনৰ ত্যাগে তেখেতক এই বংশৰ এজন নতুন মানুহ ৰূপে গঢ়ি তুলিলে। হয়তো গতি সম্পূৰ্ণ সলনি নহ'ল। সেয়েহে একো কৰিব নোৱাৰি আত্মঘাতি পথ বাচি লৈছে। এতিয়া ওলা! আমি তেখেতক ঘৰলৈ লৈ আহোগৈ। মোৰ পৰামৰ্শ নিশ্চয় কামত আহিব"। বুলি কৈ তেওঁলোক যাবৰ বাবে প্ৰস্তুত হ'ল।

পৰম্পৰাৰ চাকনৈয়াত পাক ঘূৰণি খাই খাই প্ৰবৃত্তিৰ অবদমনৰ হেচাত হয়তো একো কৰিব নোৱাৰি পলায়নবাদী মনোভাব লোৱাটো একো আচৰিত নহয়। মনৰ ভাৰসাম্য ৰাখিব নোৱাৰিলে দেউতা হয়তো পাগল হৈ যাব পাৰে বুলি ভাবি অতনুৱে দীঘল হুমুনিয়াহ এটা এৰি দিলে। গেঁৰেজৰ পৰা গাড়ীখন উলিয়াই মাক আৰু পত্নীক লৈ যোৰহাটলৈ যাত্ৰা আৰম্ভ কৰিলে। আবেলি চাৰিমান বজাত তেওঁলোক বাবুল বৰুৱাৰ (খুৰাক) ঘৰ পালেগৈ। দেউতাক পৰমানন্দ বৰুৱাক শুই থকা অৱস্থাতে পালেগৈ। তেওঁলোক সোমাই গৈ দেউতাকৰ

ওচৰতে বহিল । সিহঁতক দেখি দেউতাকে মুখখন ঘূৰাই দিলে । বোৱাৰী বিভাই দেউতা বুলি মাতি দেউতাকৰ ভৰিত ধৰি সেৱা এটা জনালে । ওচৰতে বহি সুধিলে— "দেউতা ! আপোনাৰ গা ভাল নহয় নেকি ? ভৰিখন দেখোন বৰ গৰম" বুলি কৈ পিটিকি দিলে। বৃদ্ধ পৰমানন্দ বৰুৱাই বোৱাৰীয়েকৰ কথাৰ উত্তৰ দিব নোৱাৰি ইকাটি হৈ শুলে মাত্ৰ। অতনুৱে সুবিধা বুজি কলে,— "দেউতা ! আপুনি ঘৰত নোহোৱাত মোৰ কাৰবাৰৰ লোকচান হৈছে। আপুনি জীয়াই থাকোতেই আমি দৰিদ্ৰৰ লাওলোটা লব লাগিব যেন পাইছো। আপোনাৰ অনুপস্থিতিৰ সুযোগ লৈ প্ৰতিবেশীবোৰে আমাক ধ্বংস কৰিবলৈ উঠি-পৰি লাগিছে"।

অতনুৰ কথা শুনি দেউতাক উচপ খাই উঠিল। ঘনে ঘনে মুখৰ ৰং সলনি হবলৈ ধৰিলে। মনতো সেমেকি আহিল। তেওঁ ভাবিলে "মোৰ অনুপস্থিতিত ইহঁতে ঘৰৰ আভিজাত্য বজাই ৰাখিব নোৱাৰিব। বুজা গ'ল মোৰ কৃতিত্বৰ আঁৰতহে ইহঁত মানুহ"। পৰমানন্দ বৰুৱা বিচনাত উঠি বহিল— প্ৰকাশ্যে কলে— "কি ক'লি ? কোনে আমাক ধ্বংস কৰে ? সেই কেলেহুৱা কিটাই, যি পুৰুষ পুৰুষ ধৰি মোৰ ঘৰত খাটি আহিছে"। মাকে দূৰত বহি দেউতাকৰ গতি বিধি লক্ষ্য কৰি আছিল। তেওঁ ভাবিলে ঔষধে কাম কৰিছে। তেওঁ বহাৰ পৰা উঠি আহি স্বামীৰ কাষতে বিচনাত বহিল। কিন্তু মুখেৰে এষাৰো মাত নামাতিলে। তেওঁৰ নিৰ্ব্বাক উপস্থিতিয়ে যেন গোটেই পৰিবেশটোৰ ওপৰত ক্ৰিয়া কৰি আছিল।

ঘপ্‌কৰে পৰমানন্দ বৰুৱা ঠিয় হ'ল। অতনুক সুধিলে— "অতনু, গাড়ী আনিছনে কি ?" "আনিছো দেউতা।" "তেনেহলে যাওঁগৈ ব'ল, সৌৱা ঘড়ীত পাঁচ বাজিলেই। খুৰীয়েৰ ঘৰত নাই। চাহ আমি পেৰেডাইজতে খাই লম।"

কথা শুনি— এখন আকস্মিক নাটৰ অভিনয় দেখি বাবুল থৰ লাগিল। ডবাপিতা বৰষুণ অহাৰ আগতে ডাঙৰ ডাঙৰ টোপা টোপে পৰা বৰষুণৰ দৰে বাবুলৰ মুখৰ পৰা সৰি পৰিল কেইটামান শব্দ— "ককাইদেউ, দলিলখন ?" নালাগে নালাগে, সেইবোৰ বাদ দিছো। দলিলতকৈ এতিয়া মোৰ ঘৰত থকাৰ প্ৰয়োজন বেছি হৈছে।" সুৰ-মুৰকৈ আটাই কেইজন ওলাই আহি গাড়ীৰ ওচৰ পালেহি। দুৱাৰ মুখত এটা গম্বুজৰ দৰে বাবুল ঠিয় হৈ থাকিল।

অতনুৱে গাড়ী ষ্টাৰ্ট দিয়াৰ আগতে আকাশলৈ চাই ভাবিলে— "আজি সম্ভৱ পূৰ্ণিমা, গাড়ী চলাই ভালেই লাগিব।" ●





# মই গেটৰ বাহিৰত

● ৰীতা দত্ত
স্নাতক ৩য় বাৰ্ষিক

লুটিয়াই আছিলো ফাইল এটা। হালধীয়া কভাৰটো। ফাইলটো পথালিকৈ বান্ধি থোৱা ৰচীডাল ভৰি দুটাৰ কাষতে পৰি আছিল। ফাইলটো বন্ধ হৈ থকা অৱস্থাত চালে তাত যেন অতি মূল্যবান কাগজ-পত্ৰহে আছে এনে লাগিব। কিন্তু তাত কি আছে— তাক একমাত্ৰ মোৰ বাদে আন কোনেও এই কথা নাজানে। শাওণ/ভাদ মাহ হ'ব। জাকে জাকে চিপ্‌-চিপিয়া বৰষুণ। বাহিৰলৈ ওলোৱাৰ প্ৰশ্নই নুঠে। তাতে ফেৰফেৰীয়া বতাহ। গাত কাপোৰ লৈ শুই থকাৰ বতৰ। পুৱাতেই হ'কাৰটোৱে বাৰান্দাতে পেলাই যোৱা বাতৰি কাকতখন দাদাৰ কোঠাতে আছে নেকি! ফাইলটো থকা ঠাইতে এৰি দাদাৰ কোঠালৈ সোমাই গ'লো। কাষতে সি শুনাকৈ টেপ্‌-টোত পাশ্চাত্য সংগীত বজাই নাকেৰে ঘূৰঘুৰাই সিও শুই আছে ডানলপৰ উম লৈ। সাৰে আছো মাত্ৰ মই। ইমান বতাহতো যেন মোৰ উশাহ ল'বৰ জোখাৰে বতাহৰ অভাৱ হৈছে! দেউতা আৰু মাৰ দৰে মোৰ তথা দাদাৰ কোঠাও আচুতীয়া। তেখেতসকলক মই নাই দেখা যদিও জানিছো— মায়ে চাগে' বৰুৱানীৰ ঘৰত কথাৰ মহলা মাৰিছেগৈ বা দেউতাই দামী চোফাৰ মাজত কমদামী মনটো সোমো-ৱাই নিজৰ কোঠাত টকাৰ হিচাপ কৰি আছে। হাতত কিবাকিবি এপদ-দুপদ বস্তু লৈ তেওঁৰ কোঠালৈ অহা মানুহহো জানো গননা কৰা সহজ ?

লুটিয়াই আছিলো ফাইলটো। খিড়িকীৰে ফেৰ্‌ফেৰীয়া বতাহজাক সোমাই মই আঁকি ওলোমাই থোৱা ছবি কেইখন কঁপাই তুলিছিল কঁপাই দিছিল মোৰ কপালৰ আগৰ চুলি

কেইডাল'। ইমান ঠাণ্ডাতো মই ঘামিছিলো নেকি! বতাহজাক ঘামত যেন লাগি ধৰিছিল, মই কঁপিছিলো কিজানি। ফটো কেইখন লৰোতে মোৰ ফাইলৰ মাজত থকা পাতবোৰ লুটিয়াওঁতে হোৱা শব্দবোৰৰ দবেই খৰ্ মৰ্ কৰিছিল। আকাশখন গোমা। ভৰ দুপৰীয়া, তাতে পাৰ' চৰাই কেইটাই কণ দি পৰিবেশটো ভাৱিব নোৱাৰাকৈ গহীন কৰি দিছিল।

ফাইলটোৰ বাহিৰখন দেখি যি ধাৰণা হয়, ভিতৰখন দেখিলে কেতিয়াও তেনে ধাৰণা নহয়, অৰ্থাৎ কৰিবই নোৱাৰি। এই উপমাটো যেন মোৰ ঘৰখনৰ লগতহে তুলনা কৰিব পাৰি। বিজাই চাবৰ মনো গৈছিল। কিন্তু সেই ভাৱবোৰৰ পৰা মনটো আনি গম আঠাৰ দবে ফাইলটোত জোৰকৈয়ে লগাই দিলো।

ঘৰখনৰ আটাইবোৰ পঢ়া-শুনা কৰা মানুহ হ'লেও ক'তো ফটা কাগজ এখিলাও পাবলৈ নাই। ঘৰখনত সৰু ল'ৰা ছোৱালী এটাও নাই। মোৰো পঢ়া-সামৰা প্ৰায় এবছৰেই হ'ল। সেয়ে মাজে মাজে বজৰুৱে ডাষ্টবিনৰ পৰা দুই এটুকুৰা কাগজ দিয়ে। বজৰু আমাৰ ঘৰৰ কাম কৰা ল'ৰা। কেতিয়াবা মোৰ চিগাৰেট বান্ধি অনা কাগজেৰেই মোৰ কাম চলি যায়।

ফাইলটো মেলিয়েই চকুত পৰা কাগজখিলা আছিল মোৰ চিগাৰেটৰ বাকলি। তাত লিখা আছিল কেইটামান টুকুৰা কবিতা। কিছুমান সংগ্ৰহ কৰা, কিছুমান স্ব-ৰচিত। কেতিয়া জানো লিখিছিলো। অসম আন্দোলনৰ সময়তে হ'বলা। আজিকালি ভাল নলগা হৈছে এই বিলাক। নিজে চৰকাৰ পাতিলো তেজ পানী কৰি দিলো— কিন্তু আজিলৈকেতো একোৱেই নেপালো? সেইখিলা লুটিয়াই দিলো। দ্বিতীয় খিলাত কোনোবা নাম নজনা কবিৰ কোনোবা কবিতাৰ এফাঁকি লিখা আছে:

"জীৱন মানেই আশা,
মৃত্যুৰ চকুতো জ্বলে জিজ্ঞাসা"— আকৌ

লুটিয়াই দিলো পাতখিলা। তাত হীৰেন ভট্টৰ কবিতা ফাঁকি আছিল: "দেশ বন্ধিলে আদেশ নেলাগে"... তৃতীয় পাতখিলাত মোৰ দুফাঁকি মান, সৰু সৰু কবিতা কেইটামান লিখা আছে:

"মোৰ কাপৰো কামোৰো মূৰ;
নিৰে ৰতিয়াই দুখৰ সুৰ;
নিগৰে নীৰৱে অভাৱ, অশ্ৰু, বিপ্লৱ আদি শব্দ কিছুমান,
মোৰ কাপৰ বুকু ভঙা গান।"

এনেদৰেই মগ্ন হৈ আছিলো।

বতাহত চিট্‌কানি নলগোৱা খিড়িকীৰ পাত এটা শব্দ কৰি হঠাৎ বন্ধ হৈ গ'ল। বন্ধ হ'ল মোৰ পাত লুটিওৱা কাম। মনৰ ভাৱবোৰে অন্য কেনিবা জাপলি মেলি দিলে। বন্ধ হ'ব খুজিলে মোৰ উৎসাহ। মই একেকোৰে ৰাহিৰ পালোহি। মোৰ বৰ খং উঠি গ'ল। কি হ'ব, কি হ'ব— এই কবিতাবোৰ লিখিলে? কি হ'ব, তৰুন, লাচিত, মণিৰাম, কনক, কুশলৰ ছবি আঁকিলে, কি হ'ব দেশপ্ৰেমৰ গীত গালে, কি হ'ব সৌ ভোকাতুৰ ল'ৰাটোক লৈ গীত লিখিলে, গল্প লিখিলে? "একো লাভ নাই, একো লাভ নাই, জয়ন্ত"

—মনে যেন চিঞৰি চিঞৰি মোক ক'লে— মই বাৰান্দাৰ পৰাও নামি আহিলো, যেন এইখন ঘৰত মোৰ বিপৰীতে ষড়যন্ত্ৰ চলিছে !!

মনটোৱে যেন বাৰে বাৰে সঁকিয়াই দিছে— "জয়ন্ত, বাহিৰৰ পৰা সকলো বস্তুৱেই সুন্দৰ। তাক ওচৰৰ পৰা চাবলৈ শিক। দূৰৈৰ পৰা পাহাৰটো কিমান মিহি, তাক ওচৰৰ পৰা চা, দূৰৈৰ পৰা সেউজীয়া পথাৰখন কেনে মনোৰম, তাক বোকাত অনুভৱ কৰ—। অট্টালিকাত থাকি তই ভোকাতুৰ শোকাতুৰ, নিৰাশ্ৰয়জনক বুজিব নোৱাৰ. জয়ন্ত, সাৱধান হ' জয়ন্ত— তই নিজকে নিজে ঠগিছ।" —এৰা, মইতো একো কৰা নাই কাৰোবে বাবে। গাড়ীৰে ফুৰিছো, মাছে-মঙহে খাইছো, ডানলপত শুইছো, নতুন চটাইলত পিন্ধিছো আৰু, আৰু ন্যায়ে-অন্যায়ে ধন ঘটি নিজকে ধনী বুলি গৰ্ব্ব কৰিছো। আৰু সুউচ্চ অট্টালিকাৰ পৰা কবিতা লিখি— কবি হৈছো, সন্মানিত হৈছো, পুৰস্কৃত হৈছো। এয়া, এয়া মোৰ অন্যায়।

মোৰ দেউতা এজন ডাঙৰ ডক্তৰ। নাম কৰা ডাক্তৰ। এই নাম সুকৰ্ম্মৰ বাবে নহয়। তেখেতে ৰোগী চায়। খোঁচ এটা মাৰিয়েই বিশ-ত্ৰিশ টকা ভিজিত লয়। তেওঁৰ উদ্দেশ্য ৰোগীক চোৱা-চিতা কৰা নহয়, টকা ঘটাহে। বাইজৰ সেৱা তেওঁৰ বাবে গৌণ, ধনহে মুখ্য। কিন্তু সেই যে কাবোবাৰ ঘৰৰ একমাত্ৰ ল'ৰাটো, যিটোৱে দামী পথ্য কিনাৰ অসামৰ্থ্যতাৰ বাবে আজি অতদিন হস্পিটেলত বগা পনীয়া টনিক অকণ খাই জীয়াতু ভুগিব লাগিছে। ইচ্ছা কৰিলে দেউতাই তাক ভাল কৰিব পাৰে, কিন্তু নকৰে। কাৰণ, সিহঁতৰ টকা নাই। গৰু ছাগলী, হাঁহ-পাৰ, বেচি যি টকা পায়, তাৰেই সিহঁতে ঘৰকে চলাবনে পুত্ৰেকক দামী পথ্যকে খুৱাব ? অথচ তেনে ঔষধ দেউতাৰ ফাৰ্মাচীত অনেক আছে।

মই আজি এবছৰে এইবিলাক লক্ষ্য কৰি আছো। এনেদৰে অন্যায়কৈ ঘটা টকাৰে মোক যে দেউতা-দাদায়ে খুৱাব নোৱাৰে— তাকো তেওঁলোকে বুজি গৈছে। তাৰ বাবেই মই সাহিত্য চৰ্চা কৰি কিতাপ লিখি উপাৰ্জন কৰো। কিন্তু কাৰ্য্যতঃ কৰোতে দেউতাই কৈছিল ঃ

—'দেউতা, আপোনাৰ টকাৰ জানো অভাব আছে ? সেই ৰোগীয়া ল'ৰাটোক আপুনি বিনা টকাৰেই চিকিৎসা কৰোৱাব নোৱাৰেনে ? মই অনুৰোধ কৰিছো দেউতা— আপোনাৰ—' আধা কওঁতেই দেউতা গৰ্জি উঠিছিল ঃ—

—'তোৰ দৰে অপদাৰ্থ এটাৰ পৰা মই উপদেশ বাণী শুনিব নিবিচাৰো— জয়ন্ত। তই কি কৰিব পাৰিছ অতদিনে ? এম, এ টো পাছ কৰি বেকাৰ হৈ থাকিবলৈকে তই ডিগ্ৰী লৈছিলি, তাকে পাবলৈ মই তোক পঢ়াইছিলো ?'

আৰু দাদাই ?

সি ইঞ্জিনীয়াৰ। বালিৰ লগত মাটি মিলোৱা ইঞ্জিনীয়াৰ। তাৰ কনট্ৰেক্ট সদায় ঠিকাদাৰৰ লগত। চিমেণ্ট তাকৰকৈ দিয়াই, বাৰে বাৰে, পানীয়ে মঠাউৰী ভাঙিব পৰা বেৰ সজাই তাৰ কাম। আৰু টকা ? খাবইনে, পিন্ধিব ? তাৰ এযাৰ কথা মোৰ আজিও

মনত পৰে—

—'জয়ন্ত, তইতো প্ৰফেচাৰ হ'বি ভাই। আমাকতো তই ঘিণ কৰ। আমাৰ টকাকতো তই নুচুৰ'? তোৰ চাকৰিৰ 'কলিং লেটাৰলৈ' বাট চালো তেন্তে?

বাৰে বাৰে সেইষাৰ কথাকে দাদাৰ কোঠাত সোমোৱাৰ পৰাই মোৰ কাণত বাজি আছে। নাই, নাই মই আৰু নোৱাৰিম। এই ঘৰ এৰি মই ৰাজপথলৈ ওলাই যাম। 'এৰা জয়ন্ত, তই ইয়াৰ পৰা আঁতৰি যা—' মনটোৱে যেন আকৌ সঁকিয়ালে। চকু হাল মুদি দিলো। এটা যেন সপোন বাগৰি গ'ল.....।

১নং বাটকৰা ঃ— 'আপুনিয়েই জানো সেইজন কবি নহয়, যি জনে এইবাৰ সাহিত্য একাডেমী পুৰস্কাৰ ... — ... — ?

—এৰা, এৰা, ময়েই। মই ৰাজপথলৈ ওলাই আহিছো বন্ধু, সঁচা মানুহ বিচাৰি আহিছো।

২নং বাটকৰা :— 'কিন্তু এনেদৰে ভিক্ষাৰ সঁজুলি লৈ!?'

—এৰা বন্ধু, সুস্বাদু আহাৰে মোক নুশুজে। সেয়ে মই ওলাই আহিছো। মই মাটিৰ মানুহ, প্ৰকৃতিৰ সন্তান মই। মই মাটিত উপজা শস্য খাম। ফল-মূল খাম, মোক তোমালোকে ভিক্ষা নিদিবা?

৩নং বাটকৰা— 'কিন্তু আপুনিতো চিত্ৰ আঁকি, সাহিত্য চৰ্চা কৰি, শিক্ষকতা কৰিওতো পেট প্ৰবৰ্ত্তাব পাৰে, আপোনাৰতো আমাৰ দৰে একোৰে অভাৱ নাই, তেন্তে কিয়?— 'মোৰ সকলো আছে, কিন্তু একো নাই বন্ধু। 'ভিঙিলৈকে পানীত ডুবিও পানী খাবলৈ পোৱা নাই। মই মাটিৰ কবি, মাটিৰ গীতিকাৰ, মাটিৰ চিত্ৰকৰ হ'ব বিচাৰো। অট্টালিকাত থাকি মই তোমালোকৰ ছবি আঁকিব নোৱাৰো, তোমালোকক নুবুজাকৈ মই গীত ৰচিব নোৱাৰো। মই কৃত্ৰিমতাক ঘিণ কৰো। মই সঁচা মানুহৰ মৰম বিচাৰি আহিছো। মোক আৰু তোমালোকে বাধা নিদিবা, মোক এৰি দিয়া— মোক এৰি দিয়া—'

চিঞৰি উঠিলো।

—'জয়ন্ত, তই কাগজ-পত্ৰ মেলি থৈ ক'ত গৈছ, জয়ন্ত? উভতি আহ। তই কিয় ওলাই গৈছ জয়ন্ত? তই উন্মাদৰ দৰে কিয় কৰিছ? আমাৰ পৰিয়ালৰ এটা সন্মান আছে— তই এনেদৰে ওলাই গ'লে আমাৰ সন্মান নষ্ট হ'ব— তই ঘূৰি আহ।'

দাদাৰ মাতত উভতি চালো পিচলৈ।

নিজৰ গাটোলৈও চালো। কেতিয়াৰে চোলা কাপোৰ খুলি ধুতি এখন পিন্ধি মই বাটৰ ফালে খোজ লৈছিলো ক'ব নোৱাৰো।

তাৰ কথা শুনি উভটি চালো।

হাঁহি উঠিল। হাঃ হাঃ হাঃ কৈ হাঁহি থাকিলো অকবাৰ দৰে। সিহঁতৰো আকৌ সন্মান?? মই হাঁহি হাঁহিয়েই ক'লো— "দাদা— তহঁতৰো আকৌ সন্মান? বাহ্— মই সাহিত্য একাডেমী বঁটা পাওঁতে যি সন্মান পাইছিলো— তাতকৈও বেছি তহঁতৰ সন্মান? হহঁবালি দাদা, হহঁবালি। মই আৰু এতিয়া উভতি নাযাওঁ দাদা— মই এতিয়া গেটৰ বাহিৰত— হাঃ হাঃ হাঃ।"

গেটখন খটং কৈ শব্দ কৰি বন্ধ কৰি উভতি চালো। মা আগবাঢ়ি আহিছে। ষ্টেডিজৰ পৰা নামি ময়ো মাৰ ওচৰলৈকে আগবাঢ়ি আহিছিলো। মায়ে কান্দিছিল।

—কি হ'ল মা— কান্দিছা কিয়?

—'তই উভতি আহিলি? জয়ন্ত — সচাঁই মোৰ এনে লাগিছিল যেন তই অভিনয় কৰা নাই— সচাঁকৈয়ে ওলাই গৈছিলি...'

মাক আকোৱালি লৈ মই হাঁহিলো॥ ●

# নাৰী মুক্তিৰ প্ৰশ্নত

অনিতা গগৈ
স্নাতক ২য় বাৰ্ষিক

নাৰী মুক্তিৰ বিষয়টো এতিয়া সমগ্ৰ বিশ্বত স্বীকৃত সমস্যাৰূপে পৰিগণিত হৈছে। বিশ্বৰ চুকে কোণে নাৰী সমাজ আজি স্বাধীনতা, ন্যায় বিচাৰ আৰু পুৰুষৰ সৈতে সমানাধিকাৰৰ দাবীত আন্দোলনত নামি পৰিছে। যিমানেই নাৰীৰ ওপৰত পুৰুষৰ উৎপীড়ন, ধৰ্ষণ, অত্যাচাৰ বাঢ়ি আহিছে, সিমানেই নাৰী মুক্তি আন্দোলনে গতিশীল ৰূপত আত্ম প্ৰকাশ কৰিবলৈ সমৰ্থ হৈছে। ভাৰতবৰ্ষ আৰু অসমতো বিভিন্ন নাৰী সংগঠনে এনে সংগ্ৰামৰ নেতৃত্ব বহন কৰিছে। কিন্তু ই এতিয়াও শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ মাজতেই সীমাবদ্ধ থকা দেখা গৈছে। গ্ৰামাঞ্চলৰ ব্যাপক অংশ আৰু শ্ৰমিক মহিলাসকল এতিয়াও এই ক্ষেত্ৰত সচেতন আৰু সংগঠিত হোৱা নাই।

আজিৰ পুৰুষ প্ৰধান সমাজত নাৰীৰ মূল্য 'ঘৰুৱা লিগিৰী'ৰ পৰ্য্যায়ৰ। ইংৰাজী 'Family' শব্দৰ লেটিন ভাষাত মূল হ'ল— Famulus' ইয়াৰ অৰ্থ— 'ঘৰুৱা-দাস' আৰু Familia ৰ অৰ্থ হ'ল এজন ব্যক্তিৰ অধীনত আন সকলো ক্ৰীতদাস। সেয়ে আজিৰ পৰিয়াল আৰু সমাজত নাৰীয়ে যি কোনো বিষয়ত মাত মতাৰ অধিকাৰ নাই। নাৰীৰ ব্যক্তি স্বাধীনতা সীমিত। ৰাজনীতি, সামাজিক আদি বিষয়টো বাদেই, ঘৰুৱা বিষয়টো মুক্ত ভাৱে সিদ্ধান্ত লোৱাৰ অধিকাৰ নাই। পুৰুষৰ অনুমতি অবিহনে বাহিৰত ফুৰা-চকা কৰাৰ অধিকাৰ নাই। পুৰুষে বাহিৰৰ পৰা আনি দিয়া উপাৰ্জনেৰে নাৰীয়ে ঘৰৰ ভিতৰতে থাকি ৰন্ধা-বঢ়া আৰু পৰিয়াল আৰু সতি সন্ততিৰ আল পৈচান ধৰাতে সীমাবদ্ধ। সকলো ক্ষেত্ৰতে আজি নাৰীয়ে পুৰুষ আধিপত্য মানি চলিবলৈ বাধ্য। সম্পত্তিৰ অধিকাৰ আৰু পৰিয়ালৰ উপাৰ্জন স্বতন্ত্ৰীয়া ভাবে খৰচ কৰাৰ অধিকাৰ নাৰীৰ নাই।

ভাৰতবৰ্ষত এটা সময়ত নাৰীক দেৱী স্বৰূপে পূজা কৰা হৈছিল। সেই সময়ত নাৰীয়ে ব্ৰহ্মচৰ্য্য পালন কৰি বেদ অধ্যয়ন কৰি ঋষি মুনি পণ্ডিত সকলৰ লগত সমানে তৰ্ক যুদ্ধত লিপ্ত হৈছিল। ৰাজনীতি, দৰ্শন, সাহিত্য সংস্কৃতি, শিল্প ক'লা, শিক্ষা আদি দিশত নাৰীৰ স্থান আগত আছিল। কিন্তু সেই ভাৰতবৰ্ষত নাৰীৰ স্থান আজি নিম্নগামী। নাৰীয়ে আজি সকলো অধিকাৰ হেৰুৱাই ভোগ্য পণ্য সামগ্ৰীৰ দৰে পুৰুষৰ উপভোগৰ সামগ্ৰীত পৰিণত হৈছে। সন্তান জন্ম দিয়াৰ যন্ত্ৰত পৰিণত কৰা হৈছে। নাৰী দেহ বিজ্ঞাপনৰ এটা এৰাব নোৱাৰা অঙ্গ হৈ পৰিছে। দাড়ি কটা ব্লেদৰ বিজ্ঞাপনতো এতিয়া নাৰী নহলেই নহয়। নাৰীক বিজ্ঞাপনৰ যোগে ব্যৱহাৰ কৰি পুজিপতি

শ্ৰেণীয়ে অৰ্থৰ পাহাৰ গঢ়িছে। ৰাজনৈতিক দিশত বহু সংগ্ৰামৰ মাজেদি নাৰীয়ে কিছু অধিকাৰ অৰ্জন কৰিবলৈ সক্ষম হৈছে। নাৰীৰ স্বাৰ্থত আইন প্ৰণয়ন হৈছে। সংবিধানতো নাৰী-পুৰুষৰ সম-অধিকাৰক স্বীকৃতি দিয়া হৈছে। কিন্তু ই এতিয়াও আনুষ্ঠানিকতাৰ মাজতে সীমাবদ্ধ হৈ আছে ভাৰতৰ নাৰীয়ে এতিয়াও ভোট দানৰ ক্ষেত্ৰত স্বাধীনতা পোৱা নাই। কাক ভোট দিয়া হ'ব সেইটো পুৰুষেহে নিৰ্ণয় কৰি দিয়ে। কাম কৰাৰ অধিকাৰৰ পৰা নাৰী এতিয়াও বঞ্চিত হৈয়ে আছে। সতীদাহৰ দৰে অমানবীয় প্ৰথা এতিয়াও ঠায়ে ঠায়ে প্ৰচলিত হৈয়ে আছে। যৌতুক প্ৰথাৰ দৰে নাৰীৰ মৰ্য্যদা হানিকৰ প্ৰথা এতিয়াও ভাৰতত প্ৰচলিত হৈয়ে আছে। পিতৃ-মাতৃয়ে যৌতুক দিব নোৱাৰাৰ বাবে বহু বিবাহিতা স্ত্ৰীয়ে শহুৰৰ ঘৰৰ অত্যাচাৰ, উৎপীড়ণ সহ্য কৰি নীৰবে চকুলো টুকি জীৱন কটাইছে। কোনোৱে স্বামী গৃহ এৰি আহিবলৈ বাধ্য হৈছে। কোনোৱে এনে উৎপীড়ন সহ্য কৰিব নোৱাৰি আত্মহত্যাৰ পথ লবলৈ বাধ্য হৈছে। পিতৃ-মাতৃয়ে যৌতুক দিব নোৱাৰাৰ বাবে বহু যুৱতীয়ে অনিশ্চিত ভৱিষ্যতৰ আশঙ্কাত পিতৃ গৃহতে আত্মহত্যাৰ পথ বাচি লৈছে।

আজিৰ সমাজত নাৰী সম্পৰ্কে এটা তুলনা সততে শুনিবলৈ পোৱা যায়। সি হ'ল— 'লাও যিমানে ডাঙৰ নহওঁক, সদায় পাতৰ তলত'। নাৰীৰ বাবে ই চৰম অপমানজনক মন্তব্য। নাৰী যিমানেই শিক্ষিত, নহওক কিয় বৰ্তমান সমাজত পুৰুষ আধিপত্য যে মানিবই লাগিব ই তাৰে প্ৰমাণ।

ইতিহাসত আদিম সাম্যবাদী সমাজ মাতৃ প্ৰধান আছিল। তেতিয়া সকলো ক্ষেত্ৰতে মাতৃ আধিপত্য চলিছিল। পৰিয়ালৰ সম্পত্তি মাতৃ অধিকাৰত আছিল। মাতৃয়েই পৰিয়ালৰ মুৰব্বী আছিল। সমাজৰ ঐতিহাসিক বিকাশৰ এটা স্তৰত যেতিয়া শ্ৰেণী বিভক্তৰ সমাজৰ সৃষ্টি হৈ ব্যক্তিগত সম্পত্তিৰ সৃষ্টি হ'ল তেতিয়াই নাৰী প্ৰাধান্যৰ বিলুপ্তি ঘটে আৰু পুৰুষ প্ৰাধান্য স্থাপিত হয়। উৎপাদন ক্ষেত্ৰৰ পৰা নাৰী বহিস্কৃত হৈ সকলো অধিকাৰ হেৰুৱাই 'ঘৰুৱা লিগিৰী' লৈ পৰিণত হয়। উৎপাদনৰ সকলো আহিলাৰ মালিকীস্বত্ত পুৰুষৰ হাতলৈ আহে। তেতিয়াৰ পৰা আজিলৈকে য'ত য'ত শ্ৰেণী শোষণ ভিত্তিক উৎপাদন ব্যৱস্থা প্ৰচলিত হৈ আছে তাতেই নাৰী দাসত্বও বৰ্ত্তি আছে। এতিয়া নাৰী মুক্তিৰ সংগ্ৰাম মানে পুৰুষৰ বিৰুদ্ধে সংগ্ৰাম নহয়। নাইবা পশ্চিমীয়া ধৰণৰ সপ্তাহৰ তিনিদিন গিৰিয়েকে তিনিদিন ঘৈণীয়েকে ভাত ৰন্ধা ধৰণৰ সম অধিকাৰ নহয়। নাৰীৰ বাবে প্ৰকৃত মুক্তি তেতিয়াহে আহিব যেতিয়া নাৰীয়ে পুৰুষৰ লৈতে সমানে উৎপাদনত অংশ গ্ৰহণ কৰিবলৈ সক্ষম হ'ব। যেতিয়ালৈকে সামাজিক ভাৱে উৎপাদন শীল শ্ৰমৰ মাজত নাৰীসকলৰ অংশ গ্ৰহণ নিশ্চিত তেতিয়ালৈকে ঘৰুৱা গোলামিৰ দৰে চিৰন্তন ক্লান্তিকৰ দাসত্বৰ পৰা নাৰী সমাজ উদ্ধাৰ নহয় এই ঐতিহাসিক জটিল প্ৰশ্নৰ সমাধান নহ'ব, যেতিয়ালৈকে শোষক পুঁজপতি আৰু বণিকসকলৰ অৱস্থিতি থাকিব আৰু আনকি আইনৰ ক্ষেত্ৰতো পুৰুষ নাৰীৰ পূৰ্ণ সমতা হ'ব নোৱাৰে। সেয়ে অৰ্থনৈতিক আৰু সামাজিক সমতাৰ সংগ্ৰাম কৰাটোও শোষিত নাৰীসকলৰ আন্দোলনৰ মাই কৰ্ত্তব্য হোৱা উচিত। ★

# সমাজ, সংস্কৃতি আৰু 'যুৱ মানসিকতা'

এম, এ, বেগম

'যুৱ মানসিকতা'— এই বিষয়টোৱে সম্প্ৰতি সকলো প্ৰচাৰ মাধ্যমতে ব্যাপক প্ৰসাৰতা লাভ কৰা দেখা গৈছে আৰু আজিৰ সমাজত ই এক ডাঙৰ সমস্যা ৰূপে দেখা দিছে। যুৱ সমাজৰ কাম-কাজবোৰক বিকৃত ৰুচিবোধৰ, অসুস্থ মানসিকতাৰ নিদৰ্শন বুলি চিহ্নিত কৰা হৈছে। কোনো কোনো সমালোচকে ইয়াৰ বাবে কেৱল যুৱ-সমাজকে দোষাৰূপ কৰা দেখা গৈছে আৰু যুৱ-সমাজক লৈ হতাশ হৈ পৰিছে। আমাৰ মতে ইয়াত হতাশ হ'ব লগীয়া কোনো কাৰণ নাই। সমস্যাটোও যুৱ-সম্প্ৰদায়ৰ নিজা সৃষ্টি নহয়। প্ৰকৃততে বৰ্তমান কোনো পৰিঘটনা বা সমস্যায়ে সমাজ ব্যৱস্থাৰ (অৰ্থনীতি) পৰা বিছিন্ন নহয়। আজিৰ অসুস্থ যুৱ মানসিকতাও শ্ৰেণী সমাজৰে সৃষ্টি আৰু ইয়াক শ্ৰেণী দৃষ্টিকোণেৰে অৰ্থাৎ দ্বন্দাত্মক পদ্ধতিৰে বিশ্লেষণ কৰিলেহে সমস্যাৰ প্ৰকৃত কেৰোণ উদ্ধাৰ হ'ব। তলত এই সম্পৰ্কে যৎকিঞ্চিত আলোচনাৰ প্ৰয়াস কৰা হ'ল।

তাৰ আগতে যুৱ সমাজৰ কোনবিলাক কাম-কাজনো বিকৃত বা অসুস্থ বুলি কোৱা হ'ব ইয়াৰ এটা পৰিসীমা বা মাপকাঠি নিৰ্ণয় কৰি লোৱাটো সঠিক হ'ব। যিহেতু যুৱ-সমাজৰ সকলোবিলাক কাম কাজকে বিকৃত বা অসুস্থ বুলি ধৰি ল'ব নোৱাৰি। বয়সৰ দিশৰ (যৌবনৰ চঞ্চলতা) পৰা তেওঁলোকৰ কিছুমান কাম কাজক এই পৰিসীমাৰ পৰা ৰেহাই দিবই লাগিব। সাধাৰণতে যুৱ সমাজৰ যিবিলাক কাম-কাজ, আচাৰ-আচৰণ আৰু চিন্তা-চৰ্চা আমাৰ দৈনন্দিন জীৱন সংগ্ৰামৰ কোনো সহায়ক নহয়, যিবিলাক কাম-কাজ সুস্থ সংস্কৃতিৰ পৰিপন্থী, যিবিলাক আচাৰ-আচৰণে সুস্থ সামাজিক পৰিবেশ প্ৰদূষিত কৰে; যিবিলাক কাম-কাজ সমাজ পৰিবৰ্তন আৰু এখন সুন্দৰ সমাজ গঠনৰ প্ৰক্ৰিয়াত কোনো সহায়ক নহয় তেনে বিলাক কাম-কাজকে আমি বিকৃত বা অসুস্থ মানসিকতাৰ নিদৰ্শন হিচাপে চিহ্নিত কৰিব পাৰো। যেনে— নাৰীৰ প্ৰতি অশালীন ব্যৱহাৰ, অশ্লীল ইঙ্গিত, বয়োজ্যেষ্ঠক সন্মান প্ৰদৰ্শন নকৰা; ৰাজহুৱা স্থানত ঘন্টা ঘন্টা জোৰা আড্ডা মৰা, সঙ্গতিবিহীন সস্তীয়া বাৰ্তালাপ, মুখত অশ্লীল, অবাচ্য শব্দেৰে বাৰ্তালাপ, ড্ৰাগচ সেৱন কৰি অসামাজিক অপৰাধ-মূলক কাৰ্য্যত লিপ্ত হোৱা আদি। এইখিনিতে এটা কথা উনুকিওৱা ভাল যে সমাজৰ সকলো যুৱক-যুৱতীক ওপৰত উল্লেখিত চামৰ লগত শ্ৰেণীভুক্ত কৰিব নোৱাৰি। সুস্থ চিন্তাধাৰাৰ ক্ষুদ্ৰ এটা চামক ইয়াৰ বাহিৰত গণ্য কৰিব লাগিব।

প্ৰাৰম্ভতেই উল্লেখ কৰা হৈছে যে সকলো সমস্যাৰ মূল হৈছে প্ৰচলিত অৰ্থনীতি। অৰ্থাৎ উৎপাদন ব্যৱস্থা বা সমাজ ব্যৱস্থা। আমাৰ

আলোচ্য বিষয়— অসুস্থ যুৱমানসিকতাও আজিৰ শ্ৰেণী বিভক্ত পুঁজিবাদী সমাজ ব্যৱস্থাৰ পৰিণতি। ইতিহাসত প্ৰচলিত প্ৰত্যেকটো অৰ্থনীতি একো একোটা দাৰ্শনিক ভেটি (বিশ্ব বীক্ষা) ৰ ওপৰত প্ৰতিষ্ঠিত। এই দাৰ্শনিক ভেটিৰ আলমতে নিৰ্দিষ্ট অৰ্থনৈতিক ব্যৱস্থাৰ লগত খাপ খোৱাকৈ সমাজত গঢ়ি উঠে নিৰ্দিষ্ট সংস্কৃতি। অৰ্থাৎ আমাৰ ধ্যান-ধাৰণা, চিন্তা-চৰ্চা, মানসিকতা, ৰাজনীতি, সামাজিক মূল্যবোধ, ৰুচিবোধ ইত্যাদি, যাক আমি অৰ্থনীতিৰ উপৰিসৌধ বা Super Structure বুলি কওঁ, এই সংস্কৃতিয়েই আমাৰ দৈনন্দিন জীৱন ধাৰাত প্ৰভাৱ বিস্তাৰ কৰে। আমাৰ চাৰিত্ৰিক অভিব্যক্তিক নিয়ন্ত্ৰণ কৰে। আজিৰ শোষণ ভিত্তিক পুঁজিবাদী সমাজ চূড়ান্ত ব্যক্তিকেন্দ্ৰিক। এই ব্যক্তি কেন্দ্ৰিক পুঁজিবাদী সমাজৰ সংস্কৃতিৰ কাম শ্ৰেণী শোষণৰ প্ৰক্ৰিয়াক সহায় কৰা। শ্ৰেণী নিপীড়ণৰ কথা পাহৰাই ৰাখি জনগণক বিভ্ৰান্ত কৰা। শোষণ ব্যৱস্থাটোক মানি লবলৈ জনগণক বাধ্য কৰোৱা।

পুঁজিবাদী অৰ্থনীতিৰ দৰ্শন হ'ল—"যোগ্য ভোগ্যা বসুন্ধৰা।" যোগ্যতা অৰ্জন কৰা জনেই প্ৰকৃতি আৰু জীৱনক উপভোগ কৰাৰ অধিকাৰ পাব পাৰে। এক মুক্ত, অবাধ, ভোগবাদী দৰ্শন। জীৱন সম্পৰ্কে এনে দৰ্শনে সুস্থ ধাৰণা দিয়াৰ বিপৰীতে মানুহক অলীক কাল্পনিক ৰাজ্যত বিচৰণ কৰিবলৈ শিকায়। জীৱনৰ বাস্তৱ সত্যসমূহক মুখামুখী হোৱাৰ বিপৰীতে এনে সংস্কৃতিয়ে পলায়নবাদী মানসিকতাৰে ৰঙীন ভাৱ বিলাসিতাত ডুব যাবলৈ শিকায়। নহ'লে হতাশ হ'বলৈ শিকায়- পুঁজি বাদী যুগৰ সংস্কৃতিয়ে ব্যক্তি জীৱনক সমাজৰ পৰা বিছিন্ন কৰি সামাজিক দায়িত্ববোধক অস্বীকাৰ কৰে। জনগণৰ শ্ৰেণী চেতনা আৰু সমাজ চেতনাক ৰুদ্ধ কৰি ৰখাত এনে সংস্কৃতিয়ে ইতিবাচক ভূমিকা পালন কৰে। আজিৰ সৰহ সংখ্যক কথাছবি, গীত-মাত সস্তীয়া আবেগ, বাস্তৱৰ পৰা বিছিন্ন জাকজমকতাপূৰ্ণ ভোগবাদ সৰ্বস্বভাৱে ভৰপূৰ। ইবিলাকৰ বক্তব্য হৈছে—জীৱনক "খোঁও, পিও আৰু ফুৰ্ত্তি কৰো" জাতীয় আদৰ্শত উটুৱাই দিয়া। ৰঙীণ ভাৱৰ ৰাজ্যত উটি ভাহি বাস্তৱ সমস্যা সমূহক পাহৰি থাকিবলৈ অনুপ্ৰেৰণা যোগোৱা। ব্যক্তি আৰু সমাজ জীৱনৰ সমস্যা সমূহৰ বিজ্ঞানসন্মত পথেৰে বৈপ্লৱিক ভাবে সমাধান কৰাৰ পৰিবৰ্ত্তে অবাস্তৱ অলীকতা আৰু ব্যক্তি বীৰত্ববাদেৰে সমাধান কৰা হয়। ফলত জনগণে সংগঠিত সংগ্ৰামলৈ পিঠি দিয়ে। আজিৰ শিল্প কলা পণ্য সামগ্ৰীলৈ ৰূপান্তৰিত হৈছে। অন্যান্য পণ্য সামগ্ৰীৰ দৰে শিল্প-কলাকো বজাৰত বিক্ৰীৰ বাবেহে সৃষ্টি কৰা হৈছে। সেয়েহে বৰ্ত্তমানৰ বোলছবি, সাহিত্য আদিও উগ্ৰ যৌন আবেদন, যৌন ব্যভিচাৰ, সন্ত্ৰাস, মাৰপিত, হৈ-হাল্লা আদিৰে পৰিপূৰ্ণ। মানৱীয় আৰু সামাজিক প্ৰমূল্যবোধৰ গড়াখহনীয়া ইয়াত মূৰ্ত্তমান। আৰু এনেবিলাক সংস্কৃতিয়ে (নে দুস্কৃতি ?) যুৱ সমাজক আকৃষ্ট কৰি তেওঁলোকৰ মানসিকতা আৰু সুস্থ বিকাশ পঙ্গু কৰি পেলাইছে। বাস্তৱ বিমুখ আৰু কৰ্মবিমুখ হবলৈ শিকাইছে। সুস্থ ৰুচিবোধ গ্ৰহণ কৰাত বাধা

দিছে। এনে দুস্কৃতিৰ দ্বাৰা প্ৰভা- ৱান্বিত হৈয়ে যদুৰ সমাজে আজি নানান সামাজিক অপকৰ্ম, ব্যভিচাৰ, দুষ্কাৰ্য্য আদিত লিপ্ত হৈ এক উশৃঙ্খল, বিকৃত অসুস্থ জীৱনৰ পথ বাচি লৈছে।"

যদুৰ সমাজৰ এই নেতিবাচক চাৰিত্ৰিক বৈশিষ্ট্যসমূহ পুঁজিবাদী উৎপাদন ব্যৱস্থাৰ ক্ষচল ( By-product )। ই যদুৰ সমাজৰ নিজা সৃষ্টি নহয়। সেয়ে ইতিহাসৰ সম্যক জ্ঞান থকা সকলে ইয়াৰ বাবে হতাশ নহয়। এনে সমস্যাৰ সমাধান এখন শ্ৰেণীহীন সমতা পূৰ্ণ সমাজ আৰু তাৰ লগতে সুস্থ সাংস্কৃতিক বিপ্লৱৰ যোগেদি আজিৰ ক্ষয়িষ্ণু, কদাকাৰ কুৎসিত সংস্কৃতি আৰু সমাজখন নিৰ্মূল কৰিলেহে সম্ভৱ হব। যিখন নতুন সমাজৰ সংস্কৃতি হ'ব—সুন্দৰৰ সৃষ্টি—জীৱনক সুন্দৰ কৰা, মানৱীয় আবেদনপূৰ্ণ সামাজিক প্ৰমূল্যবোধেৰে ভৰা। ●



# সময়ৰ সৎ ব্যৱহাৰ

শ্ৰীমণিমা ভট্টাচাৰ্য
স্নাতক প্ৰথম বাৰ্ষিক

সময়ক অমূল্য ধন বুলি কোৱা হয়। সেয়ে মহৎ লোকৰ হাতৰ পৰা অকণমানো সময়ৰ এনেয়ে সাৰিব পৰা নাই। তেওঁলোকৰ জীৱনত সময় ব্যৱহাৰৰ চালে আচৰিত নহৈ নোৱাৰি। আমাৰ জীৱনত ঘন্টাই ঘণ্টাই সময় এনেয়ে কথা বতৰা পাতিয়ে পাৰ কৰি দিয়া হয়। কিন্তু আমি যদি এই সময়বোৰত ভাল চিন্তা চৰ্চা আদি কৰো, ভাল কিতাপ-পত্ৰ আদি পঢ়ো, তেনেহলে আমাৰ বহুতো উপকাৰ হব, সময়ৰ ব্যৱহাৰ বিভিন্ন জন মহৎলোকে এনেদৰে কৰিছিল—

ঃ ১৭ শ শতিকাৰ ইংলণ্ডৰ সেই কবি মিল্টনে চাৰি পাঁচটা গধুৰ কামৰ বাৰ লৈও কিঞ্চিৎ পোৱা সময়খিনিতে গভীৰ ভাব সম্পন্ন কবিতা লিখিছিল।

ঃ কবি 'লংফেলোৱে' কফি উতলাবলৈ লগা দহমিনিট সময়ৰ সৎ ব্যৱহাৰ কৰি 'ইনফাৰনো' নামৰ কিতাপখন অলপ অলপকৈ লিখি শেষ কৰিছিল

ঃ ডাক্তৰ বাৰ্ণীয়ে ঘোঁৰাৰ পিঠিত উঠি ফুৰা সময় খিনিতে ফ্ৰাঞ্চ আৰু ইটালী ভাষা শিকিছিল।

ঃ বীচোৰ ক্লাউ্ডও তেওঁৰ 'ইংলণ্ড' নামৰ কিতাপখন ডিনাৰ খাবলৈ ৰোৱা সময় খিনিতে লিখিছিল।

ঃ মাইকেল ফেৰাডে কিতাপ বন্ধা কামত লাগি থাকোতে তেওঁৰ অৱসৰ পোৱা সময়খিনিতে নানা বিষয়ৰ বৈজ্ঞানিক পৰীক্ষাত নিজকে নিয়োগ কৰিছিল।

ঃ গেলিলিও নিজে চাৰ্জন আছিল কিন্তু তেওঁৰ আজুৰি সময়খিনিতে বহুতো নতুন তথ্য আৱিষ্কাৰ কৰিছিল।

ঃ কবি পোপে ৰাতি বিছনাৰ পৰা উঠিও মনলৈ অহা ভাববোৰ লিখি ৰাখিছিল।

ঃ বিশ্ববিখ্যাত কবি 'গেটে' এবাৰ বন্ধু এজনৰ সৈতে কথা পাতি থাকোতে হঠাৎ মনত উদয় হোৱা সুন্দৰ ভাৱ এটা আন সময়ত মনৰ পৰা হেৰাই যোৱা আশংকাত বন্ধু জনক 'অলপ পৰলৈ ক্ষমা কৰিব' বুলি কৈ তেওঁৰ ওচৰৰ কোঠালী এটাত সোমাই ভাবটো লিখি ৰাখিছিল। সেই ভাবটো আছিল তেওঁৰ 'ফ্ৰণ্ট' নামৰ কিতাপ সম্বন্ধে।

মুঠতে কবলৈ গলে সময়ৰ সুকণ্ডা এৰিব নেলাগে বৰং সময়ৰ সুকণ্ডাত সাধনা কৰিয়ে পৃথিৱীত বিখ্যাত হব পাৰি।

( সহায়লৈ )

## " মৃত্যু বিজয়ী "
## ছফদৰ হাচ্‌মিৰ
## প্ৰতি
## শ্ৰদ্ধাঞ্জলি

**বাটৰ নাটৰ নাম— "হাল্লাবোল"** স্ৰষ্টাৰ নাম চফদৰ হাচমি— দুস্কৃতিৰ শত্ৰু, মানৱ সমাজৰ শত্ৰুবোৰৰ ঘোৰ শত্ৰু, খাটিখোৱা মানুহৰ হিয়াৰ আমঠু, মানৱ সংস্কৃতিৰ এটি ধ্ৰুৱতৰা, তেওঁৰ নামেই চফ্‌দৰ হাচমি, যি আছিল ৰজাঘৰৰ বাবে এক ত্ৰাসৰ কাৰণ। ৰজাঘৰে জানে—সিহঁতৰ শোষণৰ সেন্দুৰীয়া আলিৰ বাধাবোৰ কেনেকৈ অতিক্ৰম কৰিব লাগে। আৰু সেয়ে হ'ল—জনতাৰ মহান শিল্পীজনাৰ ক্ষেত্ৰত যোৱা ১ জানুৱাৰী ,'৮৯ ৰ দিনটোত ছাহিদাবাদৰ ৰাজপথত। "হাল্লাবোল" নামৰ নাটৰ জৰিয়তে তেওঁৰ শ্ৰমজীৱি বন্ধুসকলৰ হৈ মাত মতাৰ বাবে সেই সময়ৰ শাসক দলৰ গুণ্ডাই চিৰদিনৰ বাবে শিল্পী জনাৰ কণ্ঠৰোধ কৰি দিলে। কিন্তু কণ্ঠৰোধ নহ'ল ইতিহাসৰ মুক্তিকামী মানৱ সংস্কৃতিৰ; ইতিহাসত; তেওঁ হৈ পৰিল এক মাইলষ্টোন। হৈ পৰিল তেওঁ মৃত্যু বিজয়ী। সেয়ে সমাজ পৰিবৰ্ত্তনকামী, গণতান্ত্ৰিক ভাৰতবাসীয়ে / যোৱা ১ জানুৱাৰীত সমগ্ৰ ভাৰত জুৰি তেওঁৰ স্মৃতি—দিৱসৰ আয়োজন কৰিলে। আমাৰ আলোচনীৰ তৰফৰ পৰাও মহামানৱজনাৰ প্ৰতি এই সুযোগতে শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

—সম্পাদিকা

# গীতৰ গীতালী

শ্ৰীমমী বৰগোহাঞি
উচ্চতৰ মাধ্যমিক
২য় বাৰ্ষিক

আমি ছাত্ৰীৰ দল, আমি যাত্ৰীৰ দল,
দেহত আমাৰ শত শত বল;
আন্ধাৰৰ তমসা ভেদি, আমি যাওঁ আগবাঢ়ি,
শত্ৰুৰুক খেদি আনো শান্তি ।

বুকুত আছে সাহস দুৰ্বাৰ
কনকলতাৰ সেই বীৰৰ ভাণ্ডাৰ;
নতুন বেশেৰে সাহসী আমি
যাত্ৰীৰ ৰূপেৰে প্ৰতীক শান্তি ।

আমি ছাত্ৰীৰ দল, আমি যাত্ৰীৰ দল,
দেহত আমাৰ শত শত বল;
আন্ধাৰৰ তমসা ভেদি, আমি যাওঁ আগবাঢ়ি,
শত্ৰুৰুক খেদি আনো শান্তি ।

জয় জয় জনতাৰ, আই অসমী
শুনা, শুনা স্বাধীনতাত আছে তৃপ্তি ।
নহওঁ আমি দেশৰ সমস্যা,
ত্যাগেৰে জ্বলাওঁ সোণৰ শলিতা;
জয় আমাৰেই জয়, জয় প্ৰগতিৰ জয় । ●

## ১৯৮৯-৯০ চনৰ বিভাগীয় সম্পাদিকাসকল—



বাওঁফালৰ পৰা বহি ক্ৰমে— ৰশ্মিৰেখা সাউদ (সহঃ সম্পাদিকা, সঙ্গীত বিভাগ), দীপামণি বৰুৱা (ছাত্ৰী জিৰণি কোঠা), ৰূপাঞ্জলী দাস (তৰ্ক বিভাগ)।

বাওঁফালৰ ঠিয় হৈ ক্ৰমে— বন্দনা মহন্ত (সাধাৰণ সম্পাদিকা), আয়েচা বেগম (আলোচনী বিভাগ), অনিতা গগৈ (সহঃ সাধাৰণ সম্পাদিকা)।

বিভালক্ষ্মী বড়া, তাজমিনা বেগম, চামচুন নাহাৰ, বেবী বুঢ়াগোহাঞি, ৰূপজ্যোতি নেওগ (অনুপস্থিত)।

# ছাত্ৰী একতা সভাৰ ভিতৰ চ'ৰা

## সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো।

ছশ বছৰীয়া আহোম ৰাজত্বৰে সমৃদ্ধ শিৱসাগৰ এখন বুৰঞ্জী প্ৰসিদ্ধ ঠাই। এই ঠাইতে অৱস্থিত আমাৰ বিভিন্ন লক্ষ্য পূৰণ আৰু শাৰীৰিক তথা মানসিক বিকাশ সাধনৰ স্থল আমাৰ এই ছোৱালী মহাবিদ্যালয়খনি। ১৯৬৪ চনতে স্থাপিত হোৱা এই মহাবিদ্যালয়খনিয়ে বৰ্ত্তমান ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিছেহি।

এই শিক্ষানুষ্ঠানত শিক্ষালাভ কৰিবলৈ আহি মোৰ এদিন ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা হোৱাৰ সৌভাগ্য ঘটিছিল। সেয়েহে ১৯৮৮-৮৯ বছৰটোত সাধাৰণ সম্পাদিকা হিচাপে ছাত্ৰীসকলৰ লগতে শিক্ষানুষ্ঠানটিক সেৱা কৰিবলৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীয়ে যি সুযোগ প্ৰদান কৰিলে তাৰ বাবে ছাত্ৰী বান্ধৱীসকলৰ ওচৰত মই চিৰকৃতজ্ঞ।

শিৱসাগৰৰ ভিতৰত এই খনিয়েই হ'ল একমাত্ৰ ছোৱালী মহাবিদ্যালয়। সুখৰ বিষয় এই যে এইবছৰ মহাবিদ্যালয়ত বিজ্ঞান শাখাটি খোলা হৈছে। কলাবিভাগৰ পৰীক্ষাৰ ফলাফল আগৰে পৰাই যথেষ্ট উৎসাহজনক। মহাবিদ্যালয়খনিৰ সুনাম অসম বিখ্যাত। এনে এখন মহাবিদ্যালয়ত ছাত্ৰী সম্পাদিকাৰ দৰে গধুৰ দায়িত্ব লৈ কিমানদূৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্য্যৰ বিষয়। মই আশা কৰো মহাবিদ্যালয়ৰ শিক্ষায়ে আমাক মানুহ কৰি গঢ়ি তোলক। প্ৰত্যেক গৰাকী ছাত্ৰীকে আত্ম-সচেতনতা -বোধ আনি দিয়ক। প্ৰতিবেদনৰ যোগেদিয়েই নৱগঠিত ছাত্ৰী একতা সভালৈ সমূহীয়াভাৱে অভিনন্দন জনাইছো। শিক্ষানুষ্ঠানটিৰ উত্তৰোত্তৰ উন্নতিত আপোনালোকৰ বলিষ্ঠ পদক্ষেপে ভগৱানৰ আশীষ নিৰ্মালি লাভ কৰক—এয়েই কৰুণাময়ৰ ওচৰত মোৰ প্ৰাৰ্থনা।

**কলেজ সপ্তাহ—**

ছাত্ৰীসকলৰ প্ৰতিভা বিকাশ আৰু বিচাৰৰ স্থল 'কলেজ সপ্তাহ' এইবছৰো উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। কলেজ সপ্তাহ উদ্বোধন কৰে কলেজৰ অধ্যক্ষ শ্ৰীযুত হাফিজুৰ ৰহমান-দেৱে। কলেজ সপ্তাহ জানুৱাৰী মাহৰ ২৩ ৰ পৰা ২৯ লৈকে অনুষ্ঠিত কৰা হয়। কলেজ সপ্তাহত বহু সংখ্যক ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। শেষৰ দিনা বঁটা বিতৰণী সভাত কলেজৰ প্ৰাক্তন অধ্যক্ষ তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীযুত বীৰেন বৰকটকীদেৱে পুৰস্কাৰ বিতৰণ কৰে। নিশালৈ সাংস্কৃতিক সন্ধিয়া উদ্‌যাপন কৰা হয়।

**সৰস্বতী পূজা—**

কলেজ সপ্তাহৰ পিছতেই শ্ৰীশ্ৰীসৰস্বতী পূজা পালন কৰা হয়। এই পূজাত এখনি কবি সন্মিলনও পতা হয়। কেইজনমান শিৱসাগৰৰ বিশিষ্ট কবিক এই সন্মিলনলৈ নিমন্ত্ৰণ কৰা হয়।

**আছু'ৰ গোট স্থাপন—**

সদৌ অসম ছাত্র সন্থাৰ আহ্বান ক্রমে আমাৰ কলেজত এটি "আছুৰ প্রাথমিক গোট" স্থাপন কৰা হয়। প্রতিবেদনৰ জৰিয়তে আছু গোটৰ দীৰ্ঘায়ু কামনা কৰিলো।

**নবাগতা আদৰণী সভা—**

২৩/৯/৮৯ তাৰিখে নবাগতা আদৰণী সভা অনুষ্ঠিত কৰা হয়। এই সভাত সভাপতিত্ব কৰে অধ্যক্ষ শ্রীযুত হাফিজুৰ ৰহমানদেৱে। নিমন্ত্রিত অতিথি জিলা উপায়ুক্ত শ্রীযুত নগেন্দ্র চন্দ্র দত্ত, প্রাক্তন সংসদী সদস্য শ্রীযুত পৰাগধৰ চলিহা আৰু অসম সাহিত্য সভাৰ প্রাক্তন সভাপতি তথা কলেজৰ প্রাক্তন অধ্যক্ষ শ্রীযুত বীৰেন বৰকটকীদেৱে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। নবাগতা আদৰণী সভাৰ দিনটো বেছ উলহ-মালহেৰে পাৰ হৈ যায়।

**শোক সভা—**

আমাৰ কাৰ্য্যকালত উপাধ্যক্ষা নীলিমা বৰুৱাৰ মৃত্যুৱে গভীৰ শোকৰ ছাঁ পেলায়। তেখেতৰ বিদেহী আত্মাৰ সদ্গতিৰ বাবে ভগৱানৰ ওচৰত সকলোৱে প্রাৰ্থনা জনোৱা হয়। এই উদ্দেশ্যে শোক সভা পতা হয়। শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমাবেদনা জ্ঞাপন কৰা হয়। ছাত্র সন্থাৰ সক্রিয় কৰ্মী কৰিমূল হুচেইনৰ মৃত্যুত শোকসভা অনুষ্ঠিত কৰা হয়। ৺কৰিমূল হুচেইনৰ পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰা হয়। বিশিষ্ট সমাজকৰ্মী শিক্ষাবিদ তনু কোঁৱৰৰ বিয়োগত শোক সভা পাতি গভীৰ শোক প্রকাশ কৰা হয় আৰু শোক-সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰা হয়।

এইবাৰ খেল-ধেমালিত আমাৰ কলেজে যথেষ্ট উৎসাহজনক ফলাফল দেখুৱায়। আমাৰ কাৰ্য্যকালতেই শ্রীযুত অনিল শইকীয়াদেৱে এটি শ্বহীদ বেদী কলেজক দান দিয়াৰ প্রতিশ্রুতি দিয়ে।

আমাৰ কাৰ্য্যকালত কুইজ, তৰ্ক প্রতিযোগিতা আদিৰো আয়োজন কৰা হয়। কলেজৰ ছাত্রীয়ে ইয়াত যথেষ্ট কৃতিত্ব প্রদৰ্শন কৰিবলৈ সক্ষম হয়। ফাটেহা-দোৱাজ-দহম উৎসৱটিও সকলোৰে সহযোগত উদ্‌যাপন কৰা হয়।

**কৃতজ্ঞতা জ্ঞাপন—**

১৯৮৮-৮৯ এই সময়ছোৱাত কলেজৰ সমূহ কাৰ্য্যতে সহায় তথা দিহা-পৰামৰ্শৰে উপকৃত কৰা মাননীয় অধ্যক্ষ মহোদয়লৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। কলেজৰ শিক্ষক-শিক্ষয়িত্রীবৃন্দলৈ, কৰ্মচাৰীসকললৈ ছাত্রী একতা সভাৰ হৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। দিহা-পৰামৰ্শৰে উপকৃত কৰা সমূহ ছাত্রী বান্ধৱীলৈ প্রতিবেদনৰ জৰিয়তে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ তুলনাত আমাৰ মহাবিদ্যালয়ে এখনি আগশাৰীৰ মহাবিদ্যালয় ৰূপে প্রতিষ্ঠিত হওঁক, তাৰ বাবে শুভ কামনা আৰু শুভইচ্ছাৰে সামৰিছোঁ। ইতি—

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"

শ্রীবন্দনা মহন্ত
সাধাৰণ সম্পাদিকা
শিৱসাগৰ ছোৱালী কলেজ

# সহঃসাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

**শ্ৰদ্ধাঞ্জলি :—**

যিসকল বীৰ শ্বহীদে অসম মাতৃক নিজৰ বুকুৰ তেজ দি পূজা কৰি গ'ল সেইসকল বীৰ শ্বহীদৰ বিদেহী আত্মাৰ সদ্গতি কামনা কৰিলো, লগতে পুলিচ আতিশৰ্য্যাভ চিৰ জীৱনলৈ পঙ্গু হোৱা অসম মাতৃৰ বীৰ বীৰঙ্গনাসকললৈ সমবেদনা জ্ঞাপন কৰিলো।

শিৱসাগৰ এখন পুৰণি ঐতিহ্যৰে ভৰপূৰ বুৰঞ্জী প্ৰসিদ্ধ ঠাই। এই ঠাইতে শাৰীৰিক, মানসিক তথা বিভিন্ন দিশত উন্নতিৰ পথত আগুৱাই নিয়া আমাৰ শিৱসাগৰ ছোৱালী মহাবিদ্যালয়খনি। বৰ্ত্তমান এই মহাবিদ্যালয়খনিয়ে ২৫ বছৰ বয়সত ভৰি দিছেহি। বহুতো ছাত্ৰীয়ে এই মহাবিদ্যালয়ৰ পৰাই শিক্ষালাভ কৰি নিজৰ পথ বাছি লৈছে। সৌভাগ্যৰ কথা যে এই মহাবিদ্যালয়ৰ পৰা পঢ়ি যোৱা ছাত্ৰী বৰ্ত্তমান এই কলেজৰ প্ৰৱক্তা।

এই শিক্ষানুষ্ঠানত শিক্ষালাভ কৰিবলৈ আহি এদিন মোৰ সৌভাগ্য ঘটিল সহকাৰী সাধাৰণ সম্পাদিকা হোৱাৰ। ১৯৮৮-৮৯ চনৰ বছৰটোত মোক ছাত্ৰীসকলে তেওঁলোকৰ লগতে মহাবিদ্যালয়খনিৰ প্ৰতি সেৱা কৰি যাবলৈ মোক এইৰূপ সুবিধা দিয়াৰ বাবে তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ।

বিগত বছৰটোত মই মোৰ দায়িত্ব সাধ্যানুসাৰে পালন কৰিবলৈ চেষ্টা কৰিছিলো। এই চেষ্টাত মই কিমানদূৰ সফল বা বিফল হৈছিলো সেয়া আপোনালোকৰ বিচাৰ্য্য বিষয়। ১৯৬৪ চনত অৱস্থিত মহাবিদ্যালয়খনিৰ অভাৱ অভিযোগৰ অন্ত নাই। আমাৰ কাৰ্য্যকালত বহুতো অভাৱ উপলব্ধি কৰিছিলো। এই অভাৱবোৰ দূৰ কৰিবৰ বাবে সাধ্যানুসাৰে চেষ্টা কৰিছিলো। কিন্তু ক্ষুদ্ৰ সময়ৰ ভিতৰতে সকলো অভাৱ দূৰ কৰা সম্ভৱ নহয়। মোৰ আশা ও কামনা আমি যি কৰিব নোৱাৰিলো সেয়া আমাৰ পৰবৰ্ত্তীসকলে যেন পূৰ কৰে।

**বাৰ্ষিক উৎসৱসমূহ :—**

নতুনকৈ ছাত্ৰী একতা সভা গঠন কৰাৰ পিছতেই আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ কলেজ সপ্তাহ আৰম্ভ হয় ২৩/১/৮৯ তাৰিখৰ পৰা। কলেজ সপ্তাহত মহাবিদ্যালয়খনিৰ সমূহ ছাত্ৰীয়ে বিভিন্ন দিশত আমাক যি সহায় আগবঢ়ালে তাৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ। দ্বিতীয় বাৰ্ষিক অনুষ্ঠান হিচাবে পাইছিলো শ্ৰীশ্ৰীসৰস্বতী পূজা। ১০/২/৮৯ তাৰিখে শ্ৰীশ্ৰীসৰস্বতী পূজাত এখনি কৰি সন্মিলনেৰে বাগেদবী বীণাপাণিৰ চৰণত এপাহি গন্ধপুষ্প অৰ্পণ কৰা হয়। ৪/৩/৮৯ তাৰিখে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ে প্ৰতি বছৰে নিয়মিয়াকৈ পাতি অহা ৺বৈদ্যনাথ বৰপূজাৰী আন্তঃকলেজ তৰ্ক-প্ৰতিযোগিতা এইবাৰো পতা হৈছিল। এই প্ৰতিযোগিতাত আমাৰ কলেজে সুনাম অৰ্জ্জন কৰে। তেওঁলোকলৈ মোৰ কৃতজ্ঞতা যাচিলো। ২৩/৯/৮৯ তাৰিখে প্ৰতিবছৰে নবাগতাসকলক আমাৰ মহাবিদ্যালয়খনিয়ে যিদৰে আদৰি লয় এইবাৰো তেনেদৰে নবাগতা সকলক আদৰিবৰ বাবে আদৰণী সভা পতা হয়। এই অনুষ্ঠানটিত আমাক আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষকে আদি কৰি কলা শাখা ও নতুনকৈ খোলা বিজ্ঞান বিভাগৰ প্ৰৱক্তা তথা ছাত্ৰীসকলে উপস্থিত থাকি সহায় কৰাৰ উপৰিও বিশিষ্ট অতিথি হিচাবে

থাকি মহাশয় শ্ৰীযুত বীৰেন বৰকটকীদেৱ, শ্ৰীযুত পৰাগ চলিহাদেৱ আৰু D. C শ্ৰীযুত নগেন দত্তদেৱে আমাৰ সভাখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ বাবে তেখেতসকলৰ ওচৰত মই চিৰকৃতজ্ঞ। ১১/১১/৮৯ তাৰিখে আমাৰ মহাবিদ্যালয়ত ফাতেহা দোৱাজ-দহম পাতিবলৈ লোৱা হয়। এই অনুষ্ঠানটিয়ে আমাক আমাৰ প্ৰৱক্তাসকলে বিশেষ সহায় আগবঢ়ায়। আমাৰ কাৰ্য্যকালৰ ভিতৰতে আমাৰ মহাবিদ্যালয়ত এখনি উপহাৰ কুপনৰ খেল পতা হয়। এই খেলত আমাৰ কলেজৰ উপৰিও বাহিৰৰ বহুতোলোকে আমাক সহায় কৰে। ইয়াৰ বাবে সকলোটিলৈকে মোৰ ধন্যবাদ থাকিল। আনহাতে এই বছৰটিতে আমাৰ কলেজত এটি বিজ্ঞান শাখা খোলা হয়। ইও আমাৰ ভৱিষ্যত পথ প্ৰগতিৰ সহায়ক।

বছৰটোত আমি হাতত লোৱা সকলো কাৰ্য্যতে সৎ উপদেশ দি আমাক সকলো ক্ষেত্ৰতে সহায় সহযোগ আগবঢ়োৱাৰ বাবে মাননীয় শিক্ষাগুৰু, ছাত্ৰী তথা কলেজৰ সকলো কৰ্মচাৰীলৈ মোৰ কৃতজ্ঞতা থাকিল। সৰ্ব্বশেষত, আমি যি কৰিব নোৱাৰিলো তাক আমাৰ পৰবৰ্তী ছাত্ৰীসকলে কৰিবলৈ চেষ্টা কৰে যেন। ইতি—

শ্ৰীঅনিতা গগৈ

## ॥ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন ॥

প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ অস্তিত্ব ৰক্ষাৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিছো। ১৯৮৯ চনৰ বছৰটিত মহাবিদ্যালয়খনৰ প্ৰত্যেক গৰাকী ছাত্ৰী বান্ধৱীয়ে ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাবে নিৰ্বাচিত কৰি মোক সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে চিৰকৃতজ্ঞ। কলেজ এখনৰ সম্পাদিকা হিচাবে ছাত্ৰী বান্ধবীসকলক কিমান দূৰ সহায় সহযোগিতা আগবঢ়াইছো সেইটো তেওঁলোকৰ বিচাৰ্য্য বিষয়। কাৰণ শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ দৰে অৰ্থনৈতিক ক্ষেত্ৰত পিছপৰা এখন মহাবিদ্যালয়ত ভৱা মতে ছাত্ৰীসকলক সুযোগ সুবিধা দিয়াটো সম্ভৱ নহয়। মোৰ কাৰ্য্যকাল ছোৱাত মোক প্ৰতিটো ক্ষেত্ৰতে দিহা পৰামৰ্শ দি সহায় কৰা অধ্যক্ষ মহোদয়, আহমেদ চাৰ, বিভাগীয় উপদেষ্টা নাজৰিন বাইদেউ, তামুলী চাৰ, মাউত চাৰ, হামিদ চাৰৰ ওচৰত বিশেষভাৱে কৃতজ্ঞ। ইয়াৰোপৰি বান্ধবী অনিতা, বন্দনা, ৰূপাঞ্জলী, শ্বমচুন বেবীৰ সহায় সহযোগৰ কথাও সুঁৱৰিছো।

কলেজ সপ্তাহ হ'ল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ উপযুক্ত মাধ্যম। আমাৰ কাৰ্য্যকাল ছোৱাত ২৩/১/৮৯ তাৰিখৰ পৰা ৩১/১/৮৯ তাৰিখলৈ সপ্তাহ জোৰা কাৰ্যসূচীৰে কলেজ সপ্তাহ অনুষ্ঠিত কৰা হৈছিল। বিভিন্ন প্ৰতিযোগিতা সমূহত আমাৰ মহাবিদ্যালয় ছাত্ৰীসকলে আশানুৰূপ সফলতা দেখুৱাইছিল। মহাবিদ্যালয় সপ্তাহৰ আটাইতকৈ আকৰ্ষণীয় প্ৰতিযোগিতা আছিল Brides of India (ভাৰতীয় কইনা) প্ৰতিযোগিতা। মোৰ বিভাগত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাসমূহ আছিল—

ডবা, কেৰেম, চাইনিজচেকাৰ, বেডমিণ্টন, টেবুলটেনিচ, পুডিং, পুষ্পসজ্জা আৰু ভাৰতীয় কইনা প্ৰতিযোগিতা। প্ৰতিযোগিতা সমূহত ছাত্ৰীসকলৰ ফলাফলো মন কৰিবলগীয়াই আছিল।

উক্ত প্ৰতিযোগিতাসমূহত বিচাৰ কৰি দিয়া বিচাৰক মণ্ডলীৰ ওচৰত মোৰ কৃতজ্ঞতা জনালো। ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হোৱাৰ পাছতে কিমান অভাৱ অনুভৱ কৰিছিলো সেইটো সকলোৰে জ্ঞাত। বিশেষকৈ খেলা ধূলাৰ বাবে যিখিনি সামগ্ৰীৰ প্ৰয়োজন সেইখিনি আমাৰ মহাবিদ্যালয়ে বহন কৰিব পৰা নাই। বিশেষকৈ টেবুলটেনিচৰ টেবুল নথকাৰ বাবে এইবাৰ যুৱমহলৰ পৰা টেবুল আনি খেলাব লগীয়া হৈছে। পৰিবেশৰ অভাৱত ভাল খেলা ছাত্ৰীৰো প্ৰতিভা বিকাশত বাধা আহি পৰিছে। গতিকে এইবছৰ এখন টেনিচ বৰ্ড আনিবলৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ জনালো। ই অকল মোৰেই দাবী নহয়। ই সকলো ছাত্ৰীৰে দাবী বুলি ধৰি লব লাগিব। লগতে আহল বহল ছাত্ৰী জিৰণী কোঠা এটি অনতিপলমে নিৰ্ম্মাণ কৰিবলৈও অনুৰোধ জনালো।

সদৌ শেষত মহাবিদ্যালয়ৰ সকলো ছাত্ৰীলৈকে মোৰ আন্তৰিক শুভেচ্ছা জনাই মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নতি ও উজ্জ্বল ভৱিষ্যত কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো। ইতি—

॥ জয় আই অসম ॥

শ্ৰীদীপামণি বৰুৱা

## ॥ সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ॥

জয় জয়তে ১৯৮৯-৯০ চনৰ শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰীসকলে মোক ছাত্ৰী একতা সভাৰ সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ দায়িত্বভাৰ গ্ৰহণ কৰিবৰ বাবে নিৰ্ব্বাচিত কৰাত সমূহ ছাত্ৰী বান্ধৱীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

১৯৮৯-৯০ চনত সাংস্কৃতিক বিভাগৰ দ্বাৰা কেইবাটাও অনুষ্ঠান অনুষ্ঠিত কৰা হয়। বাৰ্ষিক কলেজ সপ্তাহত সাহিত্য প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। তাৰ ভিতৰত আছিল—অসমীয়া, ইংৰাজী কবিতা লেখা, ৰম্য-ৰচনা লেখা, চুটি গল্প, অসমীয়া আৰু ইংৰাজী ৰচনাপ্ৰতিযোগিতা আৰু অসমীয়া ইংৰাজী কবিতা আবৃতি, অসমীয়া সংলাপ আবৃত্তি ইত্যাদি। উক্ত বিষয়বোৰত আমাৰ কলেজৰ ছাত্ৰীৰ সংখ্যা চাই অতি কম সংখ্যক ছাত্ৰীয়েহে অংশগ্ৰহণ কৰিছিল। তাৰোপৰি ছাত্ৰীসকলৰ এইবোৰ বিষয়ত দিনক দিনে যেন স্পৃহা কমি অহা পৰিলক্ষিত হৈছে। বাৰ্ষিক কলেজ সপ্তাহটো উলহ-মালহেৰে আয়োজন কৰা এটা উৎসৱ বুলিয়ে কব পাৰি। এই উৎসৱত ছাত্ৰীসকলে অংশগ্ৰহণ কৰা বাদেই, চাবলৈ আহিবলৈও টান পায়। কোনোবা দিনা কলেজত শোকসভা বা আন যি কোনো সভা এখন পাতিবলৈ হলেও ছাত্ৰীসকলক কিয় গেটৰ সন্মুখত বৈ ঘৰলৈ নাযাবলৈ কোৱা হয়? দহ মিনিট সময় শোকসভাখনত উপস্থিত থকাটোতও তেওঁলোকে কামনা নকৰে নেকি? সৌ সিদিনা সৰস্বতী পূজা উপলক্ষে এখনি 'কবি সন্মিলন'ৰ আয়োজন কৰা হৈছিল। নিমন্ত্ৰিত ব্যক্তিসকলে ইমান অৰ্থপূৰ্ণ একোটি গধুৰ ভাৱন দাঙি ধৰিছিল যিটোৱে হয়তু ছাত্ৰীসকলক উপকাৰ কৰিলেহেঁতেন, কিন্তু দুখৰ বিষয়, আক-

ক্ষমতাৰ পৰিৱেশ এটাত ছাত্ৰীসকল কিয় কলেজৰ এটি কোঠাত আৱদ্ধ হৈ থাকিব। অৱশ্যে কেইগৰাকী-মান সাহিত্যানুৰাগী ছাত্ৰী সন্মিলনখনিত উপস্থিত নথকা নহয়।

স্কুল পৰ্য্যায় শেষ কৰি ছাত্ৰীসকলে এক উচ্চ আশা বুকুত বান্ধি এইখন কলেজৰ দুৱাৰ-দলিত ভৰি দিছে যেতিয়া তেওঁলোকক এতিয়া বাহিৰা জ্ঞান দিবৰ প্ৰয়োজন নাই। ভাল বেয়া এতিয়া নিজেই বুজি পোৱা হৈছে। ছাত্ৰীসকল ভাল হলে কলেজখনৰ সুনাম আহিব। ছাত্ৰীসকলৰ ওপৰতেই কলেজখন নিৰ্ভৰ কৰিছে। এই বিদ্যামন্দিৰৰ ভিতৰত জ্ঞানৰ সঁফুৰা বুটলি লৈ ছাত্ৰীসকলে সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হব লাগিব। নিজৰ ঘৰখনৰ বাবে বেয়া চিন্তা কোনেও নকৰে। যৰমৰ ছাত্ৰ বান্ধৱী সকল, সময়ৰ মূল সময়মতে দিবলৈ যত্ন কৰিব। নিজকে সুপথে পৰিচালিত কৰি দুৰ্নীতিক আশ্ৰয় নিদি সমাজখন নিকাৰুপে গঢ়ি তুলিব পৰাটোৱেই আমাৰ কৰ্ত্তব্য। তাৰোপৰি ভয়ক আশ্ৰয় নিদি তাৰ সলনি বুকুত সাহস লৈ সকলোৰে আঁৰত লুকাই থকা প্ৰতিভাসমূহ বিকশিত কৰি তুলিব লাগে। মোৰ আশা আগন্তুক প্ৰতিযোগিতাত সকলো ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিব।

এই বিভাগৰ দ্বাৰা ফাটেহা ই দোৱাজ-দহম অনুষ্ঠিত কৰা হয়। মাননীয় শিক্ষাগুৰুসকল আৰু ছাত্ৰীসকলৰ সহায় সহযোগিতাত নিয়াৰিকৈ হৈ যায়।

উক্ত অনুষ্ঠান সমূহত সাংস্কৃতিক বিভাগৰ উপদেষ্টা মাননীয় শিক্ষাগুৰু শ্ৰীযুত দ্ৰোণকান্ত কলিতা চাৰে মোক দিহা-পৰামৰ্শৰ লগতে যিখিনি কষ্ট কৰিলে তাৰবাবে তেখেতলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। আনহাতেদি প্ৰতিটো বিষয়তে মোক বিভিন্ন দিশত সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে মাননীয় শিক্ষাগুৰু শ্ৰীযুতা যমুনা বৰগোহাঁই, শ্ৰীযুত ৰঞ্জিত তামুলী, শ্ৰীযুত আকুল হামিদ, শ্ৰীযুত ফনীন মাউত, শ্ৰীযুত অনন্ত দত্ত, আৰু মাননীয় অধ্যক্ষ শ্ৰীযুত হাফিজুৰ ৰহমান চাৰলৈ মোৰ কৃতজ্ঞতা যাচিলো। তাৰোপৰি সকলো অনুষ্ঠানতে উপস্থিত থাকি মোৰ কাম কাজত সহায় কৰাৰ বাবে ছাত্ৰী একতা সভাৰ সম্পাদিকা আৰু মোৰ বান্ধৱী জামিৰুণ নিছা, আৰু কৰবীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিলো। ইয়াৰ উপৰিও কলেজৰ কৰ্মচাৰী সকলে সকলো অনুষ্ঠানত উপস্থিত থাকি সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে তেখেতসকললৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত অজানিতে হৈ যোৱা ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। ছাত্ৰীসকল আৰু কলেজখনৰ দীৰ্ঘায়ু কামনা কৰি মোৰ কবলগীয়াখিনি ইমানতে সামৰিছো।

ইতি—

এম শ্বামচুন নাহাৰ

## ॥ সংগীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ॥

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ ১৯৮৮-৮৯ চনৰ সংগীত বিভাগৰ সম্পা-দিকা হিচাবে ছাত্ৰীসকলক সেৱা কৰিবলৈ সুযোগ দিয়াৰ বাবে মই ছাত্ৰীসকলৰ ওচৰত চিৰকৃতজ্ঞ।

কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই জানুৱাৰী মাহৰ ২৩, ২৪, ২৫, ২৬, ২৭, ২৮, ২৯ আৰু ৩০ তাৰিখে

